## ভিতৰৰ পৃষ্ঠাত

জীৱনৰ সৌন্দৰ্য আৰু সাধনা পৃষ্ঠা ৪
ড্ৰাগছৰ বিৰুদ্ধে আমাৰ... পৃষ্ঠা ৫
শিশুৰ মানসিক উৎকৰ্ষ... পৃষ্ঠা ৭
গুগলৰ যুগত শিক্ষকৰ... পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:14 ■ Issue: 6 ■ Guwahati ■ Wednesday ■ 9 September, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ৬ ■ গুৱাহাটী ■ বুধবাৰ ■ ২২ ভাদ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


**ৰাজ্যৰ ৩৫ জিলাক সামৰি ১ নৱেম্বৰৰ পৰা 'খেল মহাৰণ'**

## নৱম শ্ৰেণীৰ শিক্ষাৰ্থীক দিব চাইকেল



**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসমৰ ৩৫খন জিলাক সামৰি অহা ১ নৱেম্বৰৰ পৰা 'খেল মহাৰণ ৩.০- শিশু ক্ৰীড়া সমাৰোহ' অনুষ্ঠিত কৰিব ৰাজ্য চৰকাৰে। ইয়াৰ মূল লক্ষ্য হৈছে তৃণমূল পৰ্যায়ত ব্যাপক অংশগ্ৰহণ নিশ্চিত কৰা, কম বয়সতে বিশেষকৈ ১২ বছৰ বয়সৰ অনুৰ্ধৰ শিশু প্ৰতিভাসমূহ চিনাক্ত কৰা আৰু আনুষ্ঠানিক অংশীদাৰিত্ব তথা দীৰ্ঘম্যাদী আৰ্থিক সহায়ৰ জৰিয়তে খেলুৱৈসকলৰ সুসংগঠিত বিকাশ সাধন কৰা। শিশু ক্ৰীড়া সমাৰোহ (১২ বছৰ অনুৰ্ধৰ বৃত্তি) ঃ নিৰ্বাচিত মুঠ ১২০ গৰাকী ১২ বছৰৰ অনুৰ্ধৰ খেলুৱৈৰ প্ৰশিক্ষণ আৰু ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে প্ৰতিমাহে ২,০০০ টকাকৈ দুবছৰৰ বাবে বৃত্তি প্ৰদান কৰা হ'ব। গুৱাহাটীত অনুষ্ঠিত আৱাসিক প্ৰশিক্ষণ শিবিৰত ভাৰতীয় আৰু বিদেশী শীৰ্ষস্থানীয় প্ৰশিক্ষকসকলে ■ ১১ পৃষ্ঠাত



## ড° ভূপেন হাজৰিকাৰ বাল্যকাল আৰু কিছু কথা

■ পবিত্ৰ কুমাৰ শৰ্মা

'সাহিত্য সংগীত কলা বিহিনঃ
সাক্ষাৎ পশুঃ পুচ্ছ বিছান হীন।
তৃণং ন খাদন্নপি জীৱমানস্তদ্
ভাগধেয়ং পৰমং পশুনাম।।'

অৰ্থাৎ সাহিত্য, সংগীত আৰু কলা এই তিনিওবিধ মানুহৰ জীৱনৰ অপৰিহাৰ্য অংগ। যাৰ শৰীৰত উক্ত তিনিওবিধ নাই বা নাথাকে তেওঁ নেগুৰ আৰু শিং নাইকিয়া পশুসদৃশ। পশুসকলৰ বাবে ■ দুই পৃষ্ঠাত

**শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ত দীক্ষান্ত সমাৰোহ**

## চাহিদা পূৰণ কৰিব পৰাকৈ মানৱ সম্পদ সৃষ্টিৰ আহ্বান মুখ্যমন্ত্ৰীৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই যোৱা দেওবাৰে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ উপস্থিতিত গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ চতুৰ্থ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে।

সমাৰোহত ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ আচাৰ্যৰো দায়িত্বত থকা মুখ্য মন্ত্ৰী ড° শৰ্মাই উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক আদৰণি জনোৱাৰ লগতে ডিগ্ৰী আৰু ডিপ্ল'মা লাভ কৰা শিক্ষাৰ্থীসকল তথা তেওঁলোকৰ পিতৃ-মাতৃ ■ ১১ পৃষ্ঠাত


## বৰপেটা-বাক্সাত হস্ততাঁত, বস্ত্ৰ ক্ৰীড়া প্ৰকল্পৰ পৰ্যালোচনা মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসম চৰকাৰৰ হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম শিল্প তথা ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে যোৱা দেওবাৰে বৰপেটা আৰু বাক্সা জিলা ভ্ৰমণ কৰি অঞ্চলকেইটাত চলি থকা হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম খণ্ডৰ বিভিন্ন পদক্ষেপ আৰু ক্ৰীড়া



প্ৰকল্পৰ স্থিতি পৰ্যালোচনা কৰে। ভ্ৰমণসূচী অনুসৰি মন্ত্ৰীগৰাকীয়ে প্ৰথমে বৰপেটাৰ গণককুছিত থকা 'হস্ততাঁত আৰু বস্ত্ৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান' পৰিদৰ্শন কৰে। তাত তেওঁ প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে তেওঁলোকৰ প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ■ ১১ পৃষ্ঠাত

## ধূপধৰাত চাৰিলেন ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্যত অনিয়ম



**অসম ভূমি সেৱা, ধূপধৰা ঃ** গোৱালপাৰা জিলাৰ ধূপধৰাত চলি থকা ১৭নং ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত পথলৈ সম্প্ৰসাৰণৰ কামত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ নিৰ্মীয়মাণ ফ্লাইঅভাৰৰ দুয়োকাষে থকা ছাৰ্ভিচ ৰোডৰ নিৰ্মাণকাৰ্যৰ মানদণ্ডক লৈ প্ৰশ্ন উত্থাপন কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে কৃষ্ণাই-পাইকানৰ পৰা ■ ১১ পৃষ্ঠাত

## গুৱাহাটী বিশ্ববিদ্যালয়ত 'চন্দ্ৰকান্ত অভিধান'ৰ নতুন সংস্কৰণ উন্মোচন

**১১০ কোটি টকাৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ শিলান্যাস**

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ভাৰতৰ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে যোৱা সোমবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ১১০ কোটি টকাৰ প্ৰকল্পৰ শিলান্যাস কৰাৰ লগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা তথা বিশিষ্ট নাগৰিকসকলৰ সৈতে অনুষ্ঠিত এক ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। এই ■ ১১ পৃষ্ঠাত

## সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীত 'মানুহে মানুহৰ বাবে' শীৰ্ষক অনুষ্ঠান



**গুৱাহাটী ঃ** সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু বৃহত্তৰ গুৱাহাটী সাংস্কৃতিক সংগঠনৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত যোৱা সোমবাৰে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰে বজিতা খুৱাই 'মানুহে মানুহৰ বাবে' শীৰ্ষক এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকি ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াই অসমৰ জাতীয় জীৱনলৈ ড° ভূপেন হাজৰিকাৰ অৱদান স্মৰণ কৰে। অসমৰ বিশিষ্ট শিল্পীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সুধাকণ্ঠৰ কালজয়ী গীত -অসম আমাৰ ৰূপহী, মাহত দেখোন ■ দুই পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# ড° ভূপেন হাজৰিকাৰ বাল্যকাল আৰু কিছু কথা

আনন্দৰ কথা যে সেইসকলে ঘাঁহ ভক্ষণ নকৰে। শতাধিক বছৰৰ অগাপিছাকৈ পুণ্যভূমি ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তত সমসাময়িকভাৱে বহুকেইজন পুৰোধা আৰু সংস্কৃতিৱান পুৰুষৰ আৱিৰ্ভাৱ হৈছিল। মই আৱিৰ্ভাৱ শব্দটো এই কাৰণেই ব্যৱহাৰ কৰিছো যে তেখেতসকল এতিয়া পৰলোকগত আৰু উত্তম পুৰুষ আছিল। প্ৰাচীন বৰঅসমত বগা চাহাব আৰু বেংগলীভাষীসকলৰ প্ৰচেষ্টাত ১৮৩৬ চনত অসম ৰাজ্যৰ অফিচ-কাছাৰী, বিদ্যালয় আদিত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষাৰ আগমন ঘটিল। অসমীয়া ৰাইজৰ প্ৰবল দাবীত আৰু প্ৰতিবাদত পুনৰ ১৮৭৩ চনত অসমত অসমীয়া ভাষাৰ প্ৰচলন হ'ল। ১৯১৭ চনত আনুষ্ঠানিকভাৱে ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাত ভূমিষ্ঠ হোৱা অসম সাহিত্য সভা আৰু অসমৰ ৰাইজৰ অনুৰোধত ১৯৫২ চনত অসমত অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাপে চৰকাৰে স্বীকৃতি প্ৰদান কৰিলে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আদিৰ বাবে যিসকলে কঠোৰ পৰিশ্ৰম, প্ৰতিবাদ কৰিলে আনকি মৃত্যুকো আঁকোৱালি লৈছিল। এই ছেগতে সেইসকললৈ ভক্তিভৰা সেৱা নিবেদন কৰিলো। আমি সকলোৱেই জানো যে ভাষা আন্দোলন প্ৰথম ছহিদগৰাকী হৈছে ৰঞ্জিত বৰপূজাৰী। 'দিব্যান লোকান স্ব-গচ্ছতু'।

১৯ শতিকাৰ আৰম্ভণিতে ঘাইকৈ অসমীয়া সাহিত্য-সংস্কৃতি আৰু কলাৰে সমৃদ্ধ তিনিগৰাকী উত্তম পুৰুষৰ অসমভূমিত জন্ম হৈছিল। ১৯০৩ চনত ১৭ জুন তাৰিখে ডিব্ৰুগড় জিলাৰ তামোলপুৰ বাগিচাত পৰমানন্দ আগৰৱালা আৰু কিৰণময়ী আগৰৱালাৰ ঔৰসত জন্ম লাভ কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই। সাহিত্য-সংস্কৃতি থলুৱা গীত-মাত আদিৰ সত্য আৰু শুদ্ধ ৰূপত প্ৰচাৰ-প্ৰসাৰেৰে খ্যাতি অৰ্জন কৰি অতি কম সময়তে ১৯৫১ চনৰ ১৭ জানুৱাৰীত ৰূপকোঁৱৰগৰাকী পৰলোকধামলৈ গতি কৰিলে। ঠিক তেনেকৈ ১৯০৯ চনৰ ৩১ জানুৱাৰীত ঢাকা চহৰত গোপাল চন্দ্ৰ ৰাভা আৰু গেথিবালা ৰাভাৰ ঔৰসত ভূমিষ্ঠ হোৱা অসম সন্তানগৰাকী হৈছে বিষ্ণুপ্ৰসাদ ৰাভা। জন্মৰ পাছতে মাতৃৰ দৃষ্টিত সন্তানটিৰ মুখখন ভগৱান বিষ্ণুৰ দৰেই আছিল বাবে সন্তানটিৰ নাম ৰখা হৈছিল 'বিষ্ণু'। ১৯৬৯ চনৰ ২০ জুন তাৰিখে সেইগৰাকী মহান শিল্পীয়েও গুণমুগ্ধসকলক এৰি থৈ অজান দেশলৈ মেলানী মাগিলে। পৰৱৰ্তী ১৯১০ চনত তেজপুৰ চহৰৰ এটা সংস্কৃতিৱান তথা নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল অসমৰ নাট্য জগতৰ পুৰোধা ব্যক্তি ফণী শৰ্মা ডাঙৰীয়াই। ঁমোলান চন্দ্ৰ শৰ্মা আৰু ঁহোমেশ্বৰী দেৱীৰ ঔৰসত জন্ম লাভ কৰা শৰ্মাদেৱে ১৯৭০ চনত ৩১ জুলাইত নাট্যপ্ৰেমীসকলক কন্দুৱাই অন্তিম যাত্ৰাত বিলীন হ'ল। এতিয়া আহো এই প্ৰবন্ধৰ মূল নায়কৰ ওচৰলৈ। ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত সেই সময়ৰ কলা-সংস্কৃতি জগতৰ একান্ত সাধক নীলকান্ত হাজৰিকা আৰু শান্তিপ্ৰিয়া হাজৰিকাৰ ঔৰসত গৰ্ভস্থ হোৱা পৰৱৰ্তী সময়ত বিশ্ববাসীৰ হিয়াৰ আমঠু ভূপেন নামৰ সৰু ল'ৰাটোৰ ওচৰলৈ। 'ভূপেন' শব্দৰ অৰ্থ হৈছে ভূ-স্বামী মানে মাটিৰ গৰাকী, ভূমিৰ অধিকাৰী বা ভূমি বা ৰাষ্ট্ৰৰ ৰজা বা পৰিচালক ইত্যাদি। হয়তো পিতৃ-মাতৃয়ে উমান পাইছিল যে এদিন তেওঁ হয়তো পৃথিৱীৰ ৰজা বা গৰাকীসদৃশ হৈ পৰিব। সেইবাবেই নৱজাতকৰ নাম ৰাখিছিল 'ভূপেন'। নীলকান্ত হাজৰিকাৰ পৰিয়ালটি আছিল সংস্কাৰ আৰু সংস্কৃতিৰে ভৰা এটা পৰিয়াল। ভূপেন হাজৰিকাই সৰুৰে পৰা পাইছিল এটি সুন্দৰ পৰিৱেশ। সুস্থ পৰিৱেশে সংগীতময় কৰি তোলে আমাৰ মনবোৰ। উদাহৰণস্বৰূপে মাত্ৰ ৪ বছৰ বয়সতে লগ পাইছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক। ফুল কুমলীয়া ভূপেনেই ৪ বছৰ বয়সত নিজে হাৰমনিয়াম বজাই গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত প্ৰথম ৰাজহুৱাকৈ পৰিৱেশন কৰিছিল এটি সমধুৰ গীত। সেই সভাত উপস্থিত আছিল লক্ষ্মীনাথ বেজবৰুৱা। গীতটি শুনি আপ্লুত হৈ বেজবৰুৱাদেৱে ভূপেন হাজৰিকাক হিয়াভৰা আশীৰ্বাদ দি কৈছিল 'বৰ ডাঙৰ শিল্পী হ'ব এওঁ'।

১৯২৬ চনত শদিয়াত ভূপেন হাজৰিকাই জন্মগ্ৰহণ কৰাৰ পাছত পিতৃদেৱতা নীলকান্তই ১৯২৯ চনত ভৰলুমুখত থকা শহুৰেকৰ ঘৰলৈ উন্নত চিন্তা-চৰ্চাৰে ঘূৰি আহিল। নীলকান্ত হাজৰিকাদেৱ কটন কলেজিয়েট স্কুলত শিক্ষকৰূপে যোগদান কৰিলে। ভৰলুমুখতেই শিক্ষাৰ আদিপাঠ আৰম্ভ হ'ল ভূপেন হাজৰিকাৰ। ভৰলুমুখ প্ৰাথমিক বিদ্যালয়তেই আৰম্ভ হ'ল জীৱনৰ গুৰুত্বপূৰ্ণ সংস্কাৰ 'বিদ্যাৰম্ভ'। স্কুলীয়া শিক্ষাৰ লগে লগে আগবাঢ়িল সংগীত শিক্ষাও। মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ মুখত শুনিছিল আইনাম, ধাইনাম, বিয়ানাম, নিচুকনি গীত ইত্যাদি। জন্মসূত্ৰে মাতৃৰ পৰা পোৱা আৰু শুনা গীত-মাত আদি লোকসংস্কৃতি আৰু লোকগীতসমূহে ভূপেন হাজৰিকাক বৰকৈ আকৰ্ষিত কৰিছিল। ভৰলুমুখৰ শ্ৰীশ্ৰী দুৰ্গা পূজা, বিভিন্ন ধৰ্মীয় উৎসৱ-পাৰ্বণত মাতৃৰ পৰা অনানুষ্ঠানিকভাৱে গীত-মাত শুনি শুনিয়েই সংগীত জগতত প্ৰৱেশ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ সন্মানাৰ্থে ১৯৩০ চনৰ ৩০ জানুৱাৰীত কটন কলেজিয়েট স্কুলত আয়োজন কৰা সাংস্কৃতিক কাৰ্যসূচীত পিতৃৰ তত্ত্বাৱধানত মাত্ৰ ৪ বছৰ বয়সত 'কি সতে হিয়াৰে-আমি কওঁ তুমি যোৱাগৈ, কৰ্তব্যে মাতিছে যদি যোৱা তুমি যোৱাগৈ' শীৰ্ষক গীতটি পৰিৱেশন কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল। সেই গীত শুনি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই কপালত চুমা খাই জীৱন যুদ্ধত জয়ী হ'বলৈ আশিস প্ৰদান কৰিছিল। ১৯৩৬ চনত তেজপুৰৰ গুৰুত্বপূৰ্ণ আৰু মনোৰম কাহিনীটো জানো আহক। ইতিমধ্যে নীলকান্ত হাজৰিকাই প্ৰথমতে কটন কলেজিয়েট স্কুলত শিক্ষকতা কৰিছিল, তাৰ পাছত তেখেত বিদ্যালয়সমূহৰ পৰিদৰ্শক হৈ ধুবুৰীলৈ গুচি গৈছিল, ধুবুৰীৰ পৰা পুনৰ ১৯৩৬ চনত ঐতিহ্যমণ্ডিত তেজপুৰলৈ ঘূৰি আহিল। ইতিমধ্যে তেজপুৰৰ এখন ৰাজহুৱা মঞ্চত অনুষ্ঠিত হোৱা এভাগ অনুষ্ঠানত অসমৰ সুযোগ্য সন্তান ভূপেনে মাত্ৰ ১০ বছৰ বয়সত মহাপুৰুষ শংকৰদেৱ বিৰচিত "মন মেৰি ৰাম চৰণহি লাগু" বৰগীতটি পৰিৱেশন কৰি সভাসদসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ('ভূপেন হাজৰিকাৰ গীত সমগ্ৰ' গ্ৰন্থৰ মতে মাতৃয়ে শিকাই দিয়া "জয় জয় যাদৱ জলনিধি যাদৱ ধাতা" বৰগীতহে উক্ত সভাত পৰিৱেশন কৰিছিল।) উল্লেখযোগ্য উক্ত বৰগীতটিয়েই হৈছে মহাপুৰুষ শংকৰদেৱৰ জীৱনৰ প্ৰথম বৰগীত আৰু উক্ত গীত ৰচনা কৰিছিল প্ৰথম তীৰ্থযাত্ৰাৰ সময়ত বদৰিকাশ্ৰমত। ঠিক তেনেকৈ মহাপুৰুষ মাধৱদেৱে জীৱনত ৰচনা কৰা বৰগীতসমূহৰ ভিতৰত প্ৰথম বৰগীত ভাগ হৈছে "আৰে মই চৰণ লৈলোঁ নাৰায়ণ"। ১০ বছৰীয়া ভূপেনে মাতৃৰ পৰা শিকি পৰিৱেশন কৰা বৰগীত ভাগৰ নিয়ম আৰু পৰম্পৰা আছিল মনোগ্ৰাহী আৰু নিখুঁত। উক্ত সভাতেই উপস্থিত আছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। অসমীয়া কলা-সংস্কৃতিৰ সাধক দুজনে নতুনকৈ আৱিষ্কাৰ কৰিলে শিশু ভূপেনক। ভূপেনৰ কথা-বতৰা, অমায়িক ব্যৱহাৰ, শব্দৰ উচ্চাৰণ, গীতৰ তাল-মান-লয় আদি দেখি-শুনি দুয়োগৰাকীয়ে ভূপেনক আদৰি ল'লে। উক্ত মণিকাঞ্চন সংযোগেই বিশ্বৰ সংগীত জগতৰ বাবে মংগলময় হৈ পৰিল। আলাপ-আলোচনাৰ অন্তত শিশু ভূপেনক লৈ কলিকতালৈ গৈ ভূপেনৰ কণ্ঠৰে গাত বাণীবদ্ধ কৰাৰ চিন্তা-চৰ্চা কৰিলে।

মাত্ৰ ১০ বছৰীয়া ভূপেনৰ কণ্ঠ, সুৰ, তাল, মান, লয় আদিৰ প্ৰতি আকৃষ্ট হৈ দুয়োগৰাকীয়ে ভূপেনৰ পৰিয়ালৰ লগত আলোচনাত বহি কেইবাটাও ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিলে। ১৯৩৬ চনত ভূপেনক লৈ কলিকতালৈ যাত্ৰা আৰম্ভ কৰিলে। কলিকতাৰ অৰোৰা ষ্টুডিঅ'ত কলাগুৰুৰ দ্বাৰা ৰচিত দুটা গীত ভূপেনৰ কণ্ঠত বাণীবদ্ধ কৰা হ'ল। গীত দুটা হৈছে 'কাষতে কলচি লৈ যায় ঐ ৰচকী বাই' আৰু 'উলাহতে নাচি বাগি হলি বিয়াকুল, তালে তালে হালি জালি কৰিলি আকুল'।

কলিকতাত কণ্ঠদান কৰাৰ পাছত ভূপেন নামৰ শিশুটিৰ লগত লক্ষী আৰু সৰস্বতী লগ লাগিল। পুনৰ ১৯৩৯ চনত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ ২য় কথাছবি 'ইন্দ্ৰমালতী'ত মাত্ৰ ১২ বছৰ বয়সত ভূপেনে নেপথ্যৰ গায়ক হিচাপে কণ্ঠদান কৰাৰ সুযোগ লাভ কৰিলে। 'বিশ্ববিজয়ী নৱজোৱান আৰু অ' অগ্নিযুগৰ ফিৰিঙতি যোগনীয়া' গীত দুটা সেই সময়ত বৰ জনপ্ৰিয় হৈ পৰিছিল। উল্লেখযোগ্য, ২য় গীতটিত শিশু ভূপেনে নিজে অভিনয় কৰিছিল। যুদ্ধৰ ঘোঁৰাৰ দৌৰ আৰম্ভ হোৱাৰ দৰে ভূপেনৰ সংগীত জীৱনৰ দৌৰ ক্ৰমান্বয়ে তীব্ৰ হ'বলৈ ধৰিলে। নিজেও এটি গীত ৰচনা কৰাৰ চিন্তা কৰি ১৯৩৯ চনত মাত্ৰ ১৩ বছৰ বয়সত 'অগ্নিযুগৰ ফিৰিঙতি মই, নতুন অসম গঢ়িম' শীৰ্ষক গীতভাগ ৰচনা কৰি সুৰ দি কণ্ঠদান কৰিলে। জীৱনত নিজে ৰচনা কৰি কণ্ঠদান কৰি পোৱা সীমাহীন আনন্দই জীৱনলৈ নমাই আনিলে নতুন দিগন্ত।

'অগ্নিযুগৰ ফিৰিঙতি মই' গীতৰ আগতেই 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান' শিৰোনামৰ এটি গীত ৰচনা কৰি বৰদোৱা থানৰ গুণানুকীৰ্তন কৰিছিল। ১৯৩৬ চনত তেজপুৰত ভূপেন হাজৰিকাই গীত পৰিৱেশন কৰা সভাখনত নটসূৰ্য ফণী শৰ্মায়ো উপস্থিত আছিল। সেই সময়ত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু নটসূৰ্য ফণী শৰ্মাক সংগীত জগতৰ 'ত্ৰিমূৰ্তি' আখ্যা দিয়া হৈছিল। যেন এৰাব নোৱাৰা এক পৱিত্ৰ বান্ধোন। এজনে আনজনক এৰি কোনো কাম নকৰিছিল। সদায় আলোচনা-বিলোচনাৰ মাধ্যমেদি কাম-কাজবোৰ সম্পন্ন কৰিছিল। সেই সময়ত তেজপুৰৰ সংস্কৃতিপ্ৰেমীসকলৰ মিলনভূমি আছিল ঐতিহাসিক বাণ থিয়েটাৰ আৰু ৰূপকোঁৱৰৰ বাস ভৱন 'পকী'। ফণী শৰ্মাদেৱৰ লগতো ভূপেন হাজৰিকা ঘনিষ্ঠ হৈ পৰিছিল। ঘাইকৈ কলিকতা যাত্ৰা, চিনেমাত অভিনয় আৰু সভা-সমিতিবোৰত প্ৰায়েই দেখা-দেখি হৈছিল। ৰূপকোঁৱৰৰ দ্বিতীয়খন কথাছবি 'ইন্দ্ৰমালতী'ত ফণী শৰ্মা আৰু ভূপেন হাজৰিকাই একেলগেই অভিনয় কৰিছিল। ১৯৪৮ চনত ফণী শৰ্মাই বিষ্ণু ৰাভাই পৰিচালনা কৰা 'চিৰাজ' নামৰ বোলছবিখনত ভূপেন হাজৰিকাই সংগীত পৰিচালনা কৰাৰ লগতে অভিনয়ো কৰিছিল। মাত্ৰ ১২ বছৰ বয়সত সংগীত পৰিচালনাৰ দায়িত্ব সুখ্যাতিৰে সমাপ্ত কৰাটো সকলোৰেই বাবে গৌৰৱ আৰু আনন্দৰ বিষয়।

বিশ্বৰত্ন ড° ভূপেন হাজৰিকা এজন ব্যক্তি নহয়, এটা বৃহৎ অনুষ্ঠান। তেখেতৰ জীৱনৰ বিভিন্ন দিশ সামৰি ইতিমধ্যে শ শ গ্ৰন্থ ৰচনা কৰা হৈছে। আমি মাত্ৰ অনুৰোধ ৰক্ষা কৰি নামমাত্ৰ সাধাৰণভাৱে স্মৃতিচাৰণহে কৰিছো। চলচ্চিত্ৰ পৰিচালক, সংগীত শিল্পী, কবি, গীতিকাৰ, কিছুদিনৰ বাবে ৰাজনৈতিক ব্যক্তি, একালৰ খেলুৱৈ, সুৰকাৰ, অভিনেতা, অসমী আইৰ সুযোগ্য সন্তান সুধাকণ্ঠ, দাদা চাহেব ফাল্কে বঁটা, ভাৰতৰত্ন আদি লাভ কৰোতা, অসম সাহিত্য সভাৰ সভাপতি বিশ্বৰত্ন ড° ভূপেন হাজৰিকাদেৱক মই ব্যক্তিগতভাৱেও বহুবাৰ লগ পাইছিলো। ঐশ্বৰিক গুণসম্পন্ন প্ৰতিভাধৰ গৰাকীৰ অমায়িক ব্যৱহাৰে মোক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। কাৰোবাৰ মতে প্ৰবাদপ্ৰতিম পুৰুষজন হেনো বৰ খঙাল। সৰু সৰু কথাতেই মানুহক খং কৰে। কথাতো এশ শতাংশ সত্য আৰু শুদ্ধ নহয়। নিজৰ মানুহবোৰক কিন্তু ভুলবোৰ নকৰিবৰ বাবেহে মাজে মাজে খং কৰিছিল। কাৰণ সামান্য অসুবিধাৰ সন্মুখীন হ'লেও কিছুমান শিল্পীয়ে গীত পৰিৱেশন কৰিব নোৱাৰে। আগৰ ভুলবোৰৰ পুনৰাবৃত্তি নহ'বৰ বাবে সহ-শিল্পী আৰু পৰিয়ালৰ মানুবোৰক ধমকি দিছিল।

২০০৬ চনত মই দিছপুৰ ছুপাৰ মাৰ্কেট ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতিৰ দায়িত্বত আছিলো। সেই বছৰ ড° ভূপেন হাজৰিকাদেৱক আমাৰ বিহুত গীত পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল। শ্ৰীযুত কমল কটকীৰ সহযোগত নিৰ্দিষ্ট সময়ত (বিহুতলীত) আহি ভূপেনদা উপস্থিত হ'ল। লোকে লোকাৰণ্য আনকি গছৰ ডালত উঠিও মানুহে ওচৰৰ পৰা ভূপেনদাক চাবলৈ চেষ্টা কৰিছিল। দিছপুৰ ছুপাৰ মাৰ্কেট ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ সদস্যসকল আনন্দত আত্মহাৰা হৈ পৰিছিল। ভূপেনদা মঞ্চৰ উঠাৰ লগে লগে ভূপেন হাজৰিকা অমৰ হওক বুলি বহুবাৰ ধ্বনি দিয়া হ'ল। সেই সময়ৰ অসম চৰকাৰৰ আইন বিভাগৰ আয়ুক্ত মুনীন ডেকা ডাঙৰীয়া দৌৰি আহি মোক কাণে কাণে ক'লে যে অমৰ হওক নহয় দীৰ্ঘজীৱী হওক হে ক'ব লাগে। অমৰ হওক মৃত মানুহৰ ক্ষেত্ৰহে প্ৰয়োগ হয়। ডাঙৰ ভুলটোৰ বাবে মই বৰ লাজ পালো আৰু লগে লগেই দীৰ্ঘজীৱী হওক ধ্বনিৰে মুখৰিত কৰা হ'ল। অকাস্মতে হোৱা ভুলটোৰ বাবে মই আজিও অনুতপ্ত। সেই সভাতেই সকলোকে আদৰণি জনোৱা হ'ল। ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ উপদেষ্টা শ্ৰীযুত দিবাকৰ দাসদেৱে ভূপেনদাৰ ওপৰত এটা কবিতা ৰচনা কৰি মোক পাঠ কৰিবলৈ অনুৰোধ জনাইছিল। মই কবিতাটি পাঠ কৰাৰ পাছত ভূপেনদা আৱেগিক হৈ পৰিল। মোক হাতেৰে ওচৰলৈ টানি দি সাবটি ধৰি চুমা খাই দিলে। ময়ো আচৰিত নহৈ নোৱাৰিলো। মই সেই সময়ত সদৌ অসম আৰক্ষী সন্থাৰ সভাপতি পদত আছিলো, বহু আৰক্ষী সন্থাৰ লোকেও সেইদিনা সংগীতানুষ্ঠান উপভোগ কৰিবলৈ আহিছিল। কবিতাটো শুনি ভূপেনদা যে ইমান আৱেগিক হৈ পৰিব, আমি কোনেও ভাবিবই পৰা নাছিলো। বিশ্ববৰেণ্য শিল্পীগৰাকী জীৱনত বহু গীত-মাত-চিনেমাত অভিনয়, নাটকত অভিনয়, সামাজিক কাম, সাহিত্যৰ চৰ্চা আদি কামতেই ব্যস্ত আছিল। তৰণী পাঠক আৰু মনোমতী পাঠক ডাকুৱাৰ 'ভূপেন হাজৰিকা'ৰ গীত সমগ্ৰ পুথিখনৰ মতে ড° হাজৰিকাদেৱে প্ৰায় ৪৭৫ টা গীত নিজেই ৰচনা কৰিছিল আৰু সুৰ আৰোপ কৰি পৰিৱেশন কৰিছিল। তেখেতৰ জীৱনত স্বৰচিত প্ৰথম গীত ভাগ হৈছে 'কুসুম্বৰ পুত্ৰ শ্ৰী শংকৰ গুৰুৱে...।'

যি কি নহওক আমাৰেই সৌভাগ্য যে দিছপুৰ ছুপাৰ মাৰ্কেট ব'হাগী উৎসৱ উদ্‌যাপন সমিতিয়ে আয়োজন কৰা বিহুখনতেই ড° হাজৰিকাই সুন্দৰভাৱে গীত পৰিৱেশন কৰিবলৈ পালে। কেইদিনমানৰ পাছতে ২০০৬ চনত ২০ এপ্ৰিলত নুনমাটি বিহুতলীত সংগীত পৰিৱেশন কৰি থাকোতেই তেখেত অসুস্থ হৈ পৰিছিল। কিন্তু বাৰে বাৰে শ্ৰোতা-দৰ্শকক কৈছিল, মই সুস্থ হৈ পুনৰ নুনমাটিত গীত পৰিবেশন কৰিম। লগে লগেই গুৱাহাটী জি. এন. আৰ. চি হাস্পতাললৈ ভূপেনদাক লৈ অহা হৈছিল। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে জি. এন. আৰ. চি.ৰ পৰা লৈ যোৱা হৈছিল। আমাৰেই দুভাৰ্গ্য যে বিশ্বশিল্পীগৰাকীয়ে বিশ্ববাসীক কন্দুৱাই ২০১১ চনৰ ৫ নৱেম্বৰত পৰলোকধামলৈ গতি কৰিলে। এতিয়া পুনৰ ক'ম 'ড° ভূপেন হাজৰিকা অমৰ হওক'।

দিব্যান লোকান সঃ গচ্চতু।

# সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীত

উৰুকা নহয় তুমি নহ'লে, গাঁৱৰে জীয়ৰী, ৰ'দপুৱাবৰ কাৰণে, নৱ মল্লিকা হেঁপাহ, অসমী আইৰে লালিতা পালিতা আদি গীতসমূহ অনিৰ্বাণ দাস, পাহাৰী দাস, ৰুবী সিংহ, সন্ধ্যা মেনন, নমিতা ভট্টাচাৰ্য, শান্তা উজিৰ, কুইন দাস আদি শিল্পীসকলে পৰিৱেশন কৰে। অনুষ্ঠানত ভূপেন হাজৰিকাৰ পৰিয়ালৰ তৰফৰ পৰা ময়ুখ হাজৰিকা, ডাৱৰ হাজৰিকা, কুঁৱলী হাজৰিকা আদিয়ে গীত পৰিৱেশন কৰে। এই অনুষ্ঠানতে মন্ত্ৰী বড়াই ডিব্ৰুগড়ৰ ৰূপ বৰাই প্ৰস্তুত কৰা অসমৰ জ্যেষ্ঠ আৰু কনিষ্ঠ ১০০ গৰাকী শিল্পীয়ে কণ্ঠদান কৰা সুধাকণ্ঠৰ 'ৰ'দ পুৱাৰ কাৰণে...' শীৰ্ষক গীতৰ ভিডিঅ'টো উন্মোচন কৰে।

# ৰামপুৰত দুই অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা

**অসম ভূমি সেৱা, ৰামপুৰ ঃ** ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ২০০৬ চনত অৱসৰ গ্ৰহণ কৰা জনপ্ৰিয় শিক্ষক অশ্বিনী মজুমদাৰ আৰু অধুনালুপ্ত ৰামপুৰ বালিকা প্ৰাথমিক বিদ্যালয়ৰ পৰা ২০০২ চনত অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষয়িত্ৰী অঞ্জলি মজুমদাৰক ৬৫ সংখ্যক শিক্ষক দিৱস উপলক্ষে যোৱা শনিবাৰৰ দিনটোত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সন্থা, ৰামপুৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সন্থাৰ এটা প্ৰতিনিধি দলে প্ৰথমতে অশ্বিনী মজুমদাৰৰ বাসগৃহত উপস্থিত হৈ আশীৰ উৰ্দ্ধৰ শিক্ষকগৰাকীক সম্বৰ্ধনা জনায়। সন্থাৰ সম্পাদক কনক চন্দ্ৰ দাসে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সভাপতিত্ব কৰে সভাপতি মৃণাল ঠাকুৰীয়াই। সভাখনত সন্মানীয় অতিথি হিচাপে



উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই অসমীয়া লোক-সাহিত্যৰ নিষ্ঠাবান চৰ্চাকাৰী তথা শিক্ষক অশ্বিনী মজুমদাৰক সমসাময়িক সমাজ আৰু সামাজিক জীৱনৰ এগৰাকী মাৰ্গ দৰ্শনকাৰী ব্যক্তি হিচাপে অভিহিত কৰে। সাংবাদিক শৰ্মাই ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন কেৱল ভাৰতৰে নহয়, সমগ্ৰ বিশ্বৰে এগৰাকী বৰেণ্য দাৰ্শনিক আছিল বুলি মন্তব্য কৰে। সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয় দেৱজিৎ দাস (বাবুলি) আৰু কুশল কলিতাই শিক্ষক হিচাপে অশ্বিনী মজুমদাৰ এগৰাকী যথাৰ্থতে সফল শিক্ষক আছিল বুলি মন্তব্য কৰে। সভাখনত সম্বৰ্ধিত শিক্ষক অশ্বিনী মজুমদাৰে মানুহ গঢ়া খনিকৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সন্মান হানি হ'ব পৰা কাৰ্যৰ পৰা সকলো পক্ষই আঁতৰি থকাটো বৰ্তমান সমাজৰ বাবে নিতান্তই প্ৰয়োজন বুলি মন্তব্য কৰে। সভাখনৰ শেষত অগ্ৰণী কণ্ঠশিল্পী আভা ঠাকুৰীয়া কলিতাই এটি ঘোষা পৰিৱেশন কৰে। আনহাতে, ৩৫ বছৰকাল শিক্ষকতা কৰা অঞ্জলি মজুমদাৰকো তেওঁৰ বাসগৃহলৈ গৈ পৃথকে সম্বৰ্ধনা জনায় সংস্থাটোৱে। সম্বৰ্ধিত শিক্ষয়িত্ৰী অঞ্জলি মজুমদাৰে পাটাছাৰকুছি বিদ্যাপীঠত অধ্যয়ন কৰা সময়ৰ মধুৰ স্মৃতি ৰোমন্থন কৰি সকলোকে আপ্লুত কৰে। দুয়োগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সন্থাই ফুলাম গামোচা, ধৰ্মগ্ৰন্থ, শৰাই, প্ৰশস্তি-পত্ৰৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা সভাখনত অভয় চৰণ কলিতা, ধীৰেন মজুমদাৰ, তাৰা কলিতা, ভাৰত চন্দ্ৰ দাস, অবিনাশ কলিতা, জগদীশ শৰ্মা, বিপুল কুমাৰ চৌধুৰী, ৰামপ্ৰসাদ দাস, দ্বিজেন গোস্বামী, মনোৰঞ্জন চৌধুৰী, কৰুণা দাস, ৰেণু মহন্ত, বিণু গোস্বামী, অনুৰাধা দেৱী, মীনা কুমাৰী মহন্ত, শেৱালি চৌধুৰীকে ধৰি বহুসংখ্যক অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী উপস্থিত আছিল।

## সাংস্কৃতিক মহাসভা অসমৰ সাংস্কৃতিক কাৰ্যসূচী

**গুৱাহাটী ঃ** সংস্কৃতি সমন্বয়ৰ সোপান বাক্য হৃদয়ত লৈ সাংস্কৃতিক মহাসভা অসমে যোৱা দেওবাৰে প্ৰতিমা বৰুৱা পাণ্ডে কলা-কৃষ্টি প্ৰতিষ্ঠানত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত কৰে বিশেষ সাংস্কৃতিক অনুষ্ঠান আৰু স্থায়ী সদস্যৰ প্ৰমাণ পত্ৰ প্ৰদান কাৰ্যসূচী। পবিত্ৰ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে। সন্মানীয় অতিথিৰ ভাষণ ৰাখে বিহু সুৰক্ষা সমিতি অসমৰ সভাপতি যতীন গগৈয়ে। বিশিষ্ট অতিথিৰূপে উপস্থিত আছিল অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈ আৰু সাংস্কৃতিক মহাসভা অসমৰ পৰম সন্মানীয় সদস্য ডম্বৰু ধৰ তালুকদাৰ। সভাত বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা লোক সংস্কৃতিৰ উপাসক অজিত ঠাকুৰীয়া আৰু বিশিষ্ট ব্যৱসায়ী কুলধৰ ওজাক সাংস্কৃতিক মহাসভা অসমৰ পৰম সন্মানীয় সদস্যৰূপে আদৰণি জনোৱা হয়। প্ৰদীপ কুমাৰ বৰাই আঁতধৰা সভাখনত সদস্যৰূপে যোগদান কৰে ক্ৰমে ৰেখা দাস আৰু মিনাক্ষী বৰগোহাঁই। সভাত গীত পৰিৱেশন কৰে ক্ৰমে মানৱজ্যোতি শৰ্মা, গোবিন্দ মালাকাৰ, প্ৰতাপ বৰঠাকুৰ প্ৰমুখ্যে শিল্পীসকলে। যোৱা দেওবাৰে অনুষ্ঠিত সভাত ১২ গৰাকী আজীৱন সদস্যই যোগদান কৰে।

## পূব বজালীৰ খাৰাধৰাত সংগ্ৰামী সতীৰ্থ মঞ্চ, টিহু-বজালীৰ অধিৱেশন-ছহিদ দিৱসৰ প্ৰস্তুতি

**অসম ভূমি সেৱা, নাথকুছি ঃ** অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ পটভূমিত ২০১৬ চনৰ ১০ ডিচেম্বৰত জন্ম লভা সংগ্ৰামী সতীৰ্থ মঞ্চ, টিহু-বজালীৰ আগত ছহিদ দিৱস আৰু বাৰ্ষিক অধিৱেশনৰ পূৰ্ণ প্ৰস্তুতি চলোৱা হৈছে। এই উদ্দেশ্যে পূব বজালী মৌজা সমিতিৰ সৌজন্যত যোৱা দেওবাৰে নিজ-ষাঠিশামুকাৰ খাৰাধৰাত সংগ্ৰামী সতীৰ্থ মঞ্চ, টিহু-বজালীৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। পুৱা ১০ বজাত খাৰাধৰা আঞ্চলিক উন্নয়ন সমিতিৰ কাৰ্যালয় প্ৰাংগণত সংগ্ৰামী সতীৰ্থ মঞ্চৰ কেন্দ্ৰীয় ভাৱপ্ৰাপ্ত সভাপতি পৰমানন্দ দেৱচৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সতীৰ্থ মঞ্চৰ কেন্দ্ৰীয় ভাৱপ্ৰাপ্ত সম্পাদকপ্ৰধান চক্ৰধৰ ঠাকুৰীয়াই। চিনাকি পৰ্বৰ পিছতেই সভাৰ আৰম্ভণিতে টিহু-বজালীৰ অন্তৰ্গত সদ্য প্ৰয়াত অসম আন্দোলনৰ কৰ্মীসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। ইয়াৰ পিছতে অসম আন্দোলনৰ পটভূমিত টিহু-বজালীৰ ছহিদ আৰু নিৰ্যাতিতসকলৰ এখন গ্ৰন্থ প্ৰস্তুতকৰণ আৰু আগন্তুক বাৰ্ষিক অধিৱেশন সম্পৰ্কত আলোকপাত কৰি ক্ৰমে মহেন্দ্ৰ দাস, নিৰন দাস,




ৰমা শৰ্মা, গোপাল তালুকদাৰ, ধনজিৎ শৰ্মা, শুক্ৰ কলিতা, বিনোদ ৰয়, ৰমেন তালুকদাৰ, সতীশ দাস, দীপক ৰয়, গুণধৰ দাস, ৰমাকান্ত দাস, নিৰঞ্জন তালুকদাৰ আদিয়ে বক্তব্য প্ৰদান কৰে। শতাধিক অসম আন্দোলনৰ সংগ্ৰামী উপস্থিত থকা সভাখনে আগত ১০ ডিচেম্বৰ ছহিদ দিৱস আৰু সতীৰ্থ মঞ্চৰ কেন্দ্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিখন গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাই মঞ্চৰ কেন্দ্ৰীয় উপ-সভাপতি তথা স্থানীয় সমাজকৰ্মী মহেন্দ্ৰ দাসক সভাপতি, ৰজনী উজীৰক উপ-সভাপতি, নিৰন দাসক সম্পাদকপ্ৰধান, গগন চন্দ্ৰ ৰয়ক সম্পাদক, কান্তেশ্বৰ পাঠকক সহকাৰী সম্পাদক আৰু শুক্ৰ কলিতাক কোষাধ্যক্ষ হিচাপে লৈ এখন ২৫ জনীয়া সমিতি গঠন কৰি দিয়ে। শেষত শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতে সভাপতি পৰমানন্দ দেৱচৌধুৰীৰ বক্তব্য আৰু মন্তব্যৰে সভা সামৰা হয়।

# শিক্ষক গণেশ চন্দ্ৰ ডেকাৰ স্মৃতিচাৰণ-স্মাৰক গ্ৰন্থ উন্মোচন

**অসম ভূমি সেৱা, চাংসাৰি ঃ** কামৰূপ জিলাৰ চাংসাৰিৰ সমীপৱৰ্তী দালাংস্থিত সদ্য প্ৰয়াত বিশিষ্ট শিক্ষক তথা সমাজকৰ্মী গণেশ চন্দ্ৰ ডেকাৰ বাসভৱনত যোৱা দেওবাৰে এক শোকাকুল পৰিৱেশত শুভানুধ্যায়ীসকলৰ উদ্যোগত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি, স্মৃতিচাৰণ আৰু স্মাৰক গ্ৰন্থ উন্মোচনী অনুষ্ঠান সাফল্যমণ্ডিতভাৱে সম্পন্ন হয়। পুৱা ১০.১৫ বজাত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভণি কৰে দালাং মিলন উচ্চ মাধ্যমিক বিদ্যাপীঠৰ প্ৰধান শিক্ষক তৰুণী ডেকাই। ইয়াৰ পাছতে দালাং গাঁও উন্নয়ন সমিতিৰ সম্পাদক দিগন্ত নাথ আৰু কহাৰ চুবুৰি উন্নয়ন



সমিতিৰ সভাপতি বিপুল ডেকাই প্ৰয়াত সমাজপ্ৰাণ ডেকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি গভীৰ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। শ্ৰদ্ধাঞ্জলি পৰ্বত কহাৰ চুবুৰিৰ সম্পাদক, স্থানীয় ৰাইজ, প্ৰয়াত ডেকাৰ পত্নী তথা পৰিয়ালবৰ্গ, দালাং গাঁও উন্নয়ন সমিতি, নৱযুৱক কৃষ্টি সংঘ, বিষ্ণু পূজা সমিতি, দালাং হাইস্কুল কৰ্তৃপক্ষ (শিক্ষাগুৰু, পৰিচালনা সমিতি আৰু ছাত্ৰ-ছাত্ৰী), প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, আত্মীয়-স্বজন, সংবাদকৰ্মী পৱননীল কাশ্যপৰ লগতে অঞ্চলটোৰ অসংখ্য গুণমুগ্ধই উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জনায়। পুৱা ১১ বজাত দালাং গাঁও উন্নয়ন সমিতিৰ সভাপতি প্ৰহ্লাদ ঠাকুৰীয়াৰ পৌৰোহিত্যত 'স্মৃতিচাৰণ আৰু স্মাৰক গ্ৰন্থ উন্মোচনী সভা' অনুষ্ঠিত হয়। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে মূল উদ্যোগী মদন দত্তই। স্মৃতিচাৰণ পৰ্বত তৰুণী ডেকা, দিগন্ত নাথ, বিপুল ডেকা, দ্বিজেন নাথ, চক্ৰধৰ নাথ, ড° ভৃগু কুমাৰ নাথ, গোপেশ্বৰ কলিতা, ভুৱনেশ্বৰ দাস, পৱননীল কাশ্যপ আৰু গম্ভীৰ ডেকাই প্ৰয়াত গণেশ চন্দ্ৰ ডেকাৰ সমাজমুখী কৰ্মৰাজি, শিক্ষাদানৰ মহৎ আদৰ্শ আৰু নিঃস্বাৰ্থ ব্যৱহাৰ আৱেগিকভাৱে সোঁৱৰণ কৰে। পৰিয়ালৰ পক্ষৰ পৰা ভিতালী ডেকা আৰু গীতুমণি ডেকাই নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত দালাং মিলন উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক মদন দত্তৰ সম্পাদনা আৰু প্ৰচেষ্টাত প্ৰকাশিত প্ৰয়াত ডেকাৰ স্মৃতি উছৰ্গিত স্মাৰক গ্ৰন্থ 'গুণমুগ্ধৰ গুণগুণনিত গণেশ' উন্মোচন কৰে পানীটেমা সাতগাঁও হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰদীপ কলিতাই। উন্মোচনী ভাষণত কলিতাই অতি সীমিত সময়ৰ ভিতৰতে এনে এখন অৰ্থপূৰ্ণ আৰু মূল্যবান স্মাৰকগ্ৰন্থ প্ৰকাশ কৰি প্ৰয়াত গুণীজনৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে সম্পাদক মদন দত্ত তথা সমগ্ৰ গুণমুগ্ধ সমাজক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। সম্পাদক মণ্ডলীৰ হৈ মদন দত্তই গ্ৰন্থখন সুকলমে প্ৰকাশ কৰি উলিওৱাত আগবঢ়োৱা নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে সকলোৰে ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰে। শেষত মূল উদ্যোগী মদন দত্তই উপস্থিত সকলোকে ধন্যবাদ জনায়।

■ অসম ভূমি জাতীয় স্বাৰ্থত দায়বদ্ধ ■ ৯ ছেপ্টেম্বৰ, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# চৰিত্ৰ গঠন আৰু মূল্যবোধৰ শিক্ষা

চৰিত্ৰ মানৱ জীৱনৰ অন্য এক মূল্যৱান গুণ। পুথিগত শিক্ষাই জ্ঞান বঢ়াব পাৰে কিন্তু চৰিত্ৰ গঠন কৰিব নোৱাৰে। সৎ কৰ্মভ্যাস আৰু হৃদয় স্পৰ্শ কৰিব পৰা শিক্ষাইহে সৎ চৰিত্ৰ গঠনত সহায়ক হ'ব পাৰে। উচ্চ শিক্ষাই ব্যক্তিৰ চৰিত্ৰ প্ৰকাশ নকৰে, কিন্তু যিটো চৰিত্ৰই ব্যক্তিক মানুহ কৰে, যিটো চৰিত্ৰই পিতৃ-মাতৃ, পৰিয়াল তথা সমাজৰ প্ৰতি দায়িত্ব পালন কৰে তেনে সু-চৰিত্ৰৰ গৰাকীজনকহে প্ৰকৃত শিক্ষিত ব্যক্তি বুলি ক'ব পাৰি। সেইবাবে সু-পৰিৱেশ আৰু সু-আদৰ্শেৰে শিশুসকলক সজ চৰিত্ৰৰ শিক্ষা দিয়াটো শিক্ষাগুৰুসকলৰ অন্যতম কৰ্তব্য।

এটি শিশুক শাৰীৰিক শিক্ষা, মূল্যবোধৰ শিক্ষা অথবা চৰিত্ৰ গঠনৰ শিক্ষাৰ লগতে সমপৰিমাণে আধ্যাত্মিক শিক্ষাও প্ৰদান কৰা উচিত। আধ্যাত্মিক শিক্ষা অবিহনে এটি শিশু পূৰ্ণাংগ শিক্ষাপ্ৰাপ্ত বুলি ক'ব নোৱাৰি। এখন আদৰ্শ সমাজ গঠনৰ বাবে প্ৰয়োজন হয় আধ্যাত্মিকভাৱে উন্নত ব্যক্তিৰ। সেয়ে পিতৃ-মাতৃৰ লগতে শিক্ষাগুৰুসকলেও এক উন্নত আৰু সুস্থ পৰিৱেশৰ মাজেৰে শিশুসকলক সৰুৰে পৰাই আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ কৰি তুলিবলৈ যত্ন কৰিব লাগে।

আমি সাধাৰণভাৱে লাভ কৰা জীৱনটোক অসাধাৰণ ৰূপত গঢ় দি তুলিব পৰা ব্যক্তিজনেই হৈছে শিক্ষাগুৰু। শিক্ষাগুৰুৰ সান্নিধ্যই মহীয়ান কৰি তোলে মানৱ জীৱন। পিতৃ-মাতৃয়ে সন্তান কেৱল জন্মহে দিয়ে, সেই সন্তানক জ্ঞানৰ প্ৰদীপেৰে আলোকিত কৰি সঠিক পথৰ সন্ধান দিব পাৰে একমাত্ৰ শিক্ষকেহে। এগৰাকী সু-শিক্ষকৰ মৰম, স্নেহ, কষ্ট, ত্যাগ, অনুপ্ৰেৰণা আৰু গভীৰ দায়িত্ববোধৰ সচেতনতাই শিশুৰ ভৱিষ্যৎ জীৱন সুন্দৰ কৰাত বিশেষ ভূমিকা পালন কৰে। যদিওবা বৰ্তমান সময়ত চৰকাৰ, অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগুৰুসকলৰ প্ৰতি শ্ৰদ্ধা, ভক্তি কমি গৈছে, তথাপি এইটো মনত ৰখা উচিত যে পৰিৱৰ্তনশীল সমাজৰ প্ৰতি লক্ষ্য ৰাখি সময় উপযোগী জ্ঞানৰ প্ৰদৰ্শক শিক্ষকৰ বাহিৰে আন কোনো হ'ব নোৱাৰে। মানুহ মাত্ৰেই ভুল হয়। শিক্ষাগুৰুসকলৰো ভুল নথকা নহয়, কিন্তু সেই ভুল ৰাজহুৱা কৰি শিক্ষাগুৰুসকলক অপমানসূচক বাক্যৰে থকা-সৰকা কৰাতকৈ বিদ্যালয় চৌহদৰ ভিতৰতে তাক মীমাংসা কৰিবলৈ প্ৰয়াস কৰা উচিত। আমাৰ শিক্ষাগুৰুসকল আওপুৰণি নহয়, বৰঞ্চ আধুনিক বিচাৰধাৰাৰে পুষ্ট বিবিধ শিক্ষণ প্ৰযুক্তি আৰু কৌশলেৰে সমৃদ্ধহে। গতিকে শিক্ষাগুৰুসকলক মানসিক চাপৰ পৰা মুক্ত ৰাখি শিক্ষানুষ্ঠানত শিক্ষাৰ এক অনুকূল পৰিৱেশ সৃষ্টিৰ বাবে তেওঁলোকৰ আত্মবিশ্বাস বঢ়োৱাৰ চেষ্টা কৰিব লাগে। সম্ভাব্য যিকোনো উপায়ে তেওঁলোকৰ মনোবল সুদৃঢ় কৰি ৰাখিবলৈ যত্ন কৰিব লাগে। কাৰণ ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ শিক্ষাগুৰুসকলৰ প্ৰতি থকা সেৱাৰ মনোভাব আৰু ইতিবাচক সঁহাৰিয়েহে শিক্ষাৰ ভেটিটো অধিক শক্তিশালী আৰু চিৰস্থায়ী কৰিব।

মূল্যবোধৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰতো শিক্ষাগুৰুসকলৰ থাকে অপৰিসীম দায়িত্ব। পিতৃ-মাতৃৰ লগতে শিক্ষাগুৰুসকলেও সৰুৰে পৰাই শিশুক মূল্যবোধৰ শিক্ষাৰ লগত পৰিচয় কৰাই দিব লাগে। কাৰণ কোনো বস্তু, ঘটনা বা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত, উপযুক্ত-অনুপযুক্ত, বন্ধুত্ব, উদাৰতা, সততা আদিক শিক্ষাৰ যোগেদি লাভ কৰিব পৰা শিক্ষাই হৈছে মূল্যবোধৰ শিক্ষা। মূল্যবোধৰ শিক্ষাই মানুহক অৰ্থনৈতিক, সামাজিক, আধ্যাত্মিক, নৈতিক আদি জীৱন প্ৰক্ৰিয়াৰ গুৰুত্ব উপলব্ধি কৰাত সহায় কৰে। এই শিক্ষাই উঠি অহা ছাত্ৰ-ছাত্ৰীসকলক বিকশিত কৰি ভাল মানুহ হিচাপে গঢ়ি তুলিব পাৰে।

# জীৱনৰ সৌন্দৰ্য আৰু সাধনা

ময়ূৰী বৰগোহাঞি

মানুহ হৈ জন্ম লোৱাটো কেৱল এটা জৈৱিক ঘটনা নহয়, ই এক মহাজাগতিক ৰহস্যৰ অংশ। এই বিশাল ব্ৰহ্মাণ্ডত কোটি কোটি নক্ষত্ৰৰ মাজত আমাৰ এই ক্ষুদ্ৰ পৃথিৱী আৰু সেই পৃথিৱীত আমাৰ এই সংক্ষিপ্ত জীৱন। কিন্তু তথাপি মানুহ নামৰ এই সত্তাটোৱে সমগ্ৰ সৃষ্টিৰ মাজত এক অনন্য স্থান অধিকাৰ কৰি আছে। কাৰণ মানুহেই একমাত্ৰ প্ৰাণী যি নিজৰ অস্তিত্বৰ বিষয়ে প্ৰশ্ন কৰিব পাৰে, নিজৰ উদ্দেশ্য বিচাৰিব পাৰে আৰু নিজৰ জীৱনক এক শিল্পকৰ্মলৈ ৰূপান্তৰিত কৰিব পাৰে।

*দাৰ্শনিক আৰ্থাৰ শ্বপেনহাৱেৰে কৈছিল যে জীৱন এক অন্তহীন আকাংক্ষাৰ নাম। প্ৰতিটো পূৰণ হোৱা ইচ্ছাৰ ঠাইত জন্ম লয় নতুন এক ইচ্ছাৰ। কিন্তু এই আকাংক্ষাকে যদি আমি কেৱল ভোগৰ দিশত নিয়োগ নকৰি সৃষ্টি আৰু উত্থানৰ দিশত পৰিচালিত কৰো, তেতিয়াহে জীৱনৰ সেই অমোঘ সৌন্দৰ্য উদ্ভাসিত হৈ উঠে। জীৱন কেৱল উশাহ-নিশাহৰ সমষ্টি নহয়; ই এক বিৰল সুযোগ, এক অনন্ত সম্ভাৱনাৰ উৎস, এক অলিখিত মহাকাব্য যাক আমি নিজেই ৰচনা কৰিব লাগিব। প্ৰতিগৰাকী মানুহ এক অনন্য সত্তা। পৃথিৱীৰ সমস্ত ইতিহাসত তোমাৰ দৰে আৰু এজন মানুহ কেতিয়াবা জন্মিছিল বা ভৱিষ্যতে জন্মিব— এয়া এক অকাট্য সত্য। এই অনন্যতাৰ মাজতেই লুকাই আছে এক অসাধাৰণ সম্ভাৱনা। কিন্তু সেই সম্ভাৱনাক চিনি পোৱাটোৱেই হৈছে সবাতোকৈ কঠিন সাধনা।*

দাৰ্শনিক আৰ্থাৰ শ্বপেনহাৱেৰে কৈছিল যে জীৱন এক অন্তহীন আকাংক্ষাৰ নাম। প্ৰতিটো পূৰণ হোৱা ইচ্ছাৰ ঠাইত জন্ম লয় নতুন এক ইচ্ছাৰ। কিন্তু এই আকাংক্ষাকে যদি আমি কেৱল ভোগৰ দিশত নিয়োগ নকৰি সৃষ্টি আৰু উত্থানৰ দিশত পৰিচালিত কৰো, তেতিয়াহে জীৱনৰ সেই অমোঘ সৌন্দৰ্য উদ্ভাসিত হৈ উঠে। জীৱন কেৱল উশাহ-নিশাহৰ সমষ্টি নহয়; ই এক বিৰল সুযোগ, এক অনন্ত সম্ভাৱনাৰ উৎস, এক অলিখিত মহাকাব্য যাক আমি নিজেই ৰচনা কৰিব লাগিব।

প্ৰতিগৰাকী মানুহ এক অনন্য সত্তা। পৃথিৱীৰ সমস্ত ইতিহাসত তোমাৰ দৰে আৰু এজন মানুহ কেতিয়াবা জন্মিছিল বা ভৱিষ্যতে জন্মিব— এয়া এক অকাট্য সত্য। এই অনন্যতাৰ মাজতেই লুকাই আছে এক অসাধাৰণ সম্ভাৱনা। কিন্তু সেই সম্ভাৱনাক চিনি পোৱাটোৱেই হৈছে সবাতোকৈ কঠিন সাধনা।

বেদান্ত দৰ্শনত কোৱা হৈছে যে 'অহং ব্ৰহ্মাস্মি' অৰ্থাৎ আমি নিজেই সেই পৰম চেতনাৰ অংশ। স্বামী বিবেকানন্দই এই কথাকে তেওঁৰ জ্বলন্ত ভাষাত ঘোষণা কৰিছিল— 'উঠা, জাগৰিত হোৱা, লক্ষ্য নোপোৱালৈ নিৰস্ত নহ'বা।' স্বামী বিবেকানন্দই এই কথাফাকি হিন্দু ধৰ্মগ্ৰন্থ 'কঠোপনিষদ'ৰ এটা শ্লোকৰ পৰা গ্ৰহণ কৰিছিল। মূল সংস্কৃত শ্লোকটো আছিল— 'উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত'। কিন্তু এই জাগৰণ কেনেকৈ আহে? এই জাগৰণ আহে আত্ম-পৰীক্ষা তথা গভীৰ আত্মচিন্তনৰ মাজেৰে।

মহাত্মা বুদ্ধই গৃহত্যাগ কৰিছিল সত্যৰ সন্ধানত। তেওঁৰ সেই অন্বেষণ বাহ্যিক নহয়, সম্পূৰ্ণ অন্তৰমুখী। বোধিবৃক্ষৰ তলত যি জ্ঞান উদিত হৈছিল, সেয়া আছিল এই উপলব্ধি যে দুখৰ মূল হৈছে তৃষ্ণা আৰু মুক্তিৰ পথ হৈছে মধ্যমাৰ্গ। কৰ্মৰ মাজত বিচৰণ কৰিও অনাসক্ত থকাৰ অদ্ভুত কলা।

সেইদৰে মানুহে প্ৰতিদিনে নিজকে প্ৰশ্ন কৰা উচিত মোৰ ভিতৰৰ সেই সম্ভাৱনাটো কি? মোক কিহে প্ৰকৃততে আনন্দ দিয়ে? মোৰ অস্তিত্বৰ গভীৰতম উদ্দেশ্য কি? এই প্ৰশ্নবোৰৰ সৈতে যি মানুহে দিনে নিশাই যুঁজে, সেই মানুহেই এদিন নিজৰ প্ৰকৃতস্বৰূপ আৱিষ্কাৰ কৰিব পাৰে।

ভগৱদ্গীতা (দ্বিতীয় অধ্যায়, শ্লোক ৪৭)ত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল যে 'কৰ্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন'— অৰ্থাৎ তোমাৰ অধিকাৰ কেৱল কৰ্মত, ফলত নহয়। এই এটা শ্লোকত লুকাই আছে জীৱনৰ সবাতোকৈ গভীৰ দৰ্শন। ফলৰ আশাত কৰা কৰ্ম হৈছে ব্যৱসায়; কিন্তু ফলৰ চিন্তা নকৰাকৈ কেৱল কৰ্মৰ প্ৰতি নিষ্ঠাৰে সমৰ্পিত হোৱাটোৱেই হৈছে প্ৰকৃত যোগ তথা প্ৰকৃত সাধনা।

পৃথিৱীৰ মহান ব্যক্তিসকলৰ জীৱন অধ্যয়ন কৰিলে এই সত্য সুস্পষ্ট হৈ পৰে। ৰবাৰ্ট লুই ষ্টিভেনছন, যাৰ দেহত যক্ষ্মাৰ ক্ষত ঘা হৈ আছিল, যি মৃত্যুক প্ৰতিদিনে সন্মুখত দেখিছিল তথাপি তেওঁ লিখি গৈছিল, সৃষ্টি কৰি গৈছিল, কাৰণ কৰ্মই আছিল তেওঁৰ শ্বাস-প্ৰশ্বাস। ড° চামুৱেল জনছনে দাৰিদ্ৰ্য আৰু শাৰীৰিক কষ্টৰ মাজতো যি সাহিত্যিক সম্ভাৰ ৰচনা কৰি গ'ল, সেয়া কেৱল আত্মবলৰ অদম্য প্ৰকাশ। লুডভিগ ভান বেটোভেনৰ কথা চিন্তা কৰক। যাৰ কাণ সম্পূৰ্ণ বধিৰ হৈ গৈছিল; কিন্তু যাৰ হৃদয়ৰ কাণেৰে তেওঁ শুনিছিল সংগীতৰ সেই দিব্য সুৰ যি নৰম চিম্ফনিত ব্যক্ত হৈছিল। এই মানুহবোৰৰ বাবে কামেই আছিল উপাসনা, সৃষ্টিশীলতাই আছিল ঈশ্বৰৰ সৈতে তেওঁলোকৰ সংলাপ।

প্ৰকৃত কৰ্মস্পৃহা কেৱল পেছাদাৰী সাফল্যৰ মাজতেই সীমাবদ্ধ নহয়। এজন খেতিয়কে ৰ'দ-বৰষুণ উপেক্ষা কৰি পথাৰত যি অদম্য পৰিশ্ৰম কৰে, এগৰাকী মাতৃয়ে নিজৰ সন্তানৰ বাবে নিশাজুৰি জাগি যি নিঃস্বাৰ্থ সেৱা আগবঢ়ায়, এজন শিল্পীয়ে বছৰৰ পিছত বছৰ ধৰি নিজৰ কলাকৃতিক নিখুঁত কৰিবলৈ যি অক্লান্ত পৰিশ্ৰম কৰে— এই প্ৰতিটোৱেই হৈছে মহৎ সাধনা। জীৱনৰ প্ৰতিটো কাম যদি সম্পূৰ্ণ নিষ্ঠা আৰু একাগ্ৰতাৰে কৰা হয়, তেতিয়া সেই কামেই হৈ পৰে এক দিব্য অনুভৱ।

জাপানী সংস্কৃতিত 'ইকিগাই' নামৰ এটা ধাৰণা আছে জীৱনৰ উদ্দেশ্য বা জীয়াই থকাৰ কাৰণ। এই ধাৰণা অনুযায়ী প্ৰতিগৰাকী ব্যক্তিৰ জীৱনত এনে এটা বিন্দু থাকে য'ত মিলিত হয় তেওঁৰ প্ৰেম, তেওঁৰ দক্ষতা, পৃথিৱীৰ প্ৰয়োজনীয়তা আৰু তেওঁ যাৰ বিনিময়ত জীৱিকা অৰ্জন কৰিব পাৰে। এই বিন্দুটো আৱিষ্কাৰ কৰিব পাৰিলেই মানুহৰ জীৱনত আহে এক অলৌকিক শান্তি আৰু তৃপ্তি।

পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল 'আৰাম হাৰাম হ্যায়' —এই তিনিটা শব্দৰ মাজত লুকাই আছে এক বিপ্লৱী জীৱনদৰ্শন। কিন্তু আলস্যৰ বিৰুদ্ধে এই সংগ্ৰামটো কেৱল শৰীৰৰ পৰিশ্ৰমৰ কথা নহয়, এয়া এক মানসিক যুদ্ধ, এক আত্মিক সংগ্ৰাম।

মনোবিজ্ঞানত Comfort Zone বা আৰামদায়ক পৰিৱেশৰ ধাৰণাটো আজি সুপ্ৰতিষ্ঠিত। মানুহৰ মগজুৱে সদায় নিৰাপত্তা বিচাৰে, পৰিচিত পথ বিচাৰে। কিন্তু বিকাশ সদায় অপৰিচিত পথতেই লুকাই থাকে। পাৰমাণৱিক পদাৰ্থবিদ নিলছ্ হেনৰিক ডেভিদ ব'ৰে কৈছিল— 'বিশেষজ্ঞ হ'ল সেই মানুহ যি এটা অত্যন্ত সংকীৰ্ণ ক্ষেত্ৰত সমস্ত সম্ভাব্য ভুল কৰি শেষ কৰিছে।' অৰ্থাৎ সাফল্যৰ পথত বিচলিত হ'লেও বিচলিত নহব, পতনলৈ ভয় নকৰিব।

মানৱ ইতিহাসৰ সৰ্বশ্ৰেষ্ঠ আৱিষ্কাৰ আৰু সৃষ্টিকৰ্মবোৰ আহিছে সেই মুহূৰ্তত যেতিয়া মানুহে নিজৰ সীমাৰেখা অতিক্ৰম কৰিবলৈ সাহস কৰিছে। টমাছ আলভা এডিছনে এটা বাল্ব সফলভাৱে তৈয়াৰ কৰাৰ আগতে ১০ হাজাৰবাৰতকৈও অধিকবাৰ বিফল হৈছিল। কিন্তু তেওঁ প্ৰতিটো বিফলতাক বিফলতা বুলি নাভাবি কৈছিল— 'মই বিফল হোৱা

■ ১০ পৃষ্ঠাত




# ড্ৰাগ্‌ছৰ বিৰুদ্ধে আমাৰ সামাজিক দায়িত্ব আৰু কৰণীয়

**শেহতীয়াকৈ অসম আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে যি এক আপোচবিহীন আৰু কঠোৰ অভিযান আৰম্ভ কৰিছে, তাৰ ফলস্বৰূপে প্ৰতিদিনে ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বৃহৎ পৰিমাণৰ হেৰ'ইন, গাঞ্জা, কফছিৰাপ, নিচাযুক্ত টেবলেট আৰু অন্যান্য কৃত্ৰিম নিচাযুক্ত সামগ্ৰী জব্দ হোৱাৰ খবৰ সংবাদ মাধ্যমত নিয়মীয়াকৈ প্ৰকাশ পাইছে। চৰকাৰৰ এই পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয়, কিয়নো ই ড্ৰাগ্‌ছৰ সৰবৰাহ আৰু উপলব্ধতাৰ ক্ষেত্ৰত এক প্ৰচণ্ড মাধমাৰ শোধাবলৈ সক্ষম হৈছে আৰু যোগান শৃংখলত যথেষ্ট ব্যাঘাত জন্মাইছে। কিন্তু কেৱল আইনৰ কঠোৰতা আৰু আৰক্ষীৰ সক্ৰিয়তাৰেই এই জটিল ব্যাধিটোক সমাজৰ পৰা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পৰা যাবনে? এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ হ'লে আমি সমস্যাটোৰ শিপালৈ যাব লাগিব আৰু এগৰাকী বিশ্লেষকৰ দৃষ্টিকোণৰ পৰা গভীৰভাৱে চালি-জাৰি চাব লাগিব যে কিয় আজিৰ যুৱচাম ইমান সহজে আৰু ভয়াৱহভাৱে ড্ৰাগ্‌ছৰ প্ৰতি আসক্ত হৈ পৰিছে।**

চন্দন কুমাৰ নাথ

বৰ্তমান সময়ত সমগ্ৰ বিশ্বৰ লগতে আমাৰ ৰাজ্য অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আটাইতকৈ ভয়াৱহ আৰু চিন্তনীয় বিষয়টো হৈছে নৱপ্ৰজন্মৰ মাজত দ্ৰুতগতিৰে বৃদ্ধি পোৱা ড্ৰাগ্‌ছ বা নিচাযুক্ত দ্ৰব্যৰ ভয়ংকৰ প্ৰচলন। শেহতীয়াকৈ অসম আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে যি এক আপোচবিহীন আৰু কঠোৰ অভিযান আৰম্ভ কৰিছে, তাৰ ফলস্বৰূপে প্ৰতিদিনে ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বৃহৎ পৰিমাণৰ হেৰ'ইন, গাঞ্জা, কফছিৰাপ, নিচাযুক্ত টেবলেট আৰু অন্যান্য কৃত্ৰিম নিচাযুক্ত সামগ্ৰী জব্দ হোৱাৰ খবৰ সংবাদ মাধ্যমত নিয়মীয়াকৈ প্ৰকাশ পাইছে। চৰকাৰৰ এই পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয়, কিয়নো ই ড্ৰাগ্‌ছৰ সৰবৰাহ আৰু উপলব্ধতাৰ ক্ষেত্ৰত এক প্ৰচণ্ড মাধমাৰ শোধাবলৈ সক্ষম হৈছে আৰু যোগান শৃংখলত যথেষ্ট ব্যাঘাত জন্মাইছে। কিন্তু কেৱল আইনৰ কঠোৰতা আৰু আৰক্ষীৰ সক্ৰিয়তাৰেই এই জটিল ব্যাধিটোক সমাজৰ পৰা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পৰা যাবনে? এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ হ'লে আমি সমস্যাটোৰ শিপালৈ যাব লাগিব আৰু এগৰাকী বিশ্লেষকৰ দৃষ্টিকোণৰ পৰা গভীৰভাৱে চালি-জাৰি চাব লাগিব যে কিয় আজিৰ যুৱচাম ইমান সহজে আৰু ভয়াৱহভাৱে ড্ৰাগ্‌ছৰ প্ৰতি আসক্ত হৈ পৰিছে।

যুৱ সমাজ ড্ৰাগ্‌ছৰ কবলত পৰাৰ মূলতে কোনো এটা নিৰ্দিষ্ট কাৰণ নাই, বৰঞ্চ ই এক জটিল মনস্তাত্ত্বিক, স্নায়ুৱিক (Neurobiological), সামাজিক আৰু অৰ্থনৈতিক কাৰণৰ এক ভয়াৱহ সংমিশ্ৰণ। প্ৰথম আৰু প্ৰধান কাৰণটোৱেই হৈছে বৰ্তমানৰ প্ৰতিযোগিতামূলক আৰু যান্ত্ৰিক জীৱনশৈলীৰ ফলত সৃষ্টি হোৱা তীব্ৰ মানসিক চাপ, উদ্বেগ আৰু একাকীত্ব। আজিৰ প্ৰজন্মই শিক্ষা, কৰ্মসংস্থাপন আৰু সমাজত নিজকে প্ৰতিষ্ঠা কৰাৰ যি এক নিৰন্তৰ আৰু কঠোৰ দৌৰত অৱতীৰ্ণ হৈছে, তাৰ ফলত তেওঁলোকৰ মানসিক স্বাস্থ্যৰ ওপৰত নিৰন্তৰ বিৰূপ প্ৰভাৱ পৰিছে। পৰীক্ষাত সৰ্বোচ্চ ফলাফল দেখুওৱাৰ হেঁচা, কেৰিয়াৰৰ অনিশ্চয়তা আৰু তীব্ৰ নিবনুৱা সমস্যাই বহু যুৱক-যুৱতীক তীব্ৰ হতাশাৰ গৰাহলৈ ঠেলি দিছে। এনে পৰিস্থিতিত যেতিয়া তেওঁলোকে নিজৰ মনৰ কথা খুলি ক'বলৈ বা মানসিক শান্তি বিচাৰি কাৰো সহায় নাপায়, তেতিয়া তেওঁলোকে সাময়িক সকাহৰ আশাত ড্ৰাগ্‌ছৰ দৰে মাৰাত্মক ৰাসায়নিক পদাৰ্থৰ আশ্ৰয় লয়। প্ৰাৰম্ভিক অৱস্থাত কেৱল কৌতূহল বা মানসিক অৱসাদ দূৰ কৰাৰ অচিলাৰে আৰম্ভ কৰা এই ব্যৱহাৰ লাহে লাহে মগজুৰ ড'পামিন স্তৰৰ অস্বাভাৱিক বৃদ্ধিৰ জৰিয়তে এক ভয়ংকৰ নিচাত পৰিণত হয়, যাৰ পৰা বিনা চিকিৎসাই ওলাই অহাটো তেওঁলোকৰ বাবে অসম্ভৱ হৈ পৰে। ইয়াৰ উপৰি সমবয়সীয়াৰ প্ৰভাৱ যুৱ সমাজৰ ড্ৰাগ্‌ছ আসক্তিৰ অন্যতম প্ৰধান কাৰণ হিচাপে চিহ্নিত হৈছে। কৈশোৰ আৰু যৌৱনৰ প্ৰাৰম্ভিক কালছোৱাত বন্ধু-বান্ধৱৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ প্ৰৱণতা আটাইতকৈ বেছি থাকে। আধুনিক সমাজত 'স্মাৰ্ট' বা 'বিদ্ৰোহী' হোৱাৰ এক ভ্ৰান্ত ধাৰণাই বহু যুৱক-যুৱতীক নিচাযুক্ত দ্ৰব্য গ্ৰহণ কৰিবলৈ বাধ্য কৰে। ছ'চিয়েল মিডিয়া, আধুনিক পপ-সংস্কৃতি আৰু ৱেবছিৰিজসমূহেও বহু ক্ষেত্ৰত ড্ৰাগ্‌ছ বা নিচাজাতীয় দ্ৰব্যৰ ব্যৱহাৰক এক বিশেষ গ্লেমাৰ আৰু আধুনিকতাৰ প্ৰতীক হিচাপে উপস্থাপন কৰিছে, যিয়ে নৱপ্ৰজন্মক বিপথে পৰিচালিত কৰিছে। লগতে আধুনিক প্ৰযুক্তিৰ অপব্যৱহাৰ, যেনে— ডাৰ্ক ৱেব, এনক্ৰিপ্টেড মেছেজিং এপ আদিৰ জৰিয়তে মানুহৰ চকুত ধূলি দি সহজে ড্ৰাগ্‌ছ ক্ৰয় কৰিব পৰা ব্যৱস্থাই এই সমগ্ৰ প্ৰক্ৰিয়াটোক আৰু অধিক সুচল কৰি তুলিছে। বৰ্তমান বজাৰত উপলব্ধ ড্ৰাগ্‌ছবোৰ পূৰ্বতকৈ বহুত বেছি ভয়ংকৰ, কিয়নো কৃত্ৰিম ৰাসায়নিক পদাৰ্থৰে তৈয়াৰী এই ছিন্থেটিক ড্ৰাগ্‌ছবোৰে মানুহৰ স্নায়ুতন্ত্ৰক অতি কম সময়ৰ ভিতৰতে চিৰদিনৰ বাবে বিকল কৰি পেলায়। ৰাষ্ট্ৰসংঘৰ মাদক দ্ৰব্য নিয়ন্ত্ৰণ কাৰ্যালয়ৰ শেহতীয়া প্ৰতিবেদনসমূহৰ পৰাও এই কথা স্পষ্ট হৈছে যে ড্ৰাগ্‌ছ মাফিয়াবোৰে এতিয়া ডিজিটেল মাধ্যমক ব্যৱহাৰ কৰি যুৱ বজাৰখনক মূল লক্ষ্য হিচাপে লৈছে। পৰিয়ালৰ আভ্যন্তৰীণ পৰিৱেশ আৰু গঠনো যুৱপ্ৰজন্মৰ আসক্তিৰ ক্ষেত্ৰত এক নিৰ্ণায়ক কাৰক হিচাপে বিবেচিত হৈছে। বৰ্তমানৰ একক পৰিয়াল ব্যৱস্থা আৰু পিতৃ-মাতৃ দুয়োগৰাকী কৰ্মব্যস্ত হোৱাৰ বাবে সন্তানক পৰ্যাপ্ত সময় আৰু মনোযোগ দিব নোৱাৰাটো আধুনিক সমাজৰ এক সাধাৰণ ঘটনাত পৰিণত হৈছে। পাৰিবাৰিক অশান্তি, পিতৃ-মাতৃৰ বিচ্ছেদ বা ঘৰুৱা কন্দলৰ মাজত ডাঙৰ-দীঘল হোৱা শিশু বা কিশোৰসকলে প্ৰায়ে মৰম আৰু মানসিক নিৰাপত্তাৰ তীব্ৰ অভাৱ অনুভৱ কৰে। এই শূন্যতা পূৰণ কৰিবলৈ আৰু নিজৰ দুখ পাহৰিবলৈ তেওঁলোকে নিচাজাতীয় দ্ৰব্যৰ পৃথিৱীখনত ভৰি দিয়ে।




এই ভয়ংকৰ আৰু সৰ্বগ্ৰাসী পৰিস্থিতিৰ পৰা নৱপ্ৰজন্মক উদ্ধাৰ কৰিবলৈ কেৱল চৰকাৰী ব্যৱস্থা বা আৰক্ষীৰ কঠোৰতাৰ ওপৰত নিৰ্ভৰ কৰিলে কেতিয়াও সুফল পোৱা নাযাব, বৰঞ্চ সমগ্ৰ সমাজখনে এক সন্মিলিত, বিজ্ঞানসন্মত আৰু সহানুভূতিশীল ভূমিকা পালন কৰিব লাগিব। ড্ৰাগ্‌ছ নিৰ্মূলকৰণৰ বাবে এক সামাজিক আন্দোলন গঢ়ি তোলাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা। প্ৰথমতেই পৰিয়ালসমূহে নিজৰ পৰম দায়িত্ব পালন কৰিব লাগিব। পিতৃ-মাতৃসকলে নিজৰ সন্তানৰ সৈতে এক মুকলি আৰু ভয়মুক্ত সম্পৰ্ক বজাই ৰখাটো অতিশয় গুৰুত্বপূৰ্ণ। সন্তানৰ ■ ১০ পৃষ্ঠাত

# একুৰা জুই

**শৈলেন কুমাৰ**

একুৰা জুই নিৰন্তৰ জ্বলিছে
মোৰ বুকুত, স্বাৰ্থলোভী অমানুহবোৰৰ
কপটতা, বিষাদৰ জুই এয়া।
বুকুত ফাটিছে নিৰন্তৰ বোমা,
এয়া যেন জুয়ে পোৱা ৰণাংগনৰ শোভা।
চাহৰ চেনি মিঠা কিন্তু কথাত মিহলি
চেনিৰ ৰংবোৰ বৰ তিতা
চাহৰ চেনি পাই নাপাহৰিবা কাৰণ
কথাত আছে মিলিত ৰংবিৰঙৰ তিতা।
পদে পদে আছে লোভ-লালসা,
আজিৰ সমাজত সেয়া আনন্দৰ মালিতা।
পুৰুষবোৰে আজি ৰচিছে কাপুৰুষ হোৱাৰ ভংগিমা।
শত্ৰুৰ দমনত আজি তুমি মই, হেৰুৱাই
নিজস্বতা বিচাৰি পাম জানো অস্তিত্বতা।





# চিঠি

**শ্বেইখ মণিৰুজ জামান**

কোনে কয় নাভাবো তোমাক
পৰশমণি কোমল হৃদয়ত?
তুমি যে মোৰ সপোনৰ সুৰ
যাৰ স্পৰ্শত উজ্জ্বল, বিশ্ব আন্ধাৰত।

ধলপুৱা সূৰ্যৰ প্ৰথম কিৰণ
গৰাকী মোৰ শুভ লগনৰ
তুমি সন্ধ্যাৰ হেঙুলী,
জেউতি ম্লান এন্ধাৰৰ।।

গভীৰ নিশাৰ কল্প তুমি
ভাগৰুৱা দেহাটিৰ তন্দ্ৰা,
সোণালী দুপুৰৰ গান
মোৰ অস্থিৰ সুৰৰ নিদ্ৰা।
নিতৌ পাওঁ চিঠি তোমাৰ
মোৰ কল্প কাননত
যেন আহি কৈছা—
'দেখা দিয়াহি পুষ্প বনত।'
এক মতলীয়া ছায়া
মাতিছে মগ্ন সাজেৰে ,
দিছে তোমাৰেই বতৰা
আজি চিঠি আকাৰে ।
ব্যাকুল মই তোমাৰ দৰ্শনৰ
তোমাৰ গোন্ধৰ মোক্ষত
কেনেবাকৈ পায়ে যাওঁ
মোৰ প্ৰতিটো অক্ষত।।
কৰিছো অপেক্ষা উত্তৰ চিঠিৰ
মোৰ প্ৰশ্নৰ পাহি,
দিয়ানা সৌন্দৰ্য সিঁচি
পহৰোৱা ভাগ্যৰ লাহি।
আহা সকলো এন্ধাৰ নাশি।।



# তুমি মোৰ জীৱনৰ দীপংকৰ

**ময়েজ উদ্দিন আহমেদ**

বিকল মোৰ অংশচতুষ্টয়
বাবেই অংশীভূত কৰিছো তোমাক।

তোমাক পালে পাওঁ মই অকণ্টক সুখ
মইতো হ'ব নোৱাৰো অকলপেটীয়া।

তুমি যে মোৰ জীৱনৰ অখণ্ড-প্ৰদীপ
তুমি কিয় থকা অগিয়ান-টলকা হৈ?

অগ্ৰমান্য তুমি মোৰ হৃদয়ৰ,
তুমি কৰা হ'লে মোৰ আত্মানুসন্ধান
বুজিলা হয় মোৰ জীৱনৰ ব্যাকৰণ।

কেনেকৈ উজ্জীৱিত হয় মোৰ হৃদয়?
এবাৰ ভুমুকি মাৰি চোৱা মোৰ অন্তঃকৰণত।
তুমি মোৰ জীৱনৰ দীপংকৰ।

# জাৰৰে ঠেৰেঙা ৰাতি

**ত্ৰিবেণী বৰা**

শুভ্ৰতাৰ এখনি চাদৰ আঁজুৰি লৈ
নিশ্চুপ হৈ পৰিছে আজি তিমিৰাচ্ছন্ন নিশাটি...।
ঘন কুঁৱলীৰ আচ্ছাদন ফালি...
ক্ৰমে ক্ৰমে জোনালীয়েও লুকা-ভাকু খেলিছে
চোৰা ডাৱৰৰ আঁৰে আঁৰে...।

কোনোবা দূৰদূৰণিৰ পৰা ভাহি আহিছে...
কোনোবা বুভুক্ষু শিশুৰ আৰ্তনাদ...।

ভোকৰ তাড়নাত পেটৰ নাড়ীকেইডালো সংকুচিত হৈ পৰিছে...।
ঠেঁটুৰে লগা জাৰে কঁপাই গৈছেহি তেওঁলোকৰ সৰ্বশৰীৰ...।
ফালি ছিৰাছিৰ দিয়া মলিয়ন কাপোৰকেইটুকুৰাই,

কিমান আৰু ঢাকিব তেওঁলোকৰ ক্ষীৰ্ণকায় শৰীৰটো...।

আনফালে...
কোনোবা ৰাজঅট্টালিকাত মখমলী চাদৰ উৰি

নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিছে
সেই একে তেজ মঙহৰে সুসজ্জিত এটি শিশু...।
প্ৰভেদ মাথোঁ দুখন বেৰৰ...।
এখন ধনী-আনখন দুখীয়াৰ...।

জাৰৰ এই ঠেৰেঙা ৰাতি, সেইসকল শিশুৰ
বাবে কঢ়িয়াই আনে এটি এটি অমানিশা...।

প্ৰতিটো নিশা বৰ যন্ত্ৰণাদায়ক হয় অ' তেওঁলোকৰ বাবে...।
নিশাৰ গভীৰতাত নিঃশব্দে সৰে তেওঁলোকৰ
তপ্ত এটোপাল চকুলো...।

সদায় মাথোঁ প্ৰতি পল জী থাকিবলৈ
চলি থাকে কুচকাৱাজ...।

আজি ৰাতিটো যেনেতেনে পাৰ হ'ল।
কালিলৈ যাতে আৰু ঠেৰেঙা নপৰক...।
সদায় অদৃষ্টজনক কাতৰ আহ্বান...।



# বিষাক্ত বতাহ

**ৰীমা গায়ন বৰা**

ফৰকাল বতৰৰ মনোৰম পৰিৱেশত
এছাটি মলয়াই বিষবাষ্প বিয়পাই দিলে,
মোৰ মন গহন বনত
কোনে বাৰু টোকৰ মাৰিছে
চৌপাশৰ মনোমোহা সৌন্দৰ্যৰ
ৰূপ লাৱণ্যৰ মাজত এতিয়া
বিষাক্ত বতাহ বলিছে।
উসঃ কিযে বেদনাদায়ক
উশাহ-নিশাহ লোৱাত
কষ্ট অনুভৱ হৈছে
ভৱসাগৰৰ পাৰত যেন
জীৱন নৌকা থমকি ৰৈছে
নিকা হৃদয়ত কেনেকৈ বাৰু
বিষাক্ত বতাহ বলিছে!
বন্দী হ'ল মন পক্ষী
ব্যাকুল হৈ ধৰা দিয়ে নিঃসংগ সময়ত
নিৰুত্তৰ হৈ বিষবাষ্প পান কৰি
জীৱন সংগ্ৰামত আৰম্ভ সংঘাত
পল প্ৰতিপল মমৰ দৰে জ্বলি
গলি গলি হৃদয়ত সৃষ্টি হয়
তীব্ৰ বজ্ৰ আঘাত
ব্যস্ততাৰ আৱেষ্টনীত বন্ধ অনিবাৰ্য হৈ পৰিল
গমেই নাপালো কলিজাটো
বিষাক্ত বতাহত টুকুৰা-টুকুৰ হ'ল
বিষবাষ্পই ছানি ধৰিলে
হেৰুৱালো জীৱনৰ ৰসাস্বাদন
বহু ছন্দ, সুৰীয়া সংগীত
এতিয়া যে সময় সমাগত।

# ভাবনাৰ সাগৰ

**টোলন তছা**

যি আৱেগৰ উষ্ম আলিংগনত
সৃষ্টিৰ জুৰিটিয়ে হৃদয়ক পখালে
শান্ত ভাবনাৰ সাগৰে তাতেই
উতনুৱা জোনাকৰ মেলা পাতে
তৰাফুলীয়া এজাক সপোনে তেতিয়া
নিঃশব্দে নিৰলে দুপাখি মেলি উৰে।

সেই আৱেগৰে নিজম নিশাত
অমূলক চিন্তাৰ অনৰ্থক পৰিণামে
বিৰহ বেদনাৰ বোকোচাত উঠি
বিচলিত কোনোবা সময়ৰ কোলাত
শুই থাকে চিতাত নীৰৱে নিথৰে
হাত ভৰি নচলা মৃতদেহৰ দৰে।

ছ'চিয়েল মিডিয়াৰ এক মানসিক ব্যাধি

# 'নামবিহীন গুৱালগালি' আৰু ইয়াৰ কুফল

শচীন্দ্ৰ কুমাৰ দাস

বৰ্তমান সময়ত ছ'চিয়েল মিডিয়াত এটা অতি আচৰিত আৰু চিন্তনীয় ট্ৰেণ্ড দেখিবলৈ পোৱা গৈছে। সমাজত বা ব্যক্তিগত জীৱনত কিবা ভাল-বেয়া দেখিলে, তাৰ প্ৰতিবাদ বা প্ৰতিক্ৰিয়া পোনপটীয়াকৈ প্ৰকাশ কৰাৰ পৰিৱৰ্তে বহু লোকে এক সুকীয়া পথ বাছি লৈছে। তেওঁলোকে কাৰো নাম উল্লেখ নকৰাকৈ বা কাৰো পৰিচয় নিদিয়াকৈ পৰোক্ষভাৱে (Indirectly) অতি নিম্নস্তৰৰ গালি-গালাজ কৰে, যাক সাধাৰণ ভাষাত 'গুৱালগালি' বুলি ক'ব পাৰি। আটাইতকৈ আচৰিত কথাটো হ'ল, এই গালিবোৰক তেওঁলোকে এনেদৰে সজাই-পৰাই লিখে যেন সেয়া কোনোবা মহান মনীষীৰ এক 'মহৎ প্ৰবচন'হে।

আৰু এই পোষ্টবোৰ ছ'চিয়েল মিডিয়াত প্ৰচাৰ হোৱাৰ লগে লগে আৰম্ভ হয় আচল খেলখন। আচল ঘটনাটো কি বা কাৰ ওপৰত খং তুলি এই পোষ্টটো কৰা হৈছে, সেই বিষয়ে একো নাজানিও এচাম মানুহে তাত অন্ধ সমৰ্থন আগবঢ়ায়। কমেণ্ট বক্সত আহি কোনোবাই লিখে— 'আপুনি ঠিকেই কৈছে', 'একদম সঁচা কথা', '১০০% একমত', 'Right' আদি। কোনোবাই আকৌ বিভিন্ন ইমোজি বা লাইক দি সেই গালি-গালাজখিনিক আৰু বেছি উচটনি দিয়ে।

যিজন ব্যক্তিক উদ্দেশ্যি গালি পৰা হৈছে, তেওঁৰ বিচাৰ কৰিবলৈ গৈ পোষ্টকৰ্তাৰ লগতে এনে কিছুমান সহযোগীৰ সৃষ্টি হয়, যিসকলে আচলতে ইজনে-সিজনক কোনোদিনে চিনিয়েই নাপায়। তথাপিতো কেৱল আনক তলফাললৈ টানি নামতি আনন্দ পোৱাৰ এক কুৎসিত হেঁপাহৰ বাবে, এজন অচিনাকি মানুহৰ লগ লাগি আন ১০ জন অচিনাকিক গালি পাৰিবলৈ তেওঁলোকে কুণ্ঠাবোধ নকৰে।

**ই কেনে ধৰণৰ মানসিকতা?**

পুৰণি দিনত আমাৰ গাঁওবোৰত এদল মানুহে (বিশেষকৈ একাংশ মহিলাই) কাজিয়া শেষ হোৱাৰ পিছতো চোতাললৈ ওলাই কাৰো নাম নোলোৱাকৈ, ইজনে-সিজনক শুনাই শুনাই যি 'গুৱালগালি' পাৰিছিল, আজিৰ এই ডিজিটেল ট্ৰেণ্ডটো ঠিক তাৰেই এক আধুনিক ৰূপ। যুগ সলনি হ'ল, হাতলৈ ম'বাইল আহিল; কিন্তু মানুহৰ মানসিকতা সেই পুৰণি সংকীৰ্ণতাতে আবদ্ধ হৈ থাকিল। মনোবিজ্ঞানৰ ভাষাত ইয়াক 'Passive-Aggressive Behavior' বা পৰোক্ষ আক্ৰমণাত্মক আচৰণ বুলি কোৱা হয়। যিসকলৰ কাৰোবাৰ মুখামুখি হৈ সত্যটো কোৱাৰ সাহস নাথাকে, তেওঁলোকেই এনে কাপুৰুষালিৰ আশ্ৰয় লয়।

**সমাজৰ লাভ নে লোকচান?**

এনেকুৱা আচৰণৰ দ্বাৰা সমাজৰ এক শতাংশও লাভ হোৱা নাই। বৰঞ্চ ইয়াৰ ফলত সমাজত কেৱল হিংসা, বিদ্বেষ আৰু নেতিবাচকতাৰ (Toxicity) সৃষ্টি হৈছে।

বহু মানুহ এক গভীৰ মানসিক বিকাৰ বা হীনমন্যতাত ভুগি এনে কাম কৰি আহিছে, যাৰ দ্বাৰা তেওঁলোকে নিজৰ মনৰ ক্ষোভ উজাৰি এক সস্তীয়া মানসিক তৃপ্তি লাভ কৰে।

ছ'চিয়েল মিডিয়া আছিল জ্ঞান, সৃষ্টিশীলতা আৰু সমাজ উন্নয়নৰ এক উন্নত প্লেটফৰ্ম। কিন্তু এই সস্তীয়া আৰু নিম্নমানৰ 'গুৱালগালি'ৰ প্ৰৱণতাই ইয়াৰ মান একেবাৰে তললৈ নমাই আনিছে।

যেতিয়ালৈকে আমি সচেতন নাগৰিক হিচাপে এনেধৰণৰ পোষ্টবোৰক লাইক বা কমেণ্টেৰে প্ৰশ্ৰয় দিয়া বন্ধ নকৰো, তেতিয়ালৈকে এই সামাজিক আৰু মানসিক ব্যাধি আমাৰ সমাজৰ পৰা দূৰ নহ'ব।■

# শিশুৰ মানসিক উৎকৰ্ষ সাধনত সাধুকথাৰ ভূমিকা

ৰশ্মি ৰেখা দুৰৰা

শিশু হৈছে আমাৰ ভৱিষ্যৎ। আজিৰ শিশুৱেই কাইলৈৰ সু-নাগৰিক, সমাজ-সংস্কাৰক আৰু দেশৰ দায়িত্বশীল ব্যক্তি। সেয়েহে শিশুৰ শাৰীৰিক বিকাশৰ লগতে মানসিক, বৌদ্ধিক আৰু নৈতিক বিকাশো সমানেই গুৰুত্বপূৰ্ণ। এই মানসিক উৎকৰ্ষ সাধনত বিভিন্ন মাধ্যমৰ ভিতৰত সাধুকথা এক উল্লেখযোগ্য উপাদান। যুগে যুগে সাধুকথাই শিশুৰ মনোৰঞ্জনৰ লগতে শিক্ষা, মূল্যবোধ আৰু জীৱন-দৰ্শন গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাধুকথা কেৱল কল্পনাৰ জগতৰ কাহিনী নহয়; ইয়াৰ মাজত লুকাই থাকে জীৱনৰ গভীৰ শিক্ষা, নৈতিক আদৰ্শ আৰু সামাজিক মূল্যবোধ।

সাধুকথা হৈছে লোকসমাজত প্ৰচলিত এনে কাহিনী, য'ত ৰজা-ৰাণী, পৰী, জীৱ-জন্তু, গছ-গছনি অথবা অলৌকিক চৰিত্ৰৰ জৰিয়তে জীৱনৰ নানান নীতি-শিক্ষা প্ৰদান কৰা হয়। সাধুকথাৰ ভাষা সহজ-সৰল আৰু আকৰ্ষণীয় হোৱাৰ বাবে শিশুৱে আগ্ৰহেৰে শুনে আৰু মনত ৰাখিবলৈ সহজ হয়। ইয়াৰ প্ৰতিটো কাহিনীয়ে শিশুক আনন্দ দিয়াৰ লগতে জীৱনৰ সঠিক পথ বাছি ল'বলৈ অনুপ্ৰাণিত কৰে।

সাধুকথাই শিশুৰ কল্পনাশক্তিক বিস্তাৰিত কৰে। পৰী, যাদু, অলৌকিক ৰাজ্য, কথা কোৱা জীৱ-জন্তু আদি চৰিত্ৰ আৰু ঘটনাই শিশুক এক নতুন জগতৰ সৈতে পৰিচয় কৰাই দিয়ে। এই কল্পনাৰ জগতেই শিশুৰ সৃজনশীল চিন্তাশক্তি গঢ়ি উঠে। কল্পনাশক্তিৰ বিকাশে শিশুক নতুন ধাৰণাৰ সৃষ্টি, সমস্যা সমাধান আৰু উদ্ভাৱনী শক্তি বৃদ্ধি কৰাত সহায় কৰে।

সাধুকথাৰ আটাইতকৈ ডাঙৰ অৱদান হৈছে নৈতিক মূল্যবোধ গঢ়ি তোলা। সত্যবাদিতা, সততা, দয়া, সহানুভূতি, সাহস, ধৈৰ্য, পৰোপকাৰ, শ্ৰমৰ মৰ্যাদা, ন্যায়পৰায়ণতা আদি গুণ সাধুকথাৰ জৰিয়তে শিশুৱে সহজে আয়ত্ত কৰে। অধিকাংশ সাধুকথাত শেষত সৎ ব্যক্তিৰ জয় আৰু অসৎ ব্যক্তিৰ পৰাজয় দেখুওৱা হয়। ইয়াৰ ফলত শিশুৰ মনত সৎ পথত চলাৰ প্ৰেৰণা জন্মে।

সাধুকথা শুনা আৰু পঢ়াৰ ফলত শিশুৰ শব্দশক্তি বৃদ্ধি পায়। নতুন শব্দ, বাক্যগঠন আৰু প্ৰকাশভংগী শিকিবলৈ সুবিধা হয়। ইয়াৰ ফলত ভাষাজ্ঞান, পঢ়াৰ অভ্যাস, শুদ্ধ উচ্চাৰণ আৰু যোগাযোগ দক্ষতাৰো বিকাশ ঘটে। যিসকল শিশুৱে নিয়মীয়াকৈ সাধুকথা শুনে, তেওঁলোকৰ কল্পনাশক্তি আৰু ভাষা প্ৰকাশৰ ক্ষমতা সাধাৰণতে অধিক উন্নত হয়।

সাধুকথাৰ বিভিন্ন ঘটনা, চৰিত্ৰ আৰু পৰিস্থিতিয়ে শিশুক চিন্তা কৰিবলৈ উদ্বুদ্ধ কৰে। কোনে সঠিক কাম কৰিলে, কোনে ভুল কৰিলে, কেনেকৈ সমস্যাৰ সমাধান হ'ল— এইবোৰ বিষয়ত চিন্তা কৰি শিশুৰ বিশ্লেষণ ক্ষমতা আৰু যুক্তিবোধ বৃদ্ধি পায়। ফলত তেওঁলোকে সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা ধীৰে ধীৰে আয়ত্ত কৰে।

সাধুকথাৰ জৰিয়তে শিশুৱে সমাজৰ বিভিন্ন নিয়ম-নীতি, পাৰস্পৰিক সহযোগিতা, বন্ধুত্ব, পৰিয়ালৰ মূল্য, বয়োজ্যেষ্ঠৰ প্ৰতি সন্মান আৰু সমাজৰ প্ৰতি দায়িত্ববোধ শিকে। ইয়াৰ ফলত শিশুৰ সামাজিক আচৰণ উন্নত হয় আৰু তেওঁ এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠিবলৈ সক্ষম হয়।

সাধুকথাৰ নায়ক-নায়িকাসকলে বহু বাধা-বিঘিনি অতিক্ৰম কৰি সফলতা লাভ কৰে। এনে কাহিনীয়ে শিশুক সাহসী, আশাবাদী আৰু আত্মবিশ্বাসী হ'বলৈ উৎসাহিত কৰে। জীৱনত সমস্যা আহিলেও ধৈৰ্য আৰু অধ্যৱসায়েৰে আগবাঢ়ি যাব লাগে বুলি শিশুৱে উপলব্ধি কৰে। ইয়াৰ ফলত মানসিক দৃঢ়তা বৃদ্ধি পায়।

প্ৰতিটো জাতিৰ সাধুকথাত সেই জাতিৰ সংস্কৃতি, পৰম্পৰা, বিশ্বাস, জীৱনধাৰা আৰু সামাজিক মূল্যবোধ প্ৰতিফলিত হয়। অসমীয়া সাধুকথাৰ জৰিয়তে শিশুৱে নিজৰ ভাষা, সংস্কৃতি, লোকবিশ্বাস আৰু ঐতিহ্যৰ সৈতে পৰিচিত হয়। ইয়াৰ ফলত নিজৰ সংস্কৃতিৰ প্ৰতি গৌৰৱবোধ জন্মে আৰু সাংস্কৃতিক চেতনা শক্তিশালী হয়।

বৰ্তমান বিজ্ঞান-প্ৰযুক্তিৰ যুগত শিশুসকলে ম'বাইল ফোন, টেলিভিছন আৰু ইণ্টাৰনেটত অধিক সময় কটায়। ফলত সাধুকথা শুনা বা পঢ়াৰ অভ্যাস ক্ৰমাৎ হ্ৰাস পাইছে। কিন্তু ডিজিটেল যুগতো সাধুকথাৰ প্ৰয়োজনীয়তা একেবাৰেই কমি যোৱা নাই। বৰং অভিভাৱক আৰু শিক্ষকে নিয়মীয়াকৈ শিশুক সাধুকথা ক'ব লাগে অথবা পঢ়িবলৈ উৎসাহিত কৰিব লাগে। আজিকালি চিত্ৰসহ গল্পৰ কিতাপ, অডিঅ' গল্প আৰু এনিমেচনৰ জৰিয়তেও সাধুকথা শিশুৰ ওচৰলৈ সহজে লৈ যাব পাৰি।

শিশুৰ মানসিক উৎকৰ্ষ সাধনত অভিভাৱক আৰু শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শোৱাৰ আগতে শিশুক সাধুকথা কোৱা, বিদ্যালয়ত গল্পপাঠৰ আয়োজন কৰা, গল্প কোৱাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা আৰু কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাৰ জৰিয়তে শিশুৰ মাজত সাধুকথাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিব পাৰি। গল্পৰ অন্তৰ্নিহিত শিক্ষা শিশুক সহজ ভাষাত বুজাই দিলে তেওঁলোকৰ নৈতিক বিকাশ অধিক ফলপ্ৰসূ হয়। সাধুকথা কেৱল মনোৰঞ্জনৰ মাধ্যম নহয়; ই শিশুৰ মানসিক, বৌদ্ধিক, নৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশৰ এক শক্তিশালী মাধ্যম। ই শিশুৰ কল্পনাশক্তি, চিন্তাশক্তি, ভাষাজ্ঞান, মূল্যবোধ আৰু আত্মবিশ্বাস গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে আধুনিক ব্যস্ত জীৱনতো শিশুসকলক সাধুকথাৰ সৈতে পৰিচয় কৰোৱা আমাৰ সকলোৰে দায়িত্ব। যি সমাজে নিজৰ শিশুসকলক উন্নত আদৰ্শ, নৈতিক শিক্ষা আৰু সুস্থ মানসিক বিকাশৰ সুযোগ দিয়ে, সেই সমাজেই ভৱিষ্যতে এখন উন্নত, শান্তিপূৰ্ণ আৰু মানবীয় সমাজ গঢ়ি তুলিবলৈ সক্ষম হয়। এই দিশৰ পৰা বিচাৰ কৰিলে, শিশুৰ মানসিক উৎকৰ্ষ সাধনত সাধুকথাৰ ভূমিকা অনস্বীকাৰ্য আৰু চিৰস্মৰণীয়।■



# গুগলৰ যুগত শিক্ষকৰ প্ৰাসংগিকতা ঃ যন্ত্ৰই মানুহৰ স্থান ল'ব পাৰিবনে ?

*তথ্যৰ মেৰপাকত আবদ্ধ থকা আজিৰ ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ প্ৰকৃত পোহৰ দেখুৱাবলৈ এজন পথ প্ৰদৰ্শকৰ আৱশ্যকতা পূৰ্বতকৈ বহুগুণে বৃদ্ধি পাইছে। সমাজৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে যি মানৱীয় দৃষ্টিভংগীৰ প্ৰয়োজন, সেয়া মাত্ৰ শিক্ষকৰ সান্নিধ্যতহে সম্ভৱ হৈ উঠে। পৃথিৱীত যিমানেই উচ্চ প্ৰযুক্তিৰ সৃষ্টি নহওক কিয়, এজন শিক্ষকৰ স্থান সমাজত সদায় এক অনন্য উচ্চতাত থাকিব। যন্ত্ৰই আমাৰ কামবোৰ দ্ৰুত কৰিব পাৰে; কিন্তু আমাক এজন ভাল মানুহ হিচাপে গঢ়ি তোলাৰ বাবে যি অনুপ্ৰেৰণাৰ প্ৰয়োজন, সেয়া মাত্ৰ এজন শিক্ষকেহে দিব পাৰে। গতিকে এই যান্ত্ৰিকতাৰ ভিৰত শিক্ষকৰ প্ৰাসংগিকতা ম্লান পৰা বুলি ভবাটো এক ভুল ধাৰণা। তাৰ পৰিৱৰ্তে প্ৰযুক্তিৰ এই যুগত শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্যৰ পৰিসৰ বহু পৰিমাণে বিস্তৃত হৈছে। পূৰ্বৰ দৰে এতিয়া শিক্ষক মানে অকল পাঠ্যপুথিৰ জ্ঞান বিতৰণ কৰা ব্যক্তি বুজা নাযায়; এতিয়া তেওঁ এগৰাকী বিশ্বজনীন মেণ্টৰ বা পথ প্ৰদৰ্শক হিচাপেহে নিজকে গঢ়ি তুলিব লাগিব। শিক্ষাৰ উদ্দেশ্য হ'ল মানুহৰ অন্তৰ্নিহিত গুণবোৰৰ বিকাশ ঘটোৱা।*

প্ৰেম বৈষ্ণৱ

মানৱ সভ্যতাৰ বিকাশৰ যি পৰিক্ৰমা, তাত জ্ঞানৰ অৱদান সৰ্বোপৰি বুলি স্বীকাৰ কৰা হয়। অতীজৰে পৰা মানুহে নিজৰ অভিজ্ঞতা আৰু বুদ্ধিক কামত লগাই সমাজখনক এক সুন্দৰ ৰূপ দিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে। এই জ্ঞানৰ ধাৰাটোক এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ বোৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা অপৰিসীম। ভাৰতীয় পৰম্পৰাত শিক্ষকক ভগৱানৰ আসনত বহুওৱা হৈছে। গুৰু অবিহনে জ্ঞান আহৰণ কৰাটো পূৰ্বতে এক কল্পনাৰ দৰে আছিল। বৰ্তমান সময়ত আমি এক তীব্ৰ প্ৰযুক্তিগত বিপ্লৱৰ মাজেৰে গতি কৰিছো। এতিয়া আমাৰ চাৰিওফালে যন্ত্ৰৰ জয়জয়কাৰ দেখিবলৈ পোৱা যায়। যিকোনো বিষয়ৰ তথ্যৰ প্ৰয়োজন হ'লেই আমি এতিয়া গুগলৰ দৰে চাৰ্চ ইঞ্জিনৰ আশ্ৰয় লওঁ। ম'বাইল ফোনটোৰ এটা ক্লিকতে পৃথিৱীৰ যিকোনো প্ৰান্তৰ জ্ঞান আমাৰ হাতৰ মুঠিত পোৱা যায়। এনে এক পৰিৱেশত বহুতৰে মনত প্ৰশ্নৰ উদয় হোৱাটো স্বাভাৱিক যে যন্ত্ৰৰ এই দপদপনিৰ যুগত এজন শিক্ষকৰ প্ৰাসংগিকতা আচলতে কিমান। যন্ত্ৰই মানুহৰ স্থান ল'ব পাৰিব নেকি, সেই প্ৰশ্নই এতিয়া আটাইতকৈ চৰ্চিত বিষয় হিচাপে আত্মপ্ৰকাশ কৰিছে। শিক্ষা বুলিলে যিহেতু অকল তথ্যৰ সংগ্ৰহ নুবুজায়, সেয়েহে ইয়াৰ গভীৰতা বিচাৰ কৰিবলৈ আমি অলপ পৃথকভাৱে চিন্তা কৰিবলৈ বাধ্য হৈছো। শিক্ষা প্ৰকৃততে এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া পৰিগণিত হৈছে, যিয়ে ব্যক্তিৰ চৰিত্ৰ গঠনত সহায় কৰে। গুগলৰ ওচৰত তথ্যৰ অভাৱ বিৰাজ নকৰে; কিন্তু সেই তথ্যক সঠিক সময়ত সঠিক কামত ব্যৱহাৰ কৰিবলৈ যি বিবেকৰ প্ৰয়োজন, সেই বিবেক গঢ়ি তোলাৰ ক্ষমতা গুগলৰ অন্তৰ্ভুক্ত নপৰে। কোনো এটা যন্ত্ৰই মানুহৰ হৃদয়ৰ আৱেগ আৰু উষ্ণতা কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে। শ্ৰেণীকোঠাৰ সেই জীৱন্ত পৰিৱেশ, য'ত এজন শিক্ষকে ছাত্ৰৰ চকুলৈ চাই তেওঁৰ মনৰ অৱস্থা বুজিব পাৰে, তাক কোনো এলগৰিদমে বুজি পোৱাটো অসম্ভৱ।

তথ্যৰ মেৰপাকত আবদ্ধ থকা আজিৰ ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ প্ৰকৃত পোহৰ দেখুৱাবলৈ এজন পথ প্ৰদৰ্শকৰ আৱশ্যকতা পূৰ্বতকৈ বহুগুণে বৃদ্ধি পাইছে। সমাজৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে যি মানৱীয় দৃষ্টিভংগীৰ প্ৰয়োজন, সেয়া মাত্ৰ শিক্ষকৰ সান্নিধ্যতহে সম্ভৱ হৈ উঠে। পৃথিৱীত যিমানেই উচ্চ প্ৰযুক্তিৰ সৃষ্টি নহওক কিয়, এজন শিক্ষকৰ স্থান সমাজত সদায় এক অনন্য উচ্চতাত থাকিব। যন্ত্ৰই আমাৰ কামবোৰ দ্ৰুত কৰিব পাৰে; কিন্তু আমাক এজন ভাল মানুহ হিচাপে গঢ়ি তোলাৰ বাবে যি অনুপ্ৰেৰণাৰ প্ৰয়োজন, সেয়া মাত্ৰ এজন শিক্ষকেহে দিব পাৰে। গতিকে এই যান্ত্ৰিকতাৰ ভিৰত শিক্ষকৰ প্ৰাসংগিকতা ম্লান পৰা বুলি ভবাটো এক ভুল ধাৰণা। তাৰ পৰিৱৰ্তে প্ৰযুক্তিৰ এই যুগত শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্যৰ পৰিসৰ বহু পৰিমাণে বিস্তৃত হৈছে। পূৰ্বৰ দৰে এতিয়া শিক্ষক মানে অকল পাঠ্যপুথিৰ জ্ঞান বিতৰণ কৰা ব্যক্তি বুজা নাযায়; এতিয়া তেওঁ এগৰাকী বিশ্বজনীন মেণ্টৰ বা পথ প্ৰদৰ্শক হিচাপেহে নিজকে গঢ়ি তুলিব লাগিব। শিক্ষাৰ উদ্দেশ্য হ'ল মানুহৰ অন্তৰ্নিহিত গুণবোৰৰ বিকাশ ঘটোৱা। যন্ত্ৰই কেতিয়াও এজন শিশুৰ মনৰ মাজত সোমাই তাৰ স্বপ্নবোৰক ৰঙীন কৰিব নোৱাৰে। শিক্ষকৰ এটা মৰমৰ পৰশ বা এযাৰ প্ৰশংসাই ছাত্ৰ এজনৰ জীৱনৰ গতিপথ সলাই দিব পাৰে। যন্ত্ৰই যিমান নিখুঁতভাৱে কাম নকৰক কিয়, তাত জীৱনৰ স্পন্দন বিচাৰি পোৱা নাযায়। শিক্ষকৰ সেই উমাল উপস্থিতি অবিহনে শ্ৰেণীকোঠা এটা মাত্ৰ চাৰিবেৰৰ এটা ঘৰ হৈ ৰয়। মানৱীয় অনুভূতিৰ আদান-প্ৰদানেই শিক্ষাৰ মূল আধাৰ। যেতিয়া এজন শিক্ষকে ছাত্ৰ এজনক জীৱনৰ কঠিন পৰিস্থিতিৰ মুখামুখি হ'বলৈ শিকায়, তেতিয়া তেওঁ অকল তথ্য নিদিয়ে, তেওঁ দিয়ে সাহস। এই সাহস আৰু অনুপ্ৰেৰণা গুগলৰ কোনো চাৰ্চ ৰিজাল্টত বিচাৰি পোৱাটো অসম্ভৱ। সেয়েহে যান্ত্ৰিকতাৰ এই ধামখুমীয়াত শিক্ষকৰ প্ৰাসংগিকতা ম্লান হোৱাৰ পৰিৱৰ্তে অধিক প্ৰকট হৈ পৰিছে।

যান্ত্ৰিকতাৰ এই ধাৱমান যুগত মানৱীয় প্ৰমূল্যসমূহৰ সুৰক্ষা আৰু চৰ্চাৰ প্ৰয়োজনীয়তা আকাশলংঘী হৈ পৰিছে। যন্ত্ৰৰ ওচৰত বুদ্ধি আছে; কিন্তু হৃদয়ৰ নিৰ্মল আৱেগবোৰৰ অভাৱ বিৰাজ কৰে। এজন ছাত্ৰই যেতিয়া জীৱনৰ কঠিন পৰীক্ষাত ব্যৰ্থ হৈ ভাঙি পৰে, তেতিয়া এটা ছফ্টৱেৰে তেওঁক কিমান দূৰলৈ সমৰ্থন আগবঢ়াব পাৰিব, সেইটো বিচাৰ্যৰ বিষয়। শিক্ষা অকল আখৰ চিনা বা তথ্য আহৰণ কৰাৰ নাম বুজা নাযায়; ই এক গভীৰ মানসিক আৰু আধ্যাত্মিক উত্তৰণৰ পথ। শ্ৰেণীকোঠাত এজন শিক্ষকে ছাত্ৰজনৰ চকুলৈ চাই তেওঁৰ মনৰ নিগূঢ় বেদনাটো বুজিব পাৰে। এই অনুভূতিশীলতাই এজন শিশুক সমাজৰ এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাত সহায় কৰে। গুগলৰ পৰা পোৱা তথ্যই এজন ব্যক্তিক জ্ঞানী কৰিব পাৰে, কিন্তু সেই জ্ঞানে যেতিয়ালৈকে মানৱতাৰ স্পৰ্শ লাভ নকৰে, তেতিয়ালৈকে ই সমাজৰ বাবে হিতকাৰী হ'ব নোৱাৰে। শিক্ষকৰ সান্নিধ্যত ছাত্ৰই যি নৈতিক শিক্ষা লাভ কৰে, সেই শিক্ষাই তেওঁৰ চৰিত্ৰৰ ভেটি নিৰ্মাণ কৰে। সমাজত যিমানবোৰ মহান কাৰ্য সম্পন্ন হৈছে, সেই সকলোবোৰৰ অন্তৰালত এজন আদৰ্শ শিক্ষকৰ প্ৰেৰণা লুকাই থাকে।

যন্ত্ৰই আমাৰ জীৱনটোক দ্ৰুতগামী কৰি তুলিছে সঁচা; কিন্তু ই আমাৰ জীৱনৰ পৰা পৰম্পৰাগত গুৰু-শিষ্যৰ পবিত্ৰ সম্পৰ্কটো কাঢ়ি নিব নোৱাৰে। এজন শিক্ষকে ছাত্ৰক অকল পাঠ্যপুথিৰ পাঠ নিশিকায়; তেওঁ শিকায় জীৱন জীয়াই থকাৰ কলা। তেওঁ শিকায় কেনেকৈ আনক সন্মান কৰিব লাগে আৰু কেনেকৈ সমাজৰ কুসংস্কাৰবোৰৰ বিৰুদ্ধে থিয় দিব লাগে। যন্ত্ৰৰ দ্বাৰা পৰিচালিত পৃথিৱীখনত এই আৱেগিক সংযোগৰ অভাৱে মানুহক যান্ত্ৰিক কৰি তুলিব পাৰে। শিক্ষকৰ এটা সৰু উৎসাহজনক বাক্যই এজন বিফল ছাত্ৰৰ মনত নতুন আশাৰ সঞ্চাৰ কৰে। এই ঐশ্বৰিক শক্তিটো কোনো কাৰিকৰী উন্নয়নে লৰচৰ কৰিব নোৱাৰে। ছাত্ৰৰ বৌদ্ধিক বিকাশৰ লগতে মানসিক স্বাস্থ্যৰ সুৰক্ষাৰ বাবেও শিক্ষকৰ উপস্থিতি অপৰিহাৰ্য। বৰ্তমানৰ প্ৰতিযোগিতামূলক সময়ত ছাত্ৰ-ছাত্ৰীসকল তীব্ৰ মানসিক চাপৰ মাজত থাকে। এনে সময়ত এজন শিক্ষকে তেওঁলোকৰ বাবে এগৰাকী বন্ধুৰ দৰে থিয় দিয়ে। যন্ত্ৰই আমাক মাত্ৰ লক্ষ্যৰ ফালে আগুৱাই লৈ যায়; কিন্তু সেই যাত্ৰাটো কেনেকৈ অৰ্থপূৰ্ণ কৰিব পাৰি, সেই কথা অকল শিক্ষকেহে ক'ব পাৰে। শিক্ষা ব্যৱস্থাত ডিজিটেল মাধ্যমৰ প্ৰসাৰে যি পৰিৱৰ্তন আনিছে, তাক আমি ধনাত্মকভাৱে গ্ৰহণ কৰিব লাগে। কিন্তু একে সময়তে আমি এইটোও মনত ৰখা উচিত যে প্ৰযুক্তি সদায় মানুহৰ হাতৰ এটা সঁজুলি হৈয়েই থকাটো মংগলজনক। যন্ত্ৰই আমাক যিবোৰ তথ্য দিয়ে, সেইবোৰৰ সত্যতা বিচাৰ কৰিবলৈ আমাক এজন বিশেষজ্ঞৰ প্ৰয়োজন হয়। ইণ্টাৰনেটৰ বিশাল পৃথিৱীত যিদৰে সুশিক্ষা পোৱা যায়, তেনেদৰে অপশিক্ষাৰো প্ৰচুৰ থল থাকে। এগৰাকী সচেতন শিক্ষকে ছাত্ৰক এইটো শিকাব লাগে যে তেওঁলোকে কি গ্ৰহণ কৰিব আৰু কি বৰ্জন কৰিব। এই বিচাৰ ক্ষমতা গঢ়ি তোলাৰ দায়িত্ব শিক্ষকৰ কান্ধত অৰ্পিত হৈছে। যন্ত্ৰই আমাক উত্তৰ দিব পাৰে, কিন্তু সেই উত্তৰটো জীৱনৰ বাবে সঠিক নে ভুল, সেই সিদ্ধান্ত লোৱাৰ বাবে যি বিবেকৰ প্ৰয়োজন, সেই বিবেক শিক্ষককেহে জগাই তোলে।

তথ্যৰ বিস্ফোৰণে আধুনিক সমাজখনক এক নতুন গতিপথৰ পৰিৱৰ্তন পথ সুগম কৰিছে। এতিয়া জ্ঞান অকল পুথিভঁৰালৰ কিতাপৰ মাজত আবদ্ধ হৈ থকা নাথাকে। ইণ্টাৰনেটৰ বাবে এতিয়া যিকোনো ব্যক্তিৰ বাবে বিশ্বৰ শ্ৰেষ্ঠ তথ্যসমূহ সহজলভ্য হৈ পৰিছে। এনে এক সন্ধিক্ষণত শিক্ষকৰ ভূমিকাৰ এক ব্যাপক পৰিৱৰ্তন ঘটিছে। পূৰ্বতে শিক্ষক আছিল তথ্যৰ একমাত্ৰ উৎস, কিন্তু এতিয়া তেওঁ সেই তথ্যসমূহৰ বিচাৰক হিচাপে কাম কৰিবলগা হৈছে। ইণ্টাৰনেটত বিৰাজমান তথ্যৰ পাহাৰৰ মাজত কোনটো সত্য আৰু কোনটো ভ্ৰান্ত, সেইটো নিৰ্ণয় কৰাটো আজিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান। ইয়াতেই শিক্ষকৰ প্ৰাসংগিকতা অধিক প্ৰকট হয়। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক এইটো শিকাব লাগে কেনেকৈ তথ্যসমূহক বিশ্লেষণ কৰিব পাৰি আৰু কেনেকৈ ভুৱা তথ্যৰ পৰা নিজকে বচাই ৰাখিব পাৰি। বৰ্তমান সময়ত গুগলত বিচাৰিলে যিকোনো সমস্যাৰ হাজাৰটা সমাধান ওলায়। কিন্তু সেই সমাধানবোৰৰ মাজৰ পৰা সঠিকটো বাছি উলিওৱাৰ বাবে যি যুক্তিনিষ্ঠ চিন্তাৰ প্ৰয়োজন, সেই চিন্তা গঢ়ি তোলাৰ দায়িত্ব শিক্ষকৰ। শিক্ষকে ছাত্ৰক প্ৰশ্ন কৰিবলৈ শিকাব লাগে। যন্ত্ৰই আমাক দিয়া উত্তৰটোক চকু মুদি বিশ্বাস কৰাৰ বিপৰীতে তাক যুক্তিৰ তুলাচনীত জুখি চোৱাৰ মানসিকতা গঢ়ি তোলাটোৱেই হ'ল আধুনিক শিক্ষাৰ মূল লক্ষ্য। সমাজৰ উত্তৰণৰ বাবে আমাক এতিয়া অকল অনুগমনকাৰী মানুহ নালাগে, আমাক লাগে নতুন চিন্তাৰ জন্ম দিব পৰা ব্যক্তি। এই নতুন চিন্তাৰ বীজ সিঁচিব পাৰে অকল শিক্ষককেহে। যন্ত্ৰই পূৰ্বৰ পৰা চলি থকা তথ্যসমূহক বিশ্লেষণ কৰিব পাৰে; কিন্তু ই কোনো নতুন সৃষ্টিশীল চিন্তাৰ জন্ম দিব নোৱাৰে। মানুহৰ মগজুৰ যি স্বাভাৱিক উদ্ভাৱনী শক্তি, তাক শিক্ষকৰ অনুপ্ৰেৰণাইহে বিকশিত কৰে। আজিৰ যুগত শিক্ষক হ'ব লাগে এজন সহযোগী বা মেণ্টৰ। তেওঁ ছাত্ৰৰ লগত খোজত খোজ মিলাই আগুৱাই যাব লাগে যাতে ছাত্ৰজনে নিজৰ ভিতৰত থকা সম্ভাৱনাবোৰ বিচাৰি পায়।

শিক্ষাৰ উদ্দেশ্য অকল ডিগ্ৰী লাভ কৰা বুজা নাযায়। ইয়াৰ অৰ্থ হ'ল এজন ব্যক্তিক পূৰ্ণাংগ মানুহ হিচাপে গঢ়ি তোলা। গুগলৰ ওচৰত পৃথিৱীৰ সকলো ভাষাৰ ব্যাকৰণ আছে। ই কেতিয়াও কোনো এজন ব্যক্তিক এজন ভাল বক্তা বা এজন অনুভূতিশীল কবি হিচাপে গঢ়িব নোৱাৰে। এই কামৰ বাবে লাগে মানৱীয় সান্নিধ্য। সমাজৰ ইতিহাস, সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতি থকা শ্ৰদ্ধা শিক্ষককেহে

■ নৱম পৃষ্ঠাত



# ড° ভূপেন হাজৰিকা আৰু অসম

লীলাধৰ হাজৰিকা

অসম, অসমীয়া, ইয়াৰ সাংস্কৃতিক ঐতিহ্য দেশ, জাতি, মাটি আপোন বুলি পৃথিৱীৰ মানুহৰ মাজত সমন্বয়ৰ বাৰ্তা বিলাই ফুৰা মহান শিল্পীজনৰ নামেই আছিল ড° ভূপেন হাজৰিকা। ড° ভূপেন হাজৰিকা আছিল সমাজ, সংস্কৃতি, জাতীয় চেতনাত্মক চিন্তাধাৰাক আন্তৰ্জাতিক চিন্তালৈ পৰ্যবসিত কৰিব পৰা এগৰাকী চিন্তানায়ক। সমন্বয়ৰ বাৰ্তাবাহক, চিন্তানায়ক এইবাবেই কোৱা হৈছে যে ড° হাজৰিকাই সম্ভৱতঃ প্ৰথমগৰাকী ব্যক্তি যিগৰাকীয়ে শিল্প-কলা-সংগীতৰ যোগেদি অসমীয়া গীতৰ সুৰক সমগ্ৰ ভাৰতবৰ্ষতেই জনপ্ৰিয় কৰাই নহয়, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পীৰ দ্বাৰা অসমীয়াতেই গীত গোৱাই অসমীয়া সংগীতক বিশ্বজনীন পৰ্যায়লৈকে উন্নীত কৰাৰ প্ৰচেষ্টা চলাইছিল আৰু সফলো হৈছিল।

ড° ভূপেন হাজৰিকা আছিল দূৰদৰ্শী চিন্তা কৰিব পৰা লোক। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সম্পৰ্কে তাহানি ১৯৬৮ চনতেই কৈ যোৱা কথাষাৰ আমি আজি মৰ্মে মৰ্মে উপলব্ধি কৰিছো, 'আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব'। ভূপেন হাজৰিকাৰ সেই কথাষাৰি প্ৰতিগৰাকী সচেতন অসমীয়াই আজিও শ্ৰদ্ধা সহকাৰে স্বীকাৰ কৰে। ভূপেন হাজৰিকাৰ গীতৰ ভাষা, সুৰ আৰু কণ্ঠ অনন্য। কাৰো লগত তুলনা নহয়। জনপ্ৰিয় গায়ক হ'ব পাৰি, কিন্তু সঁচা শিল্পী হোৱাটো কঠিন, অথবা সঁচা শিল্পী হ'ব নোৱাৰি। ভূপেন হাজৰিকা সঁচা শিল্পী আছিল। গীতেৰে, কণ্ঠৰে জগত জিনিছিল। ভূপেন হাজৰিকা জাতীয়তাবাদী হৈও আন্তৰ্জাতিকতাবাদী আছিল। ড° হাজৰিকাক লৈ অসমত বিতৰ্কৰো অন্ত নাই। ভূপেন হাজৰিকাই জাতীয়তাবাদী ভাবাপন্ন গীতেৰে জনসাধাৰণৰ মন জয় কৰা কথাটো কোনো কোনোৱে সহজভাৱে ল'ব পৰা নাই। জীৱিতকালত ভূপেন হাজৰিকাক সুধাকণ্ঠ, বিশ্বৰত্ন, অসমৰত্ন আদি বিশ্ববিশ্ৰুত অভিধা দিয়া কথাটো মানি ল'বলৈ টান পাইছিল। ড° ভূপেন হাজৰিকাক বেয়া পোৱা এচামে তথাপি ক'বলৈ বাধ্য হৈছিল, মহাশত্ৰুৱেও স্বীকাৰ কৰিব লাগিব অসমত ভূপেন হাজৰিকাৰ নিচিনা কণ্ঠ, তেওঁৰ গীতৰ ৰচনাৰ বিষয়বস্তু, আৰু গদ্য শৈলী আছিল অনবদ্য। তাৰ মাজতে এগৰাকী সমালোচকে কৈছিল, বিশ্ববিশ্ৰুত, শব্দটোৰ অৰ্থ নজনাৰ বাবেই অত্যুৎসাহী অসমীয়াই আবেগেৰে হাজৰিকাক বিশ্ববিশ্ৰুত বুলি অভিহিত কৰি নিজে নিজেই গৌৰৱ অনুভৱ কৰে যদিও অসমৰ বাহিৰে তেওঁক কোনেও বিশ্ববিশ্ৰুত বুলি নকয়। কিমান নিকৃষ্ট মানসিকতাৰ মানুহ হ'লে বাৰু ভূপেন হাজৰিকাৰ দৰে ব্যক্তি এজনক এনেকৈ ক'ব পাৰে।

বহু গুণী-জ্ঞানী লোকৰ সান্নিধ্য লাভ কৰাৰ পাছত ভূপেন হাজৰিকাই বিশ্বখনক চাবলৈ শিকিছিল। বৰ্ণ বৈষম্য, সাম্ৰাজ্যবাদ, উপনিৱেশিকতাবাদ আদিৰ বিৰুদ্ধে ভূপেন হাজৰিকাৰ মন সদায় বিদ্ৰোহী হৈ উঠিছিল। এই কথাটোও জনা ভাল আফ্ৰিকা এছিয়াৰ শোষিত জনগণৰ বাবে তেওঁৰ মন ব্যথিত হৈ পৰিছিল। পল ৰবছনৰ দৰে ব্যক্তিৰ সংস্পৰ্শত তেওঁৰ জীৱনৰ গতি সলনি হৈ গৈছিল আৰু উগ্ৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে প্ৰতিবাদী হৈ পৰিছিল। অসমৰ গণনাট্য সংঘৰ যোগেদি মুক্তিকামী জনসংস্কৃতিৰ ভেটি গঢ়াৰ কথা তেওঁৰ লেখাৰ মাজত, গীতৰ মাজত সেই কথা স্পষ্টভাৱে উল্লেখ আছে। অসম সম্পৰ্কে ভূপেন হাজৰিকাই সুস্থ চিন্তা কৰাৰ কথাটোত কোনো কোনো ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় চিন্তাধাৰাৰ লোকে তেওঁক বেয়াও পাইছিল। অপ্ৰিয় হ'লেও ক'বই লাগিব যে ভূপেন হাজৰিকাই এই আন্দোলন সমৰ্থন কৰিছিল। এই আন্দোলন সম্পৰ্কে ভালেকেইটা অমৰ গীত সৃষ্টি কৰিছিল। এই আন্দোলনক সমৰ্থন জনোৱা বাবেই চাগৈ এচাম তথাকথিত বুদ্ধিজীৱীয়ে ভূপেন হাজৰিকাক জাতীয়তাবাদী আখ্যা দিছিল আৰু ভূপেন হাজৰিকাৰ ডক্টৰেট ডিগ্ৰীৰ পৰা জাতীয় ভাবাপন্ন চিন্তাধাৰালৈ সকলোতে খুঁত উলিয়াবলৈ অহৰহ চেষ্টা কৰিছিল। পিছে ভূপেন হাজৰিকা যে জাতীয়তাবাদী হৈও ৰাষ্ট্ৰীয়তা তথা আন্তৰ্জাতিক পৰ্যায়লৈ উন্নীত হৈছিল, সেই কথা ভাবি সেইসকল কিছু স্তিমিত হোৱাও দেখা গৈছিল। ড° হাজৰিকাৰ মৃত্যুৰ সময়ত জনগণৰ হৃদয়ত বৈ থকা ভালপোৱাৰ নিদৰ্শন অতি স্পষ্টভাৱে প্ৰকাশ পাইছিল। অসম আন্দোলনৰ দুটা দিশৰ কথা ভূপেন হাজৰিকাই স্পষ্ট ভাষাৰে জনগণক বুজাবলৈ যত্ন কৰিছিল যে আমাৰ বিদেশী সমস্যাটোও বহিৰাগত সমস্যাই ভাৰতৰ সমস্যা। কোনো ভাৰতীয় লোকৰ বিৰুদ্ধে কৰা এই আন্দোলন নহয়, অবৈধভাৱে অসমলৈ অহা বহিৰাগতসকলক বহিষ্কাৰ কৰাৰহে আন্দোলন। আনহাতে, এই আন্দোলনৰ গইনা লৈ কোনো কোনোৱে উগ্ৰতা প্ৰকাশ কৰি অসমত অশান্তি কৰাসকলৰ তেওঁ বিৰোধিতা কৰিছিল। সেই সময়ৰ স্বনামধন্য ৰাষ্ট্ৰীয় ব্যক্তিসকলক এই আন্দোলনৰ প্ৰকৃত ৰূপটো দাঙি ধৰিবলৈ তেওঁ সম্পাদনা কৰা আমাৰ প্ৰতিনিধি আলোচনীৰ যোগেদি আহ্বান জনাইছিল। এই আন্দোলনত মৃত্যুবৰণ কৰা ছহিদসকলক লৈ ভূপেন হাজৰিকাই কেইবাটাও গীত ৰচনা কৰি জনসাধাৰণৰ মাজত পৰিৱেশন কৰিছিল। জুয়ে পোৱা তিৰাশীৰ নিৰ্বাচনত বহু অসমীয়া যুৱকৰ মৃত্যু হোৱা সংঘটনে তেওঁক মৰ্মাহত কৰিছিল। অসম চুক্তিয়ে অসমীয়া জাতিটোৰ সাংস্কৃতিক ৰক্ষণাবেক্ষণৰ গুৰুত্ব পাব লাগে বুলি স্পষ্ট ভাষাৰে উল্লেখ কৰিছিল। সৰু সৰু কথাবোৰতো মনোযোগ দিয়া বাবেই সৰু সৰু মানুহবোৰেও ভূপেন হাজৰিকাক ভীষণ ভাল পাইছিল।

যোৱা ২০১৯ চনত আৰম্ভ হোৱা 'কা' আন্দোলন ভূপেন হাজৰিকাই দেখা নাপালে। ড° হাজৰিকা জীয়াই থকাহেঁতেন মাটি, ভেটি আৰু স্বদেশৰ হকে বৃহত্তৰ স্বাৰ্থত 'কা' আন্দোলনো বিৰোধিতা কৰিলেহেঁতেন। যোৱা শতিকাৰ সহস্ৰাব্দৰ শ্ৰেষ্ঠ গীত হিচাপে স্বীকৃত ড° ভূপেন হাজৰিকাৰ মানুহে মানুহৰ বাবে সমগ্ৰ বিশ্বতে আজিও সমাদৃত। অসমৰ সমস্যাৰ হকে জনসাধাৰণৰ পক্ষত থাকি গীতে-মাতে, কথাৰে, চলচ্চিত্ৰৰে, সাহিত্যৰ মাধ্যমেৰে ভূপেন হাজৰিকা মানুহৰ আপোন হ'ব পাৰিছিল। তেওঁ অসমৰ বাবে সদায় সকলোৰে আদৰৰ, মৰমৰ শিল্পী হৈ থাকিব। ড° ভূপেন হাজৰিকা অসম আৰু অসমীয়াৰ বাবে চিৰদিন স্মৰণীয় হৈ থাকিব। ■

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

# গুগলৰ যুগত শিক্ষকৰ প্ৰাসংগিকতা

ছাত্ৰৰ মনত সঞ্চাৰ কৰিব পাৰে। যন্ত্ৰৰ কোনো দেশ বা জাতি নাথাকে, কিন্তু এজন শিক্ষকৰ জৰিয়তে ছাত্ৰই নিজৰ শিপাক চিনি পায়। আজিৰ ডিজিটেল যুগত আমাৰ ভৱিষ্যৎ প্ৰজন্ম যান্ত্ৰিকতাৰ গ্ৰাসত পৰাৰ সম্ভাৱনা বৃদ্ধি পাইছে। তেওঁলোকৰ মাজত সামাজিক দায়বদ্ধতা আৰু নৈতিকতাৰ অভাৱ দেখা গৈছে। এই ভয়াবহ পৰিস্থিতিৰ পৰা সমাজখনক বচাব পাৰে শিক্ষকসকলেহে। তেওঁলোকে ছাত্ৰক শিকাব লাগে যে প্ৰযুক্তিক কেনেকৈ জনকল্যাণৰ কামত ব্যৱহাৰ কৰিব পাৰি। যন্ত্ৰই আমাক অকল নিজৰ বাবে ভাবিবলৈ শিকাব পাৰে, কিন্তু শিক্ষকেহে শিকায় কেনেকৈ আনৰ বাবে ত্যাগ কৰিব লাগে। এই পৰমাৰ্থিক শিক্ষাই সমাজখনক একত্ৰিত কৰি ৰাখে। গুগলত আমি পৃথিৱীৰ ডাঙৰ ডাঙৰ দৰ্শনবোৰ পঢ়িব পাৰো, কিন্তু সেই দৰ্শনক নিজৰ জীৱনত প্ৰয়োগ কৰিবলৈ আমাক এজন পথ প্ৰদৰ্শকৰ প্ৰয়োজন হয়। শিক্ষকৰ জীৱনশৈলী আৰু তেওঁৰ আদৰ্শই ছাত্ৰৰ মনত এক গভীৰ চাপ পেলায়। যন্ত্ৰই আমাক ক্ষন্তেকীয়া সুখ দিব পাৰে, কিন্তু স্থায়ী শান্তি আৰু আত্মিক সন্তুষ্টিৰ বাবে শিক্ষকৰ নিৰ্দেশনা অতি আৱশ্যক। সেয়েহে যিমানেই ডিজিটেল মাধ্যমৰ উন্নতি নহওক কিয়, শিক্ষকৰ অবিহনে শিক্ষা ব্যৱস্থা এক পংগু অৱস্থালৈ পৰ্যবসিত হোৱাটো নিশ্চিত। আমি এইটো বুজিব লাগিব যে যন্ত্ৰই আমাৰ শৰীৰৰ কামবোৰ সহজ কৰিছে, কিন্তু আমাৰ আত্মাৰ ক্ষুধা নিবাৰণ কৰিব পৰা নাই। সেই ক্ষুধা নিবাৰণৰ পথ মাত্ৰ শিক্ষা আৰু শিক্ষকৰ জৰিয়তেহে সম্ভৱ।

উপসংহাৰ হিচাপে আমি এইটো দৃঢ়কৈ উপলব্ধি কৰিব পাৰো যে যন্ত্ৰ আৰু মানুহৰ মাজত কোনো প্ৰতিযোগিতা হোৱাটো উচিত নহয়। তাৰ পৰিৱৰ্তে যন্ত্ৰক মানুহৰ সহায়কাৰী হিচাপেহে ব্যৱহাৰ কৰা উচিত। শিক্ষকৰ স্থান সমাজত সদায় অনন্য আছিল আৰু ভৱিষ্যতেও থাকিব। গুগল বা ইণ্টাৰনেটে আমাক যিমান তথ্য নিদিয়ক কিয়, এজন শিক্ষকৰ উমাল মৰম আৰু শাসনৰ কোনো বিকল্প ওলাব নোৱাৰে। সমাজৰ মেৰুদণ্ড হিচাপে শিক্ষকসকলে যি দায়িত্ব পালন কৰি আহিছে, তাক কোনো যন্ত্ৰই কেতিয়াও নিখুঁতভাৱে কৰিব নোৱাৰে। এজন শিক্ষকে ছাত্ৰৰ ভৱিষ্যৎ নিৰ্মাণ কৰোতে অকল জ্ঞান বিতৰণ নকৰে, তেওঁ নিজৰ অনুভৱ আৰু সংগ্ৰামী জীৱনৰ অভিজ্ঞতাও প্ৰদান কৰে। এই অভিজ্ঞতাৰ বিনিময় মূল্য গুগলৰ কোনো ডাটাবেছত পোৱা নাযায়। শিক্ষাৰ প্ৰকৃত লক্ষ্য হ'ল অজ্ঞানতাৰ অন্ধকাৰ দূৰ কৰি পোহৰৰ দিশে আগুৱাই যোৱা। এই পোহৰ শিক্ষকেই জ্বলায়। যন্ত্ৰই আমাক পথ দেখুৱাব পাৰে, কিন্তু সেই পথেৰে খোজ দিয়াৰ সাহস যোগাব নোৱাৰে। এজন আদৰ্শ শিক্ষকে ছাত্ৰৰ মনৰ পৰা ভয় আৰু সংশয় দূৰ কৰে। তেওঁ ছাত্ৰক শিকায় কেনেকৈ আত্মবিশ্বাসেৰে পৃথিৱীৰ সন্মুখত থিয় হ'ব পাৰি। যন্ত্ৰৰ হাতত আমাৰ জীৱনটো তুলি দি আমি কেতিয়াও সুখী হ'ব নোৱাৰো। আমাক লাগে মানৱীয় মৰম আৰু বিশ্বাস। এই বিশ্বাসৰ এনাজৰীডাল শিক্ষক আৰু ছাত্ৰৰ মাজতহে দৃঢ় হৈ থাকে। সমাজৰ ভৱিষ্যৎ প্ৰজন্মক সঠিক দিশত পৰিচালিত কৰিবলৈ হ'লে আমি শিক্ষকসকলক উপযুক্ত মৰ্যাদা দিবই লাগিব। যি সমাজত শিক্ষকৰ সন্মান অন্তৰ্ভুক্ত নপৰে, সেই সমাজৰ বৌদ্ধিক পতন অৱধাৰিত।

আধুনিক প্ৰযুক্তিক আমি শত্ৰু হিচাপে গণ্য নকৰি শিক্ষকৰ বন্ধু হিচাপে গ্ৰহণ কৰিব লাগে। এজন শিক্ষকে যদি প্ৰযুক্তিৰ সহায় লয়, তেন্তে তেওঁৰ শিক্ষা দানৰ পদ্ধতি অধিক ফলপ্ৰসূ হয়। ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া এটা কঠিন বিষয় ছবি বা এনিমেচনৰ জৰিয়তে বুজি পায়, তেতিয়া তেওঁলোকৰ জ্ঞান অধিক স্থায়ী হয়। কিন্তু সেই ছবিখনৰ অন্তৰালত থকা বিজ্ঞানটো বুজাই দিবলৈ এজন শিক্ষকৰ সদায় প্ৰয়োজন হ'ব। যন্ত্ৰই আমাক দ্ৰুত কৰিব পাৰে, কিন্তু আমাক মহান কৰিব নোৱাৰে। মহানতা আহে হৃদয়ৰ উদাৰতাৰ পৰা, যিটো মাত্ৰ শিক্ষকৰ শিক্ষাইহে দিব পাৰে। বৰ্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱত আমাৰ পুৰণি মূল্যবোধবোৰ হেৰাই যোৱাৰ উপক্ৰম হৈছে। এনে সময়ত শিক্ষকৰ দায়িত্ব আৰু বাঢ়ি গৈছে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক শিকাব লাগে কেনেকৈ আধুনিকতাৰ মাজতো নিজৰ মানৱীয় গুণবোৰ ধৰি ৰাখিব পাৰি। যন্ত্ৰই আমাক অকল এজন ভাল উপভোক্তা হিচাপে গঢ়িব বিচাৰে, কিন্তু শিক্ষকে আমাক এজন ভাল মানুহ হিচাপে গঢ়িব বিচাৰে। এই দুয়োজনৰ মাজত বিৰাট পাৰ্থক্য বিৰাজ কৰে। গুগলৰ যুগত শিক্ষকৰ প্ৰাসংগিকতা ম্লান হোৱা বুলি কোৱাটো এক ডাঙৰ ভুল হ'ব। বৰঞ্চ যন্ত্ৰৰ দপ্দপনিৰ মাজত শিক্ষকৰ আধ্যাত্মিক আৰু নৈতিক নিৰ্দেশনাৰ প্ৰয়োজনীয়তাহে অধিক বৃদ্ধি পাইছে। আমি যিমানেই উন্নতিৰ শিখৰত আৰোহণ নকৰো কিয়, আমাৰ শিপাডাল সদায় শিক্ষকৰ ওচৰতে থাকিব। এজন শিক্ষকে নিজৰ ত্যাগ আৰু নিষ্ঠাৰে যি সমাজ গঢ়ে, সেই সমাজেই পৃথিৱীখনক সুন্দৰ কৰে। যন্ত্ৰই নিৰ্মাণ কৰা পৃথিৱীখন হয়তো বহুত পৰিপাটি হ'ব পাৰে। তাত মৰমৰ অভাৱ থাকিব। সেই অভাৱ পূৰণ কৰিব পাৰে অকল এগৰাকী মানৱীয় শিক্ষকে। সেয়েহে যন্ত্ৰই মানুহৰ স্থান ল'ব পৰাটো এক প্ৰকাৰ অসম্ভৱ। শিক্ষা ব্যৱস্থাত যন্ত্ৰ আৰু শিক্ষকৰ এক মধুৰ সমন্বয় থাকিলেহে এখন উন্নত সমাজ গঢ়ি উঠিব। শিক্ষক হ'ল সেইগৰাকী মহান খনিকৰ যিয়ে মানৱতাৰ বীজ সিঁচি এখন সেউজীয়া পৃথিৱীৰ স্বপ্ন দেখে। তেওঁৰ এই সপোনক সফল কৰাটো আমাৰ সকলোৰে দায়িত্ব। সমাজৰ প্ৰতিটো স্তৰতে শিক্ষকৰ জয়গান গোৱা হওক আৰু তেওঁলোকৰ আদৰ্শৰে আমাৰ সমাজখন সমৃদ্ধ হওক। যন্ত্ৰৰ কোলাহলৰ মাজত শিক্ষকৰ সেই মধুৰ নিৰ্দেশনাটো যেন কেতিয়াও হেৰাই নাযায়, তাৰ বাবে আমি সচেতন হ'ব লাগিব। শিক্ষকতা অকল এটা বৃত্তি বুজা নাযায়, এয়া এক পবিত্ৰ যাত্ৰা। এই যাত্ৰাই মানৱ জাতিক সভ্যতাৰ শিখৰলৈ লৈ গৈছে আৰু ভৱিষ্যতেও লৈ যাব। যন্ত্ৰ আহিব আৰু যাব; কিন্তু শিক্ষকৰ প্ৰাসংগিকতা চিৰকাল অক্ষুণ্ণ থাকিব। ■

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# জীৱনৰ সৌন্দৰ্য আৰু সাধনা

নাই, মাত্ৰ বুজিলো যে ১০ হাজাৰধৰণে ই কাম নকৰে।' এয়াই হৈছে প্ৰকৃত সাধনাৰ মানসিকতা।

আলস্য হৈছে আত্মাৰ এক ধীৰ বিষ। ই মানুহক ভিতৰৰ পৰা ক্ষয় কৰে। যি মানুহে নিজৰ সম্ভাৱনাক কাজত লগোৱাৰ পৰিৱৰ্তে আৰামৰ কোলাত শুই থাকে, তেওঁৰ জীৱন হৈ পৰে এক ধীৰ গতিত মৰি যোৱা নদীৰ দৰে। আনহাতে, যি মানুহে প্ৰতিটো দিনক এক নতুন সুযোগ বুলি গ্ৰহণ কৰে, যি প্ৰতিটো বাধাক এক পৰীক্ষা বুলি মানি লয় আৰু যি কেতিয়াও হাৰ মানিবলৈ ৰাজী নহয়; তেওঁৰ জীৱন হৈ পৰে এক প্ৰবল নদীৰ সোঁত যি সকলো বাধা গচকি মহাসাগৰলৈ প্ৰবাহিত হয়।

মৃত্তিকাৰ বুকুত যেতিয়া এটি বীজৰ বাহ্যিক খোলাটোৰ বিলয় ঘটে, সি আচলতে বীজটোৰ মৃত্যু নহয় বৰং এক অনন্ত সম্ভাৱনাৰ মহাজাগতিক উন্মেষহে। ঠিক সেইদৰে, মানুহে যেতিয়া নিজৰ সংকীৰ্ণ 'অহং' আৰু পাৰ্থিৱ অস্তিত্বৰ পৰিধিক অতিক্ৰম কৰিবলৈ সক্ষম হয়, কেৱল তেতিয়াহে তেওঁৰ অন্তৰ্নিহিত ঐশ্বৰিক চেতনাৰ প্ৰকৃত জাগৰণ ঘটে। এই আত্মবিলোপেই হৈছে মানুহৰ পৰম উৎকৰ্ষ আৰু আধ্যাত্মিক বিৱৰ্তনৰ আদিবিন্দু। অহংকাৰৰ যৱনিকা পৰিলেই মানুহৰ প্ৰকৃত আৰু শাশ্বত যাত্ৰা আৰম্ভ হয়।

মানুহৰ চেতনা বিকাশৰ তিনিটা স্তৰ আছে। প্ৰথম স্তৰ হৈছে পশু-চেতনা-ক্ষুধা, তৃষ্ণা, ভয়, কামনা। দ্বিতীয় স্তৰ হৈছে মানৱিক চেতনা-বৌদ্ধিক বিকাশ, সামাজিক সম্পৰ্ক, নৈতিকতা। তৃতীয় আৰু সৰ্বোচ্চ স্তৰ হৈছে আধ্যাত্মিক চেতনা বা বিশ্ব-চেতনা। য'ত মানুহে নিজক সমগ্ৰ সৃষ্টিৰ লগত একাত্ম অনুভৱ কৰে, য'ত 'আমি' আৰু 'তেওঁলোক'ৰ মাজৰ প্ৰাচীৰ ভাঙি পৰে।

এই উচ্চতম চেতনাত উপনীত মানুহেই প্ৰকৃত অৰ্থত মহান হৈ পৰে। আব্ৰাহাম লিংকনে দাসত্ব বিলোপৰ বাবে যুঁজিছিল কাৰণ তেওঁৰ হৃদয়ত আছিল সকলো মানুহৰ বেদনাৰ প্ৰতি এক গভীৰ সংবেদনশীলতা। মাদাৰ টেৰেছাই কলকাতাৰ পথত মৃত্যু পথযাত্ৰীসকলৰ সেৱা কৰিছিল কাৰণ তেওঁ প্ৰতিজন মানুহৰ মুখত ঈশ্বৰৰ প্ৰতিফলন দেখিছিল। ড° বি আৰ আম্বেদকাৰে নিজৰ সকলো প্ৰতিভা আৰু শক্তি সমৰ্পণ কৰিছিল লাখ লাখ নিপীড়িত মানুহৰ মুক্তিৰ বাবে।

এই মহান মানুহবোৰৰ জীৱনৰ সাধাৰণ সূত্ৰটো হৈছে যে তেওঁলোকে নিজৰ সুখতকৈ অধিক গুৰুত্ব দিছিল আনৰ কল্যাণক। তেওঁলোকৰ লক্ষ্য কেৱল ব্যক্তিগত সমৃদ্ধিত সীমিত নাছিল, তেওঁলোক আছিল এক উচ্চতৰ উদ্দেশ্যৰ বাহক।

জ্ঞানৰ সাধনা এইবাবেই মহান কাৰণ ই মানুহক তাৰ সংকীৰ্ণ দৃষ্টিভংগীৰ পৰা মুক্ত কৰে। প্ৰকৃত জ্ঞান কেৱল তথ্যৰ সংগ্ৰহ নহয়। ই হৈছে সেই আলোক যি আন্ধাৰ দূৰ কৰে, যি সংকীৰ্ণতাক বিনাশ কৰে, যি মানুহক তাৰ সীমাবদ্ধতাৰ পৰা মুক্ত কৰি বিশ্বনাগৰিক কৰি তোলে।

জীৱনৰ বিষয়ে ক'বলৈ হ'লে কেৱল সৌন্দৰ্যৰ কথা ক'লেই নহ'ব, যন্ত্ৰণাৰ কথাও ক'ব লাগিব। কাৰণ জীৱন কেৱল পোহৰৰ নহয়, আন্ধাৰৰো; কেৱল আনন্দৰ নহয়, বেদনাৰো আৰু এই বেদনা অস্বীকাৰ কৰিলে জীৱনৰ আধা সত্য লুকাই ৰ'ব।

দাৰ্শনিক ফ্ৰেডৰিক নিটছে কৈছিল— 'যাৰ জীয়াই থকাৰ এটা কাৰণ আছে, তেওঁ যিকোনো পৰিস্থিতি সহ্য কৰিব পাৰে।' এই কথাযাৰ বাস্তৱৰ প্ৰমাণ পোৱা গৈছিল নাটৎসি কনচেণ্ট্ৰেচন কেম্পত বন্দী মনোবিজ্ঞানী ভিক্তৰ ফ্ৰেংকলৰ জীৱনত। যাৱতীয় মানৱিক গৌৰৱ হৰণ কৰাৰ পিছতো তেওঁ আৱিষ্কাৰ কৰিছিল যে মানুহৰ পৰা সকলো কাঢ়ি নিব পাৰি; কিন্তু এটা বস্তু কেতিয়াও কাঢ়িব নোৱাৰে আৰু সেয়া হ'ল সেই পৰিস্থিতিৰ প্ৰতি তাৰ মনোভাব বাছনি কৰাৰ স্বাধীনতা। ১৯৪২ চনৰ পৰা ১৯৪৫ চনৰ ভিতৰত তেওঁ মুঠ চাৰিখন কনচেণ্ট্ৰেচন কেম্পত (থেৰেচিয়েনষ্টাট, অশ্বভিটজ, কাউফেৰিং আৰু টুৰ্কহেইম) বন্দী হৈ আছিল। কেম্পত প্ৰৱেশ কৰিয়েই ফ্ৰেংকলে তেওঁৰ পৰিচয়, বৃত্তিমূলক মৰ্যাদা আৰু তেওঁ লিখি থকা গ্ৰন্থৰ পাণ্ডুলিপিটো হেৰুৱাব লগা হৈছিল। তেওঁক কেৱল এটা নম্বৰ দিয়া হৈছিল- বন্দী নম্বৰ ১১৯১০৪। ইয়াৰ উপৰি তেওঁৰ গৰ্ভৱতী পত্নী তিলী, পিতৃ-মাতৃ আৰু ভাতৃক নাটৎসিসকলে নিৰ্মমভাৱে হত্যা কৰিছিল, যাৰ খবৰ তেওঁ কেম্পৰ পৰা মুক্ত হোৱাৰ পিছতহে পাইছিল। চৰম উৎপীড়ন, ভোক আৰু বৰ্বৰতাৰ মাজতো ফ্ৰেংকলে লক্ষ্য কৰিছিল যে নাটৎসিসকলে এজন মানুহৰ পৰা সকলো কাঢ়ি ল'ব পাৰে; কিন্তু এটা বস্তু কেতিয়াও কাঢ়ি ল'ব নোৱাৰে- 'পৰিস্থিতি যিয়েই নহওক কিয়, নিজৰ মানসিক দৃষ্টিভংগী নিজে বাছনি কৰাৰ স্বাধীনতা'। তেওঁ ইয়াক 'মানুহৰ শেষ স্বাধীনতা' (The last human freedom) বুলি অভিহিত কৰিছিল। কেম্পৰ সেই অমানৱিক যন্ত্ৰণা, চৰম দুখ-কষ্ট আৰু মৃত্যুৰ মুখামুখি হোৱা অভিজ্ঞতাৰ আধাৰতে তেওঁ পৰৱৰ্তী সময়ত তেওঁৰ বিখ্যাত গ্ৰন্থ 'Man's Search for Meaning' ৰচনা কৰিছিল।

কবি ৰবীন্দ্ৰনাথ ঠাকুৰে লিখিছিল— 'মৰিতে চাহি না আমি সুন্দৰ ভুবনে।' বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'কড়ি ও কোমল' কাব্যগ্ৰন্থৰ অন্তৰ্গত 'প্ৰাণ' কবিতাৰ প্ৰথম শাৰী, 'মৰিতে চাহি না আমি সুন্দৰ ভুবনে' চৰণটিৰ মাধ্যমেৰে তেওঁৰ প্ৰবল মৰ্ত্যপ্ৰীতি আৰু জীৱনমুখী চেতনা প্ৰকাশ পাইছে। মানুহৰ সুখ-দুখৰ মাজত চিৰকাল জীয়াই থকাৰ এই অদম্য বাসনা কৰ্মৰ জৰিয়তে কবিৰ অবিনশ্বৰতাৰ ইচ্ছা প্ৰতিফলিত হৈছে। এই পংক্তিত নিহিত আছে জীৱনৰ প্ৰতি এক অনুপম ভালপোৱা। কিন্তু তেওঁ নিজেই জীৱনত অনেক দুখ-বেদনাৰ মাজেৰে পাৰ হৈছিল— পত্নীৰ মৃত্যু, পুত্ৰৰ মৃত্যু, প্ৰিয় মানুহবোৰৰ অকাল মৃত্যু। তথাপি তেওঁৰ কবিতাত সদায় জীৱনৰ প্ৰতি এক গভীৰ কৃতজ্ঞতা প্ৰবাহিত। কাৰণ তেওঁ জানিছিল যে বেদনা আৰু সৌন্দৰ্য এক মুদ্ৰাৰ দুটা পিঠি।

যি মানুহে কেৱল সুখত আনন্দিত হয়, তেওঁ কেতিয়াও গভীৰভাৱে জীয়াই নাথাকে। প্ৰকৃত গভীৰতা আহে কষ্টৰ মাজেৰে। সোণক শুদ্ধ কৰিব লাগিলে অগ্নিৰ মাজেৰেই পাৰ হ'ব লাগে। তেনেকৈয়ে মানুহৰ চৰিত্ৰও গঢ় লয় জীৱনৰ কঠিন পৰীক্ষাবোৰৰ মাজেৰে।

আধুনিক মনোবিজ্ঞানৰ গৱেষণাত প্ৰমাণিত হৈছে যে কৃতজ্ঞতাৰ অনুভৱ হৈছে মানৱ মনৰ সৰ্বোচ্চ ইতিবাচক অৱস্থা। যি মানুহে জীৱনৰ সৰু সৰু উপহাৰবোৰৰ বাবে কৃতজ্ঞ, তেওঁৰ জীৱন স্বাভাৱিকভাৱেই সুন্দৰ হৈ পৰে।

এই ধৰিত্ৰীৰ প্ৰতিটো প্ৰভাত কেৱল এক নতুন দিনৰ আৰম্ভণি নহয়, বৰঞ্চ একো একোটা মহাজাগতিক অলৌকিকতা। সূৰ্যৰ প্ৰথমটো কিৰণে যেতিয়া দিগন্তৰ বুকুত চেতনাৰ বিস্তাৰ ঘটায়, পাতৰ বুকুত মুকুতা হৈ জিলিকি উঠা প্ৰতিটো শিশিৰবিন্দুৱে যেন সৃষ্টিৰ মৌনতা ভংগ কৰে। পক্ষীকুলৰ প্ৰথমটো কলৰৱ কেৱল গান নহয়, সেয়া সমগ্ৰ ব্ৰহ্মাণ্ডৰ এক জাগৰণ-সংগীত। অস্তিত্বৰ এই নিভৃত সৌন্দৰ্যক স্পৰ্শ কৰিবলৈ চকুৰ দৃষ্টিতকৈও অধিক প্ৰয়োজন উন্মুক্ত অন্তৰালৰ এক সজাগ চেতনাৰ।

প্ৰাচীন ৰোমান দাৰ্শনিক মাৰ্কাছ অৰেলিয়াছে তেওঁৰ 'মেডিটেচন'ত লিখিছিল— 'প্ৰতিটো ক্ষতিকৰ পৰিস্থিতি আচলতে এক সুযোগৰ ছদ্মবেশ।' এই দৃষ্টিভংগিয়েই হৈছে জীৱনৰ সৌন্দৰ্য উপলব্ধি কৰাৰ মূল চাবিকাঠী। যেতিয়া মানুহ প্ৰতিটো পৰিস্থিতিকে এক শিক্ষাৰ সুযোগ হিচাপে গ্ৰহণ কৰিবলৈ শিকে।

জীৱনটো এটা উপহাৰস্বৰূপ। কিন্তু এয়া কেৱল প্ৰাপ্তিৰ কথা নহয়, এয়া দায়িত্বৰো কথা। প্ৰতিটো শ্বাসৰ সৈতে আমি পৃথিৱীৰ পৰা গ্ৰহণ কৰিছো আৰু প্ৰতিটো কৰ্মৰে আমি পৃথিৱীক ঘূৰাই দিছো। এই লেনদেনৰ গুণমানৰ ওপৰতেই নিৰ্ভৰ কৰে আমাৰ জীৱনৰ মূল্য।

মহাকবি মিল্টনৰ অমৰ উক্তি— 'মন নিজেই নিজৰ বাসস্থান আৰু ই নিজেই স্বৰ্গক নৰক বা নৰকক স্বৰ্গলৈ ৰূপান্তৰ কৰিব পাৰে' ই কেৱল এটা বাক্য নহয়, ই মানৱ মনৰ সাৰ্বভৌমত্বৰ এক পৰম ইস্তাহাৰ। যি মুহূৰ্ততে কোনো ব্যক্তিয়ে এই মহাসত্যৰ প্ৰজ্ঞা উপলব্ধি কৰে, সেই মুহূৰ্তৰ পৰাই পাৰ্থিৱ জগতৰ কোনো বন্ধনেই তেওঁৰ অন্তৰাত্মাক শিকলি লগাব নোৱাৰে; বাহ্যিক পৰিস্থিতিৰ ধুমুহা যিয়েই নহওক কিয়, তেওঁৰ আত্মা মহাশূন্যৰ দৰেই চিৰমুক্ত, চিৰপ্ৰশান্ত আৰু অপৰাজেয় হৈ ৰয়।

আহক, আমি প্ৰতিজনে অস্তিত্বৰ এই মহাকাব্যিক নাট্যশালাত নিজক সম্পূৰ্ণৰূপে বিলীন কৰি দিওঁ। প্ৰতিটো নতুন প্ৰভাতক কঢ়িয়াই আনক একো একোটা আধ্যাত্মিক পুনৰ্জন্মৰ চেতনা। প্ৰতিটো পতনক আমি অন্তৰ্দৃষ্টি জাগ্ৰত কৰাৰ একোটা চৰম সুযোগ আৰু প্ৰতিটো বিজয়ক অহংকাৰমুক্ত বিনম্ৰতাৰ অলংকাৰেৰে গ্ৰহণ কৰো। কেৱল সেয়াই নহয়, জগতৰ প্ৰতিজন মানুহৰ মাজত থকা সেই একেই অলৌকিক জ্যোতিৰ উমান লওঁ, যি দিব্য সম্ভাৱনা আমাৰ নিজৰ বুকুটো চিৰপ্ৰজ্জ্বলিত হৈ আছে। কিয়নো ব্ৰহ্মাণ্ডৰ বুকুত জীৱনৰ কোনো পূৰ্বনিৰ্ধাৰিত অৰ্থ নাথাকে- জীৱনৰ প্ৰকৃত অৰ্থ আমি নিজেই সৃষ্টি কৰিব লাগে। এই সৃষ্টিশীল যাত্ৰাৰ প্ৰতিটো স্পন্দনত, প্ৰতিটো উশাহত আমি অনুভৱ কৰিম সেই অলৌকিক আনন্দ, যাক আমাৰ উপনিষদৰ ঋষিসকলে অভিহিত কৰিছিল 'সচ্চিদানন্দ' বুলি চিৰন্তন সত্য, বিশুদ্ধ চেতনা আৰু অনন্ত আনন্দৰ সেই অদ্বৈত মহাপ্ৰবাহ, যাৰ সন্ধানত যুগে যুগে আত্মাৰ এই মহাযাত্ৰা আৰম্ভ হৈছিল। গতিকে প্ৰতিটো পলক নিষ্কাম কৰ্মৰ পোহৰেৰে জ্যোতিৰ্ময় কৰি তোলো, কাৰণ এই বৰ্তমান মুহূৰ্তটোৱেই হৈছে মহাকালৰ বুকুত আমাৰ একমাত্ৰ জীৱন্ত বাস্তৱতা। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# ড্ৰাগ্‌ছৰ বিৰুদ্ধে আমাৰ সামাজিক দায়িত্ব

আচৰণত হোৱা সৰু সৰু পৰিৱৰ্তনবোৰৰ প্ৰতি তীক্ষ্ণ চকু ৰখা, তেওঁলোকৰ সমস্যামূহ মনোযোগেৰে শুনা আৰু কোনো চৰ্ত নোহোৱাকৈ তেওঁলোকক মানসিক সমৰ্থন প্ৰদান কৰাৰ জৰিয়তে পৰিয়ালেই ড্ৰাগ্‌ছৰ বিৰুদ্ধে আটাইতকৈ শক্তিশালী প্ৰতিৰোধ গঢ়ি তুলিব পাৰে। কঠোৰ শাসন বা শাৰীৰিক-মানসিক নিৰ্যাতনৰ সলনি বুজাবুজিৰে পৰিস্থিতি চম্ভালাৰ প্ৰয়াস কৰিব লাগে, কিয়নো ককৰ্থনাই তেওঁলোকক অধিক গোপনীয়তাৰ ফালেহে ঠেলি দিয়ে। ইয়াৰ সমান্তৰালভাৱে আমাৰ পৰম্পৰাগত শিক্ষানুষ্ঠানসমূহৰ দৃষ্টিভংগীৰো আমূল পৰিৱৰ্তন হোৱাটো বাঞ্ছনীয়। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত কেৱল প্ৰতিযোগিতামূলক পাঠ্যক্ৰমৰ শিক্ষাই নহয়, জীৱনশৈলীৰ শিক্ষা আৰু মানসিক স্বাস্থ্য সম্পৰ্কীয় বিজ্ঞানসন্মত সজাগতাও প্ৰদান কৰিব লাগিব। প্ৰতিখন শিক্ষানুষ্ঠানতে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক স্বাস্থ্যৰ নিয়মীয়া বুজ ল'বলৈ আৰু প্ৰয়োজনীয় পৰামৰ্শ (Counseling) প্ৰদান কৰিবলৈ প্ৰশিক্ষিত মনোবিজ্ঞানী বা পৰামৰ্শদাতা থকাটো জৰুৰী। ভয়-ভীতি প্ৰদৰ্শন কৰাৰ সলনি ড্ৰাগ্‌ছৰ ভয়াৱহতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত তথ্যৰ আধাৰত অৱগত কৰাৰ লগতে খেল-ধেমালি, কলা-সংস্কৃতি, সংগীত আৰু অন্যান্য সৃষ্টিশীল কাম-কাজত জড়িত হ'বলৈ তেওঁলোকক উৎসাহিত কৰিব লাগে। যেতিয়া যুৱচামে সমাজত নিজৰ প্ৰাসংগিকতা অনুভৱ কৰিব, তেতিয়া কৃত্ৰিম নিচাৰ প্ৰতি তেওঁলোকৰ আকৰ্ষণ স্বাভাৱিকতেই হ্ৰাস পাব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, ড্ৰাগ্‌ছ আসক্তসকলৰ প্ৰতি সমাজৰ সামগ্ৰিক দৃষ্টিভংগীৰ পৰিৱৰ্তন। আমি ড্ৰাগ্‌ছ আসক্ত ব্যক্তিসকলক আজন্ম অপৰাধী হিচাপে গণ্য কৰাৰ সলনি তেওঁলোকক চিকিৎসাৰ প্ৰয়োজন হোৱা ৰোগী হিচাপে গণ্য কৰিবলৈ শিকিব লাগিব। সমাজৰ পৰা এঘৰীয়া কৰিলে বা কলংকিত কৰিলে আসক্ত ব্যক্তিজনৰ মানসিক অৱস্থাৰ অধিক অৱনতিহে ঘটে আৰু তেওঁ কেতিয়াও সুস্থ জীৱনলৈ উভতি অহাৰ সাহস গোটাব নোৱাৰে। সেয়েহে তেওঁলোকক সমাজচ্যুত কৰাৰ সলনি উন্নত চিকিৎসা আৰু বৈজ্ঞানিক পুনৰ সংস্থাপনৰ যোগেদি মূলসুঁতিলৈ ঘূৰাই অনাৰ প্ৰয়াস কৰিব লাগে। চৰকাৰ আৰু বেচৰকাৰী সংস্থাসমূহে ৰাজ্যৰ প্ৰতিখন জিলাতে পৰ্যাপ্ত পৰিমাণৰ আৰু উন্নত মানৰ নিচামুক্তি কেন্দ্ৰ স্থাপন কৰাত অগ্ৰাধিকাৰ দিব লাগে। ইয়াৰ লগতে স্থানীয় ৰাইজ, যুৱ সংঘ আৰু সচেতন নাগৰিক সমাজে নিজৰ অঞ্চলত যাতে ড্ৰাগ্‌ছৰ গুপ্ত বেহা চলিব নোৱাৰে, তাৰ বাবে সজাগ দৃষ্টি ৰাখিব লাগিব। ড্ৰাগ্‌ছৰ এই ভয়ংকৰ আগ্ৰাসন কেৱল এখন ৰাজ্য বা এখন দেশৰ আইন-শৃংখলাৰ সমস্যা নহয়, ই আমাৰ তীব্ৰবেগী আধুনিক সমাজ ব্যৱস্থাত সোমাই পৰা হতাশা আৰু গাঁথনিগত বিফলতাৰ এক স্পষ্ট প্ৰতিফলন। আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযানে যোগানৰ পথ অৱশ্যেই ৰুদ্ধ কৰিব পাৰে, কিন্তু ড্ৰাগ্‌ছৰ প্ৰতি থকা তীব্ৰ চাহিদা নিৰ্মূল কৰিবলৈ হ'লে আমি যুৱপ্ৰজন্মৰ মানসিকতাক সবল কৰিব লাগিব। এখন সুস্থ, সবল আৰু নিচামুক্ত সমাজ গঢ়ি তুলিবলৈ হ'লে আমি সকলোৱে আমাৰ সামাজিক উদাসীনতা ত্যাগ কৰি হাতে হাত ধৰি আগবাঢ়ি আহিব লাগিব। কেৱল শাস্তি নহয়, বৰঞ্চ মৰম, সহানুভূতি আৰু উপযুক্ত পথ প্ৰদৰ্শনৰ জৰিয়তেহে আমি আমাৰ অমূল্য নৱপ্ৰজন্মক এই কৰাল গ্ৰাসৰ পৰা চিৰদিনৰ বাবে ৰক্ষা কৰিব পাৰিম। সমাজৰ প্ৰতিজন সচেতন নাগৰিকে আজি এই সংকল্প লোৱাৰ সময় আহি পৰিছে। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ

## নৰম শ্ৰেণীৰ শিক্ষাৰ্থীক

প্ৰশিক্ষণ প্ৰদান কৰিব। আনহাতে, উৎকৃষ্টতা প্ৰদৰ্শন কৰা স্থানীয় প্ৰশিক্ষকসকলক দেশৰ আগশাৰীৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহলৈ প্ৰশিক্ষণৰ বাবে প্ৰেৰণ কৰা হ'ব। যোৱা সোমবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকে এই সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যিক কেবিনেটে অসম সচিবালয়ৰ কম্পিউটাৰ অপাৰেটৰ পদৰ পৰা জুনিয়ৰ এডমিনিষ্ট্ৰেটিভ এছিষ্টেন্ট পদলৈ পদোন্নতিৰ বাবে প্ৰয়োজনীয় সেৱাকালৰ যোগ্যতা চাৰি বছৰৰ পৰিৱৰ্তে তিনি বছৰলৈ হ্ৰাস কৰাত অনুমোদন জনায়। এই সুবিধা ২৫-০৫-২০২৩ তাৰিখত নিযুক্তি লাভ কৰা কৰ্মচাৰীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। ৰাজ্যিক কেবিনেটে প্ৰাক্তন সৈনিকসকলৰ বাবে গ্ৰেড-থ্ৰী আৰু গ্ৰেড-ফ'ৰ পদত চৰকাৰী সেৱাত প্ৰৱেশৰ ক্ষেত্ৰত বয়সৰ সৰ্বোচ্চ সীমা বৰ্তমানৰ ৪২ বছৰৰ পৰা ৪৫ বছৰলৈ শিথিল কৰাত অনুমোদন জনায়। ইয়াৰ ফলত প্ৰাক্তন সৈনিকসকলে ৰাজ্যৰ চৰকাৰৰ সেৱাত প্ৰৱেশৰ বাবে অনুষ্ঠিত নিযুক্তি প্ৰক্ৰিয়াত ব্যাপক অংশগ্ৰহণৰ সুযোগ লাভ কৰিব। ৰাজ্যিক কেবিনেটে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে নৰম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিনামূলীয়া চাইকেল বিতৰণত অনুমোদন জনায়। ৰাজ্যিক কেবিনেটে 'অসম গ্ৰীণ চেছ নীতি, ২০২৬'ত অনুমোদন জনায়। এই নীতিখনে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ আৰু বহনক্ষম উন্নয়নৰ স্বাৰ্থত নিয়ন্ত্ৰণৰ প্ৰয়োজন থকা বিভিন্ন চিনাক্তকৃত খণ্ডত গ্ৰীণ চেছ আৰোপৰ বাবে এক কাঠামো প্ৰস্তুত কৰিব। এইদৰে সংগৃহীত গ্ৰীণ চেছৰ ধন মথাউৰি পুনৰ নিৰ্মাণ আৰু মেৰামতি, সৌৰ শক্তি প্ৰকল্পত বিত্তীয় যোগান আদি কামত ব্যৱহাৰ কৰা হ'ব। কেবিনেটে তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত গ্ৰীণ চেছ আৰোপৰ ক্ষেত্ৰত নীতিগতভাৱে সন্মতি প্ৰকাশ কৰে। সেই সমূহ হ'ল— শিল ভঙা উদ্যোগ , ইটা ভাটা, আমদানিকৃত কাঠ, প্ৰদূষণ সূচকৰ ভিত্তিত ঔদ্যোগিক প্ৰতিষ্ঠান, পূৰ্বৰ মালিকাধীন মটৰগাড়ীৰ মালিকীস্বত্ব হস্তান্তৰ, ভূগৰ্ভস্থ পানীৰ বাণিজ্যিক নিষ্কাশন আৰু ব্যৱহাৰ। ৰাজ্যিক কেবিনেটে অসম কৰ আয়ুক্তালয়ৰ পুনৰ্গঠনত অনুমোদন জনায়।

## গুৱাহাটী বিশ্ববিদ্যালয়ত

অনুষ্ঠানতে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয় ছপাশালৰ পৰা প্ৰকাশিত 'চন্দ্ৰকান্ত অভিধান'ৰ পঞ্চম সংশোধিত আৰু পৰিৱৰ্ধিত সংস্কৰণ আৰু 'ভূপেন হাজৰিকা— হাণ্ড্ৰেড ইয়েৰ্ছ অব্ এ ৰাপ্তাৰিং ছং' শীৰ্ষক গ্ৰন্থ দুখনো উন্মোচন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই দেশৰ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক অসমবাসীৰ হৈ আন্তৰিক অভিনন্দন আৰু স্বাগতম জনায়। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ দুদিনীয়া অসম ভ্ৰমণৰ কাৰ্যসূচীক বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী আৰু শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই কাৰ্যসূচীত তেওঁৰ অংশগ্ৰহণে শিক্ষাৰ ৰূপান্তৰকাৰী শক্তি আৰু দেশৰ ভৱিষ্যত গঢ়াত নৱপ্ৰজন্মৰ ভূমিকাৰ প্ৰতি থকা তেওঁৰ গভীৰ বিশ্বাসকে প্ৰতিফলিত কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে গৌৰৱবোধ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই শিক্ষানুষ্ঠানৰ সৈতে অসমবাসীৰ হৃদয়ৰ আৱেগ গভীৰভাৱে জড়িত হৈ আছে। নতুন পাঠ্যক্ৰম প্ৰৱৰ্তনেৰে কৰ্মজগতৰ পৰিৱৰ্তিত চাহিদাৰ সৈতে খাপ খুৱাই ল'বলৈ বিশ্ববিদ্যালয়খনে কৰা প্ৰয়াসৰো তেওঁ শলাগ লয়। আন্তঃগাঁথনি উন্নয়নৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এখন বিশ্ববিদ্যালয়ৰ প্ৰকৃত মূল্যায়ন ই গঢ় দিয়া বৌদ্ধিক সম্পদ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সঞ্চাৰ কৰা মূল্যবোধৰ জৰিয়তেহে প্ৰতিফলিত হয়। ৰাজ্য চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি বিকাশৰ বাবে ২৫০ কোটি টকা অনুদান ঘোষণা কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ অংশস্বৰূপেই উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ১১০ কোটি টকা ব্যয়সাপেক্ষ শৈক্ষিক ভৱন, ছাত্ৰাবাস আৰু আৱাসিক চৌহদ নিৰ্মাণৰ প্ৰথম পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিলে। চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে অনুমোদন জনাব পৰাকৈ বাকী ১৪০ কোটি টকাৰ প্ৰকল্পৰ প্ৰস্তাৱো চৰকাৰক অতি সোনকালে দাখিল কৰিবলৈ তেওঁ বিশ্ববিদ্যালয় পৰিয়ালক আহ্বান জনায়। ইয়াৰ উপৰি বিশ্ববিদ্যালয়ৰ ষ্টেডিয়ামখন আন্তঃৰাষ্ট্ৰীয় মানলৈ উন্নীত কৰাৰ বাবে চৰকাৰে অতিৰিক্ত ধনৰ যোগান ধৰিব বুলিও তেওঁ ঘোষণা কৰে। এই অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিগৰাকীৰ দ্বাৰা দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থ উন্মোচন কৰা কাৰ্যই বিশেষ তাৎপৰ্য বহন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। উন্মোচিত ধ্ৰুপদী অসমীয়া ভাষাৰ চহকী ঐতিহ্যৰ জীৱন্ত দলিলস্বৰূপ 'চন্দ্ৰকান্ত অভিধান'ৰ পঞ্চম সংশোধিত আৰু পৰিৱৰ্তিত সংস্কৰণ আৰু ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ১০০ বছৰীয়া জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা 'ভূপেন হাজৰিকা— হাণ্ড্ৰেড ইয়েৰ্ছ অব্ এ ৰাপ্তাৰিং ছং' নামৰ গ্ৰন্থ দুখনে আমাৰ ভাষা, ঐতিহ্য আৰু সাংস্কৃতিক উত্তৰাধিকাৰৰ বাৰ্তা বহন কৰিছে বুলি তেওঁ মত প্ৰকাশ কৰে। জ্ঞানক কেৱল আহৰণ কৰাই নহয়, ইয়াক সমাজৰ প্ৰগতিৰ বাবে কৰ্মত ৰূপায়ণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। জাপান, চীন বা আমেৰিকা যুক্তৰাষ্ট্ৰ দৰে দেশৰ তুলনাত ভাৰতবৰ্ষৰ জনসংখ্যাৰ মধ্যম বয়স যথেষ্ট কম বুলি উল্লেখ কৰি তেওঁ কয় যে দেশৰ ভিতৰতে অসম অন্যতম কম বয়সীয়া যুৱশক্তিৰ বাসস্থান আৰু এই বিপুল যুৱশক্তিয়ে অসমৰ লগতে দেশলৈ এক অভূতপূৰ্ব সম্ভাৱনা কঢ়িয়াই আনিছে। বিশ্বত দেখা দিয়া দক্ষ মানৱ সম্পদৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ যুৱপ্ৰজন্মক কেৱল ৰাজ্য বা দেশৰ বাবেই নহয়, বৰঞ্চ গোলকীয় মানৱ মানৱ সম্পদ হিচাপে গঢ়ি তুলিব লাগিব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে বিশেষ আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি জাপানী, জাৰ্মান আদি বিদেশী ভাষাসমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলক বিশ্বমুখী কৰিবলৈ তেওঁ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক আহ্বান জনায়। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ শিক্ষা আদি বিভাগৰ মন্ত্ৰী ড° ৰণোজ পেগু, পশুপালন আৰু পশুচিকিৎসা আদি বিভাগৰ মন্ত্ৰী নীলিমা দেৱী, কেইবাগৰাকীও বিধায়ক, মুখ্য সচিব ড° ৰবি কোটা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্ত, পঞ্জীয়ক প্ৰফেচাৰ উৎপল শৰ্মাকে ধৰি বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল, বহুকেইগৰাকী শিক্ষাবিদ আৰু বিশিষ্ট নাগৰিককে ধৰি আন বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ধূপধৰাত চাৰিলেন ৰাষ্ট্ৰীয় ঘাইপথৰ

ধূপধৰালৈ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত পথলৈ সম্প্ৰসাৰণৰ ঠিকা লাভ কৰিছে 'টি টি চি ইনফ্ৰা ইণ্ডিয়া লিমিটেড' নামৰ প্ৰতিষ্ঠানটোৱে। ৰাইজৰ অভিযোগ অনুসৰি, প্ৰতিষ্ঠানটোৱে ধূপধৰাৰ উক্ত অংশত পথ নিৰ্মাণৰ কামত গুৰুত্ব নিদিয়াৰ ফলতে নিৰ্মাণৰ পিছতে পথটোৰ অৱস্থা শোচনীয় হৈ পৰিছে। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, পথটোৰ উক্ত অংশটো তুলনামূলকভাৱে দ' অঞ্চল। নিৰ্মাণৰ এদিন পূৰ্বে এজাক বৰষুণৰ ফলত পথছোৱাত একঁকাল পৰ্যন্ত পানী জমা হৈছিল। ইয়াৰ পিছদিনাই অৰ্থাৎ যোৱা শনিবাৰে সেই পথছোৱাত বিটুমিন দি প্ৰতিষ্ঠানটোৱে পথ নিৰ্মাণৰ কাম কৰে। কিন্তু নিৰ্মাণৰ মাত্ৰ এদিন পিছতে পথটোৰ বিভিন্ন অংশৰ ওপৰৰ স্তৰ উঠি যোৱাৰ লগতে ঠায়ে ঠায়ে ফাট মেলা আৰু পথৰ ওপৰত শিলগুটি ওলাই পৰা পৰিলক্ষিত হৈছে। পথছোৱাৰ একাংশত পানীও জমা হৈ আছে। ইয়াৰ ফলত যান-বাহনৰ চলাচলতো অসুবিধাৰ সৃষ্টি হৈছে। ইফালে, স্থানীয় ৰাইজৰ অভিযোগ, বৰষুণ দি থকা সত্বেও তথা বৰষুণৰ পানী জমা হৈ থকাৰ লগতে পথটো সেমেকা হৈ থকাৰ পিছতো নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৱে পথৰ কাম অব্যাহত ৰাখিছিল। ফলত নিৰ্মাণৰ এদিন পিছতে পথটোৰ এনে অৱস্থা হোৱা বুলি ৰাইজে অভিযোগ কৰে। ৰাষ্ট্ৰীয় ঘাইপথৰ দৰে গুৰুত্বপূৰ্ণ পথৰ নিৰ্মাণকাৰ্যৰ মানদণ্ডক লৈ উত্থাপিত এই অভিযোগৰ প্ৰতি সংশ্লিষ্ট বিভাগে গুৰুত্ব দি বিষয়টো পৰীক্ষা কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে। লগতে পথ নিৰ্মাণৰ কামৰ গুণগত মান পৰীক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও ৰাইজে দাবী জনাইছে।

## বৰপেটা-বাক্সাত হস্ততাঁত, বস্ত্ৰ ক্ৰীড়া প্ৰকল্পৰ

কাৰ্যসূচীসমূহৰ বুজ লয়। দৈমাৰীয়ে প্ৰশিক্ষাৰ্থীসকলক উপলব্ধ সুযোগ-সুবিধাসমূহৰ সঠিক ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। দক্ষতা, নিযুক্তি আৰু উদ্যমিতা বিভাগ (SEED)ৰ অধীনস্থ 'চিএম-ফ্লাইট' আদিকে ধৰি চৰকাৰী আঁচনিসমূহৰ বিষয়ে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। ইয়াৰ উপৰি প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি আৰু ভৱিষ্যতে আত্মসংস্থানৰ পথ সুগম কৰাৰ বাবেও তেওঁ প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰে। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে বৰপেটাৰ ৰাম ৰাই ইনডোৰ ষ্টেডিয়ামৰ বেডমিণ্টন ভৱন আৰু ফুটবল খেলপথাৰ পৰিদৰ্শন কৰি ক্ৰীড়া প্ৰকল্পসমূহৰ বৰ্তমানৰ স্থিতি পৰ্যালোচনা কৰে। অঞ্চলটোত ক্ৰীড়া আন্তঃগাঁথনিৰ অধিক উন্নতি আৰু আধুনিকীকৰণৰ বাবে প্ৰয়োজনীয় পদক্ষেপসমূহৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। পৰৱৰ্তী সময়ত মন্ত্ৰীগৰাকীয়ে হাউলীৰ চৰকাৰী ৰেচম পাম পৰিদৰ্শন কৰি চোম, সোঁৱালো আৰু নুনি গছৰ ৰোপণ প্ৰক্ৰিয়া পৰ্যালোচনা কৰে। তেওঁ বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ সৈতে আলোচনাত মিলিত হৈ পামখনৰ সামগ্ৰিক বিকাশ আৰু পৰিচালনা সম্পৰ্কে দিশ-নিৰ্দেশনা প্ৰদান কৰে। ইফালে, বাক্সা জিলাৰ মানাহৰ বাঁহবাৰীস্থিত ছেণ্ট জেভিয়াৰ্ছ ইংলিছ স্কুলৰ খেলপথাৰত অসম ফুটবল সন্থাৰ উদ্যোগত অনুষ্ঠিত (G-Zone)ৰ 'ছিনিয়ৰ পুৰুষ ফুটবল প্ৰতিযোগিতা ২০২৬-২৭'ৰ চূড়ান্ত খেলখন মন্ত্ৰীগৰাকীয়ে আৰম্ভ কৰে। বাক্সা ভ্ৰমণৰ অংশ হিচাপে মন্ত্ৰী দৈমাৰীয়ে মুছলপুৰত থকা হস্ততাঁত প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰি তাত থকা প্ৰশিক্ষণ ব্যৱস্থা আৰু আন্তঃগাঁথনিৰ বুজ লয়। দিনজোৰা কাৰ্যসূচীৰ শেষত মন্ত্ৰীগৰাকীয়ে মুছলপুৰৰ খাৰুৱাজানত অৱস্থিত 'ইণ্টিগ্ৰেটেড টেক্সটাইল পাৰ্ক' পৰিদৰ্শন কৰে। তাত থকা এৰী সূতা কটা মিল আৰু অন্যান্য সুবিধাসমূহ নিৰীক্ষণ কৰাৰ লগতে স্থানীয় উৎপাদক আৰু শিপিনীসকলৰ সামগ্ৰীৰ গুণগত মান বৃদ্ধি, প্ৰক্ৰিয়াকৰণ আৰু বজাৰ সৃষ্টিৰ সুবিধা সম্পৰ্কে বিষয়াসকলৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰে।

## চাহিদা পূৰণ কৰিব পৰাকৈ মানৱ

আৰু শিক্ষাগুৰুসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। দীক্ষান্ত সমাৰোহত ডিগ্ৰী আৰু ডিপ্ল'মা লাভ কৰা শিক্ষাৰ্থীসকলে আহিবলগীয়া দিনবোৰত কৰুণা, সহৃদয়তা আৰু সহানুভূতিৰে মানৱসেৱাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱ সেৱাৰ মহান বাণী বহন কৰা এই বিশ্ববিদ্যালয়খনৰ সৈতে ২০০৭ চনৰ প্ৰতিষ্ঠাকালৰে পৰা নিবিড়ভাৱে জড়িত হৈ থকাৰ সৌভাগ্য লাভ কৰা বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে বিশ্ববিদ্যালয়খনৰ সহযোগত ৰাজ্যত চিকিৎসা শিক্ষাৰ আন্তঃগাঁথনি নিৰ্মাণ আৰু পাঠ্যক্ৰমৰ আধুনিকীকৰণৰ জৰিয়তে এক ব্যাপক পৰিৱৰ্তনৰ সূচনা কৰিছে। বিশ্ববিদ্যালয়খনৰ শৈক্ষিক উত্তৰণৰ যাত্ৰাৰ আলোকপাত কৰি মুখ্য মন্ত্ৰীয়ে কয় যে ২০২২ চনত অসম চিকিৎসা মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপনত চিকিৎসা শিক্ষাৰ দূৰদৰ্শী পথ প্ৰদৰ্শক ডাঃ জন বেৰী হোৱাইটৰ নামত এম বি বি এছ চূড়ান্ত পৰীক্ষাত প্ৰথম স্থান লাভ কৰা শিক্ষাৰ্থীৰ বাবে এক বিশেষ বঁটা ঘোষণা কৰা হৈছিল। আজিৰ অনুষ্ঠানত এই বঁটা গ্ৰহণ কৰা ২০২৩ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক ডাঃ বিকি দত্ত, ২০২৪ বৰ্ষৰ ডাঃ ভাগ্যশ্ৰী মোদী আৰু ২০২৫ বৰ্ষৰ ডাঃ প্ৰীতম ডেকাক তেওঁ অভিনন্দন জ্ঞাপন কৰে। তেওঁলোকৰ এই শৈক্ষিক সাফল্যই উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসা শিক্ষাৰ দূৰদৰ্শী পথ প্ৰদৰ্শকগৰাকীৰ গৌৰৱময় ঐতিহ্যক আগুৱাই নিয়াৰ লগতে ৰাজ্যৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰখনকো অনুপ্ৰাণিত কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। দেশৰ স্বাস্থ্য খণ্ডত সাধিত হোৱা অভূতপূৰ্ব ৰূপান্তৰক অসমে অতিশয় গৌৰৱেৰে প্ৰতিনিধিত্ব কৰিছে বুলি মুখ্য মন্ত্ৰীয়ে উল্লেখ কৰে। অসমৰ চিকিৎসা আন্তঃগাঁথনিৰ অভূতপূৰ্ব সম্প্ৰসাৰণৰ খতিয়ান দাঙি ধৰি তেওঁ কয় যে স্বাধীনতাৰ প্ৰথম পাঁচ দশকত ৰাজ্যত মাত্ৰ ৩ খন চিকিৎসা মহাবিদ্যালয় আছিল যদিও বৰ্তমান এই সংখ্যা ১৪ খনলৈ বৃদ্ধি পাইছে। ইয়াৰ উপৰি চৰাইদেউ, বিশ্বনাথ চাৰিআলি, গোলাঘাট, মৰিগাঁও, তামুলপুৰ, ধেমাজি, শিৱসাগৰ, শ্ৰীভূমি আৰু গোৱালপাৰাত আন ৯ খন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য চলি থকাৰ লগতে বজালী, হাইলাকান্দি, হোজাই আৰু মাজুলীতো নতুন মহাবিদ্যালয় নিৰ্মাণৰ প্ৰক্ৰিয়া চলি থকা বুলি তেওঁ সদৰী কৰে। ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত এম বি বি এছ আসনৰ সংখ্যা বৃদ্ধি সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য সদৰী কৰি মুখ্য মন্ত্ৰীয়ে কয় যে বৰ্তমান অসমত থকা ১৪ খন চিকিৎসা মহাবিদ্যালয়ত এম বি বি এছ পাঠ্যক্ৰমৰ আসনৰ সংখ্যা হৈছে ১৮৭৫ খন। শেহতীয়াকৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে অসমৰ ১৫ সংখ্যক চিকিৎসা মহাবিদ্যালয় হিচাপে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ক অনুমোদন জনোৱাৰ ফলত ৰাজ্যত সৰ্বমুঠ এম বি বি এছ আসনৰ সংখ্যা ১৯৭৫ খনলৈ বৃদ্ধি পাইছে। আনহাতে, কেন্দ্ৰীয় শ্ৰম মন্ত্ৰালয়ৰ অধীনস্থ গুৱাহাটীৰ ইএছআইচি চিকিৎসা মহাবিদ্যালয়খনকো সামৰি ল'লৈ বৰ্তমান ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১৬ খন আৰু সৰ্বমুঠ এম বি বি এছ আসনৰ সংখ্যাই দুহাজাৰ অতিক্ৰম কৰিছে বুলি মুখ্য মন্ত্ৰীয়ে জানিবলৈ দিয়ে। নৱাগত চিকিৎসকসকলক সমাজ আৰু দেশৰ প্ৰতি থকা তেওঁলোকৰ গভীৰ দায়িত্ববোধৰ কথা সোঁৱৰাই দি মুখ্য মন্ত্ৰীয়ে কয় যে চিকিৎসা বৃত্তিৰ নীতি-নিয়ম মানি চলি তেওঁলোকে সময়ানুবৰ্তিতা, সততা, আন্তৰিকতা আৰু নিষ্ঠাৰে কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰিব লাগিব। তেওঁ কয় যে বৃত্তিমুখী সফলতা আৰু পেছাদাৰী উত্তৰণৰ সমান্তৰালভাৱে সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা কেতিয়াও পাহৰি যাব নালাগে। নিজৰ কৰ্মস্থানৰ পৰাই বৃত্তিজীৱী মৰ্যাদা অটুট ৰখাৰ লগতে সমাজৰ দৰিদ্ৰ তথা আৰ্তজনৰ প্ৰতিও সমৰ্পিত মনোভাবেৰে সেৱা আগবঢ়াবলৈ তেওঁ নৱাগত চিকিৎসকসকলক আহ্বান জনায়। এই অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কেইবাগৰাকীও বিধায়ক, মুখ্য সচিব ড° ৰবি কোটা, শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অনুপ কুমাৰ বৰ্মনকে ধৰি বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল, অন্যান্য বিশিষ্ট ব্যক্তিসকল আৰু বহুসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# ৰাজ্যৰ ২৫ জিলাত প্ৰজ্ঞাৰ উদ্যোগত গুৰু পূজন অনুষ্ঠান

## ৪,১২১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা




**অসম ভূমি সেৰা, ঘগ্ৰাপাৰ ঃ** ভাৰতীয় সংস্কৃতিৰ অন্যতম মহান পৰম্পৰা হৈছে গুৰু-শিষ্য পৰম্পৰা। গুৰুৰ প্ৰতি শ্ৰদ্ধা আৰু শিষ্যৰ প্ৰতি গুৰুৰ স্নেহ-নিৰ্দেশনাই ভাৰতীয় জ্ঞান-পৰম্পৰাক যুগ যুগ ধৰি সমৃদ্ধ কৰি আহিছে। শ্ৰীৰামচন্দ্ৰ-বশিষ্ঠ, শ্ৰীকৃষ্ণ-সান্দীপনি, শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱ, সমৰ্থ ৰামদাস-ছত্ৰপতি শিৱাজী আৰু ৰামকৃষ্ণ পৰমহংস-বিবেকানন্দ আদি মহান গুৰু-শিষ্যৰ সম্পৰ্ক ইয়াৰ উজ্জ্বল উদাহৰণ। ‘শ্ৰদ্ধাৱান্ লভতে জ্ঞানম’ — ভগৱান শ্ৰীকৃষ্ণৰ এই বাণীয়ে জ্ঞান লাভৰ ক্ষেত্ৰত শ্ৰদ্ধাৰ গুৰুত্ব স্পষ্ট কৰে। এই মহান পৰম্পৰাক নৱপ্ৰজন্মৰ মাজত পুনৰ জীৱন্ত কৰি তোলাৰ উদ্দেশ্যে অসমৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক সংস্থা ‘প্ৰজ্ঞা’ই প্ৰতিবছৰৰ দৰে এই বছৰো শিক্ষক দিৱস উপলক্ষে যোৱা যোৱা ৫ ছেপ্টেম্বৰৰ ৰাজ্যজুৰি ‘গুৰু পূজন অনুষ্ঠান’ৰ আয়োজন কৰা হয়। এই উপলক্ষে যোৱা শনিবাৰে অসমৰ ২৫খন জিলাৰ বিভিন্ন মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয়ৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি মুঠ ১৯৫ টা কাৰ্যক্ৰম অনুষ্ঠিত হয়। এই অনুষ্ঠানসমূহত মুঠ ৪,১২১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ চৰণ বন্দনা আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সমগ্ৰ অসমতে ছাত্ৰ-ছাত্ৰীকে ধৰি ৩০ সহস্ৰাধিক লোকে এই গুৰু পূজন অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰে। চৰণ বন্দনা আৰু গুৰু বন্দনা অনুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমে শিক্ষাগুৰুসকলৰ চৰণ ধুৱাই আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পিছত গুৰু বন্দনাৰ পবিত্ৰ মন্ত্ৰোচ্চাৰণৰ সৈতে শিক্ষাগুৰুসকলৰ আৰতি কৰা হয়। প্ৰতিটো অনুষ্ঠানত সমাজৰ এগৰাকী বিশিষ্ট ব্যক্তিয়ে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ জীৱন-দৰ্শন, শিক্ষক সমাজৰ অৱদান আৰু ভাৰতীয় গুৰু-শিষ্য পৰম্পৰাৰ গুৰুত্ব সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। ‘গুৰুৰ প্ৰতি শ্ৰদ্ধা জ্ঞানৰ আধাৰ’ অনুষ্ঠানত অংশগ্ৰহণ কৰি কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী আৱেগিক হৈ পৰে। বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে এই প্ৰচেষ্টাৰ বাবে ‘প্ৰজ্ঞা’ক ধন্যবাদ জ্ঞাপন কৰি কয় যে আধুনিক সময়ত শিক্ষক-শিক্ষাৰ্থীৰ সম্পৰ্কক অধিক আত্মিক আৰু মূল্যবোধভিত্তিক কৰি তোলাৰ ক্ষেত্ৰত এনে অনুষ্ঠানৰ বিশেষ প্ৰয়োজন আছে বুলি মন্তব্য কৰে। ইফালে ‘প্ৰজ্ঞা’ৰ মতে, শিক্ষক কেৱল জ্ঞান প্ৰদান কৰা ব্যক্তি নহয়; তেওঁ এগৰাকী পথ প্ৰদৰ্শক আৰু সমাজ নিৰ্মাণৰ অন্যতম মূল আধাৰ। সেয়েহে নৱপ্ৰজন্মৰ মাজত শিক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধা, কৃতজ্ঞতা আৰু দায়বদ্ধতাৰ ভাব জগাই তোলাৰ লগতে ভাৰতীয় গুৰু-শিষ্য পৰম্পৰাক সমাজত পুনৰ সুদৃঢ় কৰাৰ লক্ষ্যৰে এই গুৰু পূজন অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি জানিব দিয়ে। আনহাতে, ‘প্ৰজ্ঞা’ই আশা প্ৰকাশ কৰি কয় যে এনে অনুষ্ঠানৰ জৰিয়তে নৱপ্ৰজন্মই ভাৰতীয় সংস্কৃতিৰ মহান গুৰু-শিষ্য পৰম্পৰাৰ সৈতে অধিক গভীৰভাৱে পৰিচিত হ’ব আৰু শিক্ষকসকলৰ প্ৰতি সন্মানৰ পৰম্পৰা অধিক শক্তিশালী হ’ব।

## বজালীত অনাথ কিশোৰ-কিশোৰীক সাহায্য স্বেচ্ছাসেৱী সংগঠন ‘শব্দ’ৰ

**অসম ভূমি সেৱা, পাঠশালা ঃ** কৰ্কট ৰোগত আক্ৰান্ত হৈ অকালতে পিতৃ-মাতৃক হেৰুওৱা কণমানি দুগৰাকী কিশোৰ-কিশোৰীৰ কাষত থিয় হ’ল বজালীৰ সামাজিক-সাংস্কৃতিক স্বেচ্ছাসেৱী সংগঠন ‘শব্দ’। উল্লেখ্য যে বজালী জিলাৰ অন্তৰ্গত দৈশিঙৰী গাঁৱৰ কণমানি দুলুমণি ৰয় আৰু বিকি ৰয়ে অকালতে পিতৃ-মাতৃক হেৰুৱাই অকলশৰীয়া হৈ পৰাৰ উপৰি সম্প্ৰতি আৰ্থিক চিন্তাতো পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিততে যোৱা দেওবাৰে সংগঠনটোৱে দুয়োগৰাকী কিশোৰ-কিশোৰীৰ



দৈশিঙৰীৰ বাসগৃহত উপস্থিত হৈ খা-খবৰ লোৱাৰ লগতে তেওঁলোকৰ পঢ়া-শুনা আৰু অনাগত দিনৰ প্ৰয়োজনীয়তাৰ বাবে আৰ্থিকভাৱে কিছু সহায় আগবঢ়ায়। অনুষ্ঠানত ‘শব্দ’ৰ সঞ্চালক বনজিৎ দাসৰ লগতে বিষয়ববীয়া হেমন্ত চৌধুৰী, উৎপল দাস, কনক ৰয়, হিমাংশু শৰ্মা, প্ৰিয়ংকা দাস আৰু ৰিংকু গোস্বামী উপস্থিত থাকে। উল্লেখ্য যে স্বেচ্ছাসেৱী সংগঠন ‘শব্দ’ই সমাজৰ বিভিন্ন আৰ্তজনক সহায়ৰ হাত আগবঢ়াই বজালীৰ এক উল্লেখনীয় অনুষ্ঠান হিচাপে পৰিচিত হোৱাৰ লগতে সংগঠনটোৱে সমাজৰ প্ৰতি থকা দায়িত্ববোধৰ পৰিচয় দাঙি ধৰিছে।

# কমাৰকুছি আয়ুষ্মান আৰোগ্য মন্দিৰত বাহ্যিক মূল্যায়ন

**গুৱাহাটী ঃ** কামৰূপ মহানগৰ জিলাৰ সোণাপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ কমাৰকুছি আয়ুষ্মান আৰোগ্য মন্দিৰ (AAM)ত যোৱা সোমবাৰে ৰাষ্ট্ৰীয় গুণগত মান নিশ্চিতকৰণ মানদণ্ডৰ অনুসৰি বাহ্যিক মূল্যায়ন অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত উদ্বোধনী অনুষ্ঠানত ডিমৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক ড° তপন দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। NQASৰ নিৰ্ধাৰিত মানদণ্ড অনুসৰি বাহ্যিক মূল্যায়ন বিজয় চন্দ্ৰ ঝাঁ আৰু ডাঃ মানস জ্যোতি কলিতাই সম্পন্ন কৰে। চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানসমূহত গুণগত, নিৰাপদ আৰু ৰোগীকেন্দ্ৰিক স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ ক্ষেত্ৰত NQAS এক গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় মানদণ্ড। সেৱা প্ৰদানৰ মান, ৰোগীৰ অধিকাৰ, সংক্ৰমণ নিয়ন্ত্ৰণ, ৰোগীৰ সুৰক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু গুণগত মান ব্যৱস্থাপনাকে ধৰি বিভিন্ন দিশৰ মূল্যায়নৰ জৰিয়তে NQAS-এ স্বাস্থ্য কেন্দ্ৰসমূহত গুণগত মান উন্নয়নৰ ক্ষেত্ৰত এক সু-সংগঠিত ব্যৱস্থা গঢ়ি তোলে। উল্লেখ্য যে কামৰূপ মহানগৰ জিলাত স্বাস্থ্য কেন্দ্ৰসমূহৰ গুণগত মান উন্নয়নৰ বাবে গ্ৰহণ কৰা ধাৰাবাহিক পদক্ষেপৰ ফলত বৰ্তমানলৈকে ৮ টা স্বাস্থ্য কেন্দ্ৰই NQAS স্বীকৃতি লাভ কৰিছে। এই স্বাস্থ্য কেন্দ্ৰসমূহ হৈছে গোটানগৰ



নগৰীয়া প্ৰাথমিক আয়ুষ্মান আৰোগ্য মন্দিৰ, চাবাৰভাটী নগৰীয়া প্ৰাথমিক আয়ুষ্মান আৰোগ্য মন্দিৰ, আদিংগিৰি নগৰীয়া প্ৰাথমিক আয়ুষ্মান আৰোগ্য মন্দিৰ, উলুবাৰী নগৰীয়া প্ৰাথমিক আয়ুষ্মান আৰোগ্য মন্দিৰ, কামাখ্যা ৰাজ্যিক আয়ুষ্মান আৰোগ্য মন্দিৰ, ভেটাপাৰা ৰাজ্যিক আয়ুষ্মান আৰোগ্য মন্দিৰ, গাড়ীগাঁও ৰাজ্যিক আয়ুষ্মান আৰোগ্য মন্দিৰ, আৰু টোপাতলী আয়ুষ্মান আৰোগ্য মন্দিৰ। তদুপৰি প্ৰসূতি মাতৃ আৰু শিশুৰ বাবে গুণগত স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ ক্ষেত্ৰতো জিলাখনে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। LaQshya হৈছে প্ৰসৱ কক্ষ আৰু মাতৃসেৱাৰ গুণগত মান উন্নত কৰাৰ বাবে গ্ৰহণ কৰা এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

# জালুকবাৰীত সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি অসম আবৃত্তি-সংস্কৃতি পৰিষদৰ



**গুৱাহাটী ঃ** অসমৰ কাব্য সাহিত্যৰ মহান সৃষ্টিসমূহক সাৰথি কৰি, অসমৰ আবৃত্তিকাৰ তথা জনগণক সংগঠিত কৰি অসমৰ সুৱদি-সুৰীয়া অমৃতময় কাব্যসমূহ আবৃত্তিৰ জৰিয়তে জনগণৰ হৃদয়ত স্থাপন কৰা তথা অসমৰ আবৃত্তি কলাক বৃত্তিমুখী পৰিৱেশ্য কলা হিচাপে প্ৰতিষ্ঠা কৰাৰ হকে নিৰৱচ্ছিন্নভাৱে কাম কৰি অহা অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে ‘সুধাকণ্ঠলৈ জাতিৰ শ্ৰদ্ধাঞ্জলি’ শীৰ্ষক এক অনুষ্ঠান যোৱা দেওবাৰে গুৱাহাটীৰ জালুকবাৰীস্থিত সমাধিক্ষেত্ৰত অনুষ্ঠিত হয়। পৰিষদে বৰ্ষজোৰা পদক্ষেপেৰে ৫০ হাজাৰ আবৃত্তি শিল্পীৰ আবৃত্তিৰে শ্ৰদ্ধাঞ্জলি জনোৱা কাৰ্যসূচীৰ সামৰণিৰূপে এই অনুষ্ঠান ৰূপায়িত কৰে। ড° ভূপেন হাজৰিকা সমাধিক্ষেত্ৰত পৰিষদৰ উপদেষ্টা জ্যোতিষ কুমাৰ শৰ্মাই আৰম্ভ কৰা অনুষ্ঠানত সুধাকণ্ঠলৈ শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰাৰ লগতে সামূহিক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। সমগ্ৰ অসমত আবৃত্তি চৰ্চাৰ এক বিদ্যায়তনিক আৰু পৰিৱেশ্য পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে গঠিত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদে অসমৰ প্ৰতিখন জিলাতে বৰ্ষজোৰা বিভিন্ন কাৰ্যসূচীৰে ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন কৰি আহিছে। সামৰণী অনুষ্ঠানত পৰিষদৰ ঐতিহ্যবাহী প্ৰতিনিধি প্ৰসিদ্ধ আবৃত্তিকাৰ, অভিনেতা প্ৰাঞ্জল শইকীয়া, উপদেষ্টা গৌতম প্ৰসাদ বৰুৱা, ভূপেন চক্ৰৱৰ্তী, বেদব্ৰত দেৱ মিশ্ৰ, ৰাজ্যিক কাৰ্যনিৰ্বাহক অনন্ত কুমাৰ ভূঞা প্ৰমুখ্যে ৰাজ্যিক উপদেষ্টা পৰিষদৰ কেইবাগৰাকী সদস্যই সুধাকণ্ঠক সুঁৱৰি নিজ নিজ বক্তব্য ৰাখে। পৰিষদৰ কাৰ্যবাহী সভাপতি ড° হিতেশ গোস্বামী, প্ৰধান সম্পাদক গুণীন ফুকন, ৰাজ্যিক মুখপাত্ৰ মৌচুমী ভট্টাচাৰ্যৰ লগতে বহু বিশিষ্ট ব্যক্তি উপস্থিত থকা এই অনুষ্ঠানটোত ড° ভূপেন হাজৰিকাই আবৃত্তি কৰা ৰূপকোঁৱৰৰ ‘চিৰ বিদ্ৰোহী’ শীৰ্ষক কবিতাটো সকলোৱে শ্ৰৱণ কৰাৰ লগতে সামূহিক কবিতা আবৃত্তিৰে সামৰণি মৰা হয়।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah